# বিষয়

প্রযন

"অগ্ৰতঃ সন্তি মে বেদাঃ
পৃষ্ঠতঃ সশৰং ধনুঃ
উভয়াং চ সমৰ্থোঽহং
শাপাদপিঃ শাৰাদপি।।
(বেদ মোৰ আগে আগে গতি কৰে, মোৰ পৃষ্ঠভাগত শৰেৰে সৈতে ধনু (আৰু হাতত পৰশু) আছে। মই বেদবিদ্যা আৰু যুদ্ধ দুয়োটাতে, শাপ দিয়াৰ শক্তি আৰু যিজন হন্যমান তেওঁক হত্যা কৰা, এই উভয় কাৰ্যতে সমৰ্থ।)

এইজনেই পৰশুৰাম, মহাবিষ্ণুৰ পঞ্চম অৱতাৰ। ৰুদ্ৰ অৱতাৰো তেওঁৰ লগত সংযুক্ত হৈ আছে। অৰ্থাৎ বিষ্ণুৰূপে পালন কৰ্ত্তা আৰু ৰুদ্ৰৰূপে সংহাৰকৰ্ত্তা দুয়োটা কাৰণ একীভূত হৈ তেওঁ ধৰাত জন্মলাভ কৰিছিল সত্য যুগৰ (ঋত যুগ) শেষ প্ৰান্তত আৰু ত্ৰেতা যুগৰ প্ৰাৰম্ভত জমদগ্নি ঋষিৰ ঔৰসত মাতৃ ৰেণুকাৰ গৰ্ভত ব'হাগ মাহৰ শুক্লপক্ষৰ অক্ষয় তৃতীয়া তিথিত।

পৰশুৰামৰ দ্বাৰা মাতৃহত্যা কৰা আৰু পাপ মোচনৰ বাবে ব্ৰহ্মকুণ্ড ৰূপ পৰশুৰাম কুণ্ডৰ কাহিনী বাল্যকালৰ পৰাই শুনি আহিছিলোঁ। আমাৰ ককা ঢুকুৱাৰ পিছত মায়ঙৰ নৰসিংহ আশ্ৰমৰ বাবাই হেনো ককাৰ নামত এখনি নৱবস্ত্ৰ পৰশুৰাম

# লৌহিত্য দৰ্শন আৰু পৰশুৰাম কুণ্ডত মহাস্নান

**কেশৱ চন্দ্ৰ হাজৰিকা**
গুৱাহাটী

কুণ্ডলৈ লৈ গৈছিল আৰু ককাৰ আত্মাৰ সদ্‌গতি প্ৰাৰ্থনা কৰি সেই বস্ত্ৰ কুণ্ডৰ পুত সলিলাত অৰ্পণ কৰিছিল। ঠিক তেনেদৰে মই যেতিয়া সপ্তমমান শ্ৰেণীত পঢ়ি আছিলো তেতিয়া মোৰ এবাৰ কলেৰাসদৃশ অসুখ হৈছিল। শুনিব পোৱামতে, অসুখৰ বাবে মোৰ হাত-ভৰি চেঁচা পৰি আহে। গাঁৱতে থকা ৰাজ্যিক চিকিৎসালয়ৰ চিকিৎসকজন (সম্পৰ্কত মোৰ মামা) আহি ইন্‌জেকচন দিয়ে যদিও হাত-ভৰি চেঁচা পৰি অহা বাবে তেজ গোট মাৰিছিল। পাছত সুস্থ হওঁ যদিও মোৰ বাওঁ ভৰিখন অকামিলা হৈ পৰিছিল। এদিন হঠাতে সন্ধিয়া সময়ত আমাৰ পদুলীৰে এজন সন্যাসী সোমাই আহে। তেওঁ হেনো সুদূৰ উত্তৰ ভাৰতৰ পৰা পদব্ৰজে পৰশুৰাম কুণ্ডলৈ যাত্ৰা কৰিছে। তেওঁ ৰাতিটোৰ বাবে আমাৰ ঘৰত আশ্ৰয় বিচাৰে।

মা-দেউতায়ো 'অতিথি পৰম দেৱতা' জ্ঞান কৰি বাবাক ৰাতিটোৰ বাবে আশ্ৰয় দিয়ে আৰু আল-পৈচান ধৰে। পিছদিনা পুৱা বাবাই মোক দেখি কি হৈছে সোধাত মা-দেউতাই মোৰ অসুখৰ সমস্ত কাহিনী তেওঁক ক'লে। কিছুসময়ৰ পিছত তেওঁ ওচৰতে থকা মায়ং পাহাৰলৈ যায় আৰু বিভিন্নধৰণৰ গছ-লতাৰ শিপা-ছাল আদি আনি সেইবোৰ ধুই খুন্দি পোৱা ৰস এটা ডাঙৰ চিচাৰ বটলত ভৰাই মাটিত পুতি থয় আৰু এপষেক পিছত সেইটো উলিয়াই মোক খুউৱাৰ বিধান দি তেওঁ পুনঃ পৰশুৰাম কুণ্ড অভিমুখে গতি কৰে। (অৱশ্যে সেই ঔষধ খাই মই সম্পূৰ্ণ সুস্থ হওঁ।) এই দুটা ঘটনাৰ পৰাই পৰশুৰাম কুণ্ডৰ প্ৰতি মোৰ ধাউতি বাঢ়িল যদিও পঢ়া-শুনা, পিতৃ বিয়োগ, চাকৰি, সংসাৰ আদি অজুহাতত পৰশুৰাম কুণ্ড বিষয়টো পাহৰণিৰ গৰ্ভত সোমাই পৰে। গত ইং ২০১০ চনত ঘৰলৈ যোৱাত ককাইদেৱে ক'লে সি হেনো পৰশুৰাম কুণ্ডলৈ যাবলৈ ইচ্ছা কৰিছে। মায়ঙৰ পৰা এটা তীৰ্থযাত্ৰী দল যাব। মোৰ মনটো ভাল লাগিল। মোৰো যোৱাৰ ইচ্ছা থকা কথা কোৱাত সি বৰ ভাল পালে আৰু খা-খবৰ কৰি সকলোখিনি মোক কোনত জনালে আমাৰ গাঁৱৰে শ্ৰীজীৱন ডেকাই বিষয়টোত উদ্যোগ লোৱা বুলি ক'লে। জনে প্ৰতি মুঠকৈ দিয়া এটা হিচাপৰ ভিতৰত যাতায়াত, খোৱা-থকা সকলোখিনি ব্যৱস্থা জীৱনে কৰা বুলি ক'লে। সময়ত বৰঙণি দি যাত্ৰীদলৰ সদস্যভুক্ত হওঁ আৰু যাত্ৰাৰ নিৰ্দিষ্ট দিনটোলৈ অপেক্ষা কৰোঁ।

যথা সময়ত সেই শুভ দিনটো আহিল— পুহ মাহৰ সংক্ৰান্তিৰ দিনা পৰশুৰাম কুণ্ডত মহাস্নান কৰাৰ দিন। সেয়ে দুদিন আগেয়ে আমাৰ যাত্ৰা আৰম্ভ কৰা হ'ল। যাত্ৰাৰ বাবে নিৰ্দ্ধাৰণ কৰা গাড়ীখন এখন ষ্টাৰবাছ। দীঘলীয়া ভ্ৰমণৰ বাবে এনেধৰণৰ বাছ বৰ উপাদেয় নহয় যদিও মনৰ উদ্যম আৰু অত বছৰে সাঁচি ৰখা আশা পূৰণ হোৱাৰ হেঁপাহত ভ্ৰমণত বাছৰ পৰা পাব পৰা কষ্টৰ কথা তেনেই তল পৰিল। ১১ জানুৱাৰীৰ ৰাতি দহ দণ্ড সময়ত আমি গাড়ীত উঠোঁ। ত্ৰিশ নে পয়ত্ৰিশজন তীৰ্থযাত্ৰী। যাত্ৰীদলত বয়সীয়াল আই-মাতৃ পাঁচগৰাকীও আছিল। ইখন-সিখন গাঁৱৰ পৰা যাত্ৰী উঠাবলগীয়া হোৱা হেতুকে প্ৰায় এক ঘণ্টামান গ'ল। সকলো যাত্ৰী বাছত উঠাৰ পিছত উৰুলীধ্বনিৰে আমাৰ যাত্ৰা আৰম্ভ কৰিলোঁ। নগাঁও চহৰ পাও মানে শেষনিশা তিনিটা বাজিল। এঠাইত ড্ৰাইভাৰে গাড়ীখন ৰখালে। আমি গাড়ীৰ পৰা নামি ওচৰতে থকা নৈশ বাছ আস্থানত ৰঙা চাহ আৰু বিস্কুট খাই তন্দ্ৰালস ভাবটো আঁতৰ কৰোঁ। ডেৰঘণ্টামান পাছত গাড়ীয়ে পুনঃ যাত্ৰা কৰে যদিও পুহমহীয়া শেষ নিশাৰ কুঁৱলীজাকে আমাৰ গাড়ীখন আগবঢ়াত বাৰে বাৰে বাধা দিয়ে। প্ৰায় দহটা মান বজাত যোৰহাটৰ ভোগদৈ নদীৰ পাৰত প্ৰাতঃকৃত সমাপন কৰি চাহ-জলপান খাই পুনঃ যাত্ৰা কৰো। মাজবাটত এটুকুৰা সুবিধাজনক ঠাইত গাড়ী ৰখাই আমাৰ লগত যোৱা সুপকাৰ (ৰান্ধনি) দুজনে দুপৰীয়াৰ আহাৰ প্ৰস্তুত কৰাত লাগিল। (এইখিনিতে উল্লেখ কৰিলো জীৱনৰ দক্ষ তদাৰকি ব্যৱস্থা। কিয়নো পথত প্ৰতিজন যাত্ৰীৰ খা-খবৰ লোৱাৰ উপৰি যাত্ৰাত প্ৰতিসাজ খনাৰ তদাৰক কৰি গৈছিল। গাড়ীতে বাচন-বৰ্ত্তন, চাউল, দালি, তৰকাৰী, খৰি আদি সকলোবোৰ যোগাৰ দেখি মই তাক ধন্যবাদ নিদি নোৱাৰিলোঁ।)

আমাৰ গাড়ী ডিব্ৰুগড় পাৰ হৈ চাবুৱাৰ সমীপ পায়গৈ মানে আবেলি ৩-৪ টা মান বাজিল। কিন্তু হঠাতে যাত্ৰীদলৰ শ্ৰীৰজনী শইকীয়াৰ প্ৰস্ৰাৱ জ্বলা-পোৱা আৰু বন্ধ হোৱাৰ কিবা এটা অসুখ হ'ল। গাড়ী ৰখাই ওচৰৰ ডাক্তৰ বা ফাৰ্মাচী আছে নেকি খবৰ কৰাত সেইছোৱাত তেনেকুৱা ব্যৱস্থা নথকাৰ কথা ক'লে। সেয়ে উপায়ন্তৰ হৈ আমাৰ গাড়ী পুনঃ ঘূৰালোঁ ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়লৈ বুলি। চিকিৎসালয় পায়েই জৰুৰীকালীন বিভাগত তেওঁক ভৰ্ত্তি কৰোৱা হ'ল। ডাক্তৰক তীৰ্থযাত্ৰী বুলি কোৱাত তাৰ তৎকালীন চিকিৎসাৰ ব্যৱস্থা কৰে আৰু প্ৰায় ডেৰ ঘণ্টামান পিছত ঔষধপাতি দি হাস্পতালৰ পৰা যাবলৈ দিয়াত আমাৰ গাড়ী পুনঃ ৰাওনা হয়। গধুলি প্ৰায় সাতটামান বজাত আমি তিনিচুকীয়া পাওঁগৈ। তাতেই (ত্ৰিদেৱ নে কি পাহৰিলো) এখন ধৰ্মশালাত আমাৰ ৰাতি থকাৰ ব্যৱস্থা কৰা হ'ল। ভাত-পানী খাই শেতেলী লওঁতে ৰাতি প্ৰায় বাৰটামান বাজিল। শেষনিশা তিনি বজাতেই শেতেলী এৰি প্ৰাতঃকৃত্য সমাপনান্তে আমাৰ যাত্ৰা পুনঃ আৰম্ভ হ'ল। এটা সময়ত কাকপথাৰ পাৰ হৈ অসম-অৰুণাচল প্ৰদেশৰ ইনাৰ লাইন পাৰ্মিট লৈ অৰুণাচল প্ৰদেশৰ লোহিত জিলাৰ সুৰম্য প্ৰাকৃতিক পৰিবেশৰ মাজেৰে আমাৰ গাড়ী আগবাঢ়িল আৰু ঠিক এঘাৰ বজাত আমি পৰশুৰাম কুণ্ড পালোহি।

গাড়ীৰ পৰা নামিয়েই থকা-মেলাৰ ব্যৱস্থাৰ কথা চিন্তা কৰো। পৰশুৰাম কুণ্ডত স্নানৰ বাবে অহা তীৰ্থযাত্ৰীসকলৰ

ৰক্ষণাবেক্ষণ, থকা-মেলা, চিকিৎসা ব্যৱস্থাৰ প্ৰতিটো দিশ জিলা প্ৰশাসনে নিয়াৰিকৈ কৰা দেখিলোঁ। কিন্তু থকা-মেলাৰ বাবে নিৰ্দিষ্ট কেইটামান শিবিৰহে দেখিলোঁ। তাকো যাত্ৰীসকলে দখল কৰি আছে। অগত্যা, উপায়ন্তৰ হৈ মই তাত কৰ্মৰত জিলা প্ৰশাসনৰ এজন বিষয়াৰ ওচৰ চাপোঁ আৰু কওঁ যে আমাৰ যাত্ৰীদলত বুঢ়ী মানুহ কেইবাগৰাকীও আছে। বাটত অসুখ হৈ আহিছে, গতিকে যিকোনো প্ৰকাৰে এটা কোঠা দিব লাগে। প্ৰথমতে উপায়ন্তৰ হোৱা ভাব দেখুৱালেও টানি অনুৰোধ জনোৱাত পূৰ্বতে থিতাপি লোৱা যাত্ৰী দল এটাক কোঠা খালি কৰিবলৈ দি এৰাতিৰ বাবে আমাক কোঠাটো দিলে। বিষয়াগৰাকীক ধন্যবাদ জনাই আমাৰ বস্তু-বাহিনী কোঠাটোত সুমুৱাই দিওঁ। স্বস্তিৰ নিশ্বাস এৰিলো কোঠাটো পাই। ইতিমধ্যে গম পালো আমাৰ লগৰ যাত্ৰীসকল কুণ্ড স্নানৰ বাবে আগতীয়াকৈ গ'ল। সেয়ে ততাতৈয়াকৈ ককাইদেউ আৰু মই কাপোৰ সলাই মাথোন এটা কামিজ আৰু পেণ্টেৰে লগত তিয়নি আদি লৈ কুণ্ড অভিমুখে আগবাঢ়িলোঁ।

পাহাৰৰ ওপৰৰ পৰা কুণ্ডলৈ আগবঢ়া খটখটি পথছোৱা সুন্দৰকৈ পকী কৰা। সমগ্ৰ পথছোৱা দুটা ভাগত ভাগ কৰি মাজত আৰু দুয়োকাষে লোৰ ৰেলিং দিয়া আছে। তাৰে এভাগেদি কুণ্ডলৈ গমন আৰু আনভাগেদি স্নানান্তে প্ৰত্যাগমনৰ ব্যৱস্থা। বিজুলী পোহৰে সমগ্ৰ পথছোৱা পোহৰাই ৰাখিছে। অৰুণাচল প্ৰদেশ প্ৰশাসনৰ ব্যৱস্থাপনা দেখি বৰ সন্তোষ লভিলো। বতৰেও আমাৰ প্ৰতি শুভ-দৃষ্টি প্ৰক্ষেপ কৰিলে। ককাইদেউ আৰু মই শাৰী পাতি ৰৈ থকা যাত্ৰী দলৰ মাজত গৈ শাৰী পাতিলোগৈ। কেইখোজমান (১০ খোজমান হ'ব) আগবাঢ়িছোহে, এজন স্বেচ্ছাসেৱকে লাখুটি এডালেৰে হেঙাৰ দি আমাৰ পথৰুদ্ধ কৰিলে। কাৰণ স্বৰূপে তেওঁৰ পৰা গম পালো যে কুণ্ডলৈকে থকা এই সমগ্ৰ পথছোৱাত এনেকুৱা বহুত হেঙাৰ পাম। তাৰ কাৰণ, কুণ্ড স্নানত যাতে কোনো হুলস্থুলীয়া পৰিবেশ সৃষ্টি নহয় তাৰ বাবেই এনে ব্যৱস্থা। এই ব্যৱস্থাপনাও মই বৰ ভাল পালো আৰু সহাৰি জনাই স্বেচ্ছাসেৱকসকলৰ নিৰ্দেশ পালন কৰি পৰ্বতৰ ওপৰৰ পৰা কুণ্ড পাওঁগৈ মানে প্ৰায় ছয় ঘণ্টা লাগিল। থিয় গৰা আৰু সুউচ্চ গিৰিবৰ। আমি আগবাঢ়িছোঁ। মাজে মাজে একোচাতি সেমেকা বতাহে এনেদৰে কোবাবলৈ ধৰিলে যে পুহ মাহৰ শীতল বতাহচাতিয়ে শৰীৰৰ ভিতৰলৈকে কঁপাই তুলিলে। যি হওক 'কষ্টৰ ফল মিঠা' এই বাক্যষাৰ সুঁৱৰি এটা সময়ত মহাকুণ্ড পালোহি। দেখিলো, কুণ্ডৰ চাৰিওফালে হাজাৰ হাজাৰ যাত্ৰী (স্ত্ৰী-পুৰুষ নিৰ্বিশেষে), সাধু-সন্ন্যাসী। সকলোৰে এটাই উদ্দেশ্য মহাকুণ্ডত মহাস্নান কৰা।

আমিও কাপোৰ সলাই তিয়নি পিন্ধি স্নানৰ বাবে সাজু হওঁ। ভাল লাগিল, বাল্যকাল অৱধি শুনি অহা ভগৱান পৰশুৰামৰ পৰশুৰ চমৎকাৰিত্বত সৃষ্টি হোৱা পৰশুকুণ্ডৰ মহত্ব দেখি। স্নান এৰি অপলক নয়নেৰে কেৱল চাই ৰওঁ কুঠাৰৰ প্ৰহাৰত বিদীৰ্ণ হোৱা শৈলখণ্ডৰ স্তুপ আৰু তাৰ ফাকে ফাকে প্ৰৱাহমান পুণ্যতোৱা নদৰ পুত সলিল ৰাশিৰ কলধ্বনি শুনি। ককাইদেৰে মাত দিয়াত সম্বিৎ ঘূৰাই পাই কুণ্ড পালোগৈ। আজলি ভৰাই সেই পুত সলিল মস্তক স্পৰ্শ কৰাত আৰু লাহে লাহে জলভাগত অৱগাহন কৰোঁ। জলভাগ ভীষণ শীতল। তথাপিও মনৰ আশা পূৰণ হোৱা বাবে শীতল হ'লেও পৰম আনন্দেৰে স্নানকাৰ্য সমাপন কৰি বস্ত্ৰ সলাই তিয়নিখণ্ড লোহিতক অৰ্পণ কৰো ভক্তিসহকাৰে। লগতে ঘৰৰ পৰা দি পঠোৱা নৱবস্ত্ৰও লোহিতক অৰ্পণ কৰি প্ৰণাম জনাই পৰশুৰাম কুণ্ড মহাস্নানৰ সাদৰ সমাপন কৰো। এইখিনিতে উল্লেখ কৰিলোঁ যে অৰুণাচল প্ৰদেশ প্ৰশাসনে কুণ্ডভাগ লোৰ জালেৰে আগুৰি ৰাখিছে যাতে কুণ্ডত স্নান কৰিবলৈ যাওঁতে কোনো তীৰ্থযাত্ৰী কোবাল সোঁতে উটুৱাই নিব নোৱাৰে। স্নান কৰি উঠি কুণ্ডৰ পাৰত ৰৈ পুনঃ লোহিত্যৰ গতি লক্ষ্য কৰিলোঁ। পৰশুৰাম কুণ্ডৰ পৰা প্ৰায় এক ফাৰ্লংমান ওপৰত লোহিতে দক্ষিণমুৱা হৈ গতি কৰি পাক এটা ঘূৰি পশ্চিমমুৱা হৈছে আৰু কোবাল সোঁতেৰে সমতল অঞ্চললৈ গতি কৰিছে। নদীখন পশ্চিমমুৱা হোৱাৰ লগে লগে এটা সুউচ্চ পাহাৰৰ গাৰ পৰা এটা অংশ আগবাঢ়ি নদীখনৰ বুকুলৈ সোমাই আহিছে। সোমাই অহা এই অংশটোত খৰস্ৰোতা পানীভাগে ঠেকা খায় আৰু প্ৰবল গৰ্জন হয়। পৰশুৰামে দেৱাদিদেৱ মহাদেৱৰ আদেশ আৰু পিতৃৰ আজ্ঞা পালি পাহাৰৰ বাঢ়ি অহা শিলাখণ্ড পৰশুৰে বিদীৰ্ণ কৰি পানীভাগ বাধাৰ প্ৰাচীৰ ভাঙি দিয়াত লৌহিত্যৰ জলৰাশি নিৰ্বিঘ্নে সমতললৈ গতি কৰে। প্ৰবাদমতে, পৰশুৰাম কুণ্ডত স্নান-তৰ্পণ কৰিলে সকলো পাপ মোচন হয়। মই নাজানো অজানিতে হ'লেও কিবা পাপ কৰিছো বুলি, তথাপিও কুণ্ডৰ শীতল জলত স্নান কৰি মনতে

পৰম আনন্দ লাভ কৰিলো। স্নানান্তে ওভটনি যাত্ৰাত লৌহিত্যৰ মহিমাকেই মনৰ মাজত পাগুলি পাগুলি আগবাঢ়ো আৰু ভাবো যে লৌহিত্যৰ কি মহিমাঙ্গ উৎসৰ পৰা বিভিন্ন নাম গ্ৰহণ কৰি জগতৰ সমস্ত পাপী-তাপীৰ অন্তৰ শুদ্ধ কৰি তেওঁ সাগৰ-সঙ্গমত গৈ লীন হৈছে। এইখনেই লৌহিত্য মানে ব্ৰহ্মপুত্ৰ নাম গ্ৰহণ কৰি মোৰ ওপজা স্থানখণ্ডকো পবিত্ৰ কৰিছে, যাৰ লগত আমাৰ আজন্ম আপোনভাৱ, যাৰ বুকুত সাঁতুৰি-নাদুৰি আমাৰ ল'ৰালিকাল পাৰ কৰিছোঁ, যাৰ কৃপাধন্য হৈ শস্য-মৎস্যে উৰ্ভৈনদী হৈ আমাক জীয়াই থকাৰ অধিকাৰ আনি দিছে, যাৰ আশীষ লৈ আমি জীৱন বাটত এধাপ এধাপকৈ আগবাঢ়ি আজি প্ৰোঢ়াৱস্থা পাইছোহি, যাৰ দুয়োকূলত কত জাতি-উপজাতিৰ উত্থান-পতন ঘটিছে, কত শত নগৰ, গাঁও, সভ্যতা, সংস্কৃতি, শিল্প-কলাৰ সাক্ষী এই মহাবাহু ব্ৰহ্মপুত্ৰৰ ৰূপ, ৰস, গন্ধ, স্পৰ্শই ঋত যুগৰ পৰা বৰ্ত্তমানলৈকে আগবাঢ়িছে— এইখনেই সেই চাম্পো, লৌহিত্য বা লুহিত, ব্ৰহ্মপুত্ৰ। ভাব হৈছে উৎসমুখ নহ'লেও পৰশুৰাম কুণ্ডৰূপ মহাতীৰ্থ বিনন্দীয়া ৰূপ আৰু ভগবান পৰশুৰামৰ কুণ্ড খননৰূপী মহান কৃতি কথা ভাবি। ভাব-সাগৰত বুৰ গৈ ওভটনি যাত্ৰা কৰি থাকোতেই এটা দৃশ্যই মোক বাৰুকৈ আপ্লুত কৰে। দেখিলো, চাৰিজন তজবজীয়া ডেকাল'ৰাই এখন সাঙিত উঠাই এজনী বুঢ়ী মানুহ কঢ়িয়াই আনিছে আৰু লগে লগে 'এম্বুলেন্স এম্বুলেন্স' বুলি চিঞৰি বাট উলিয়াই দিবলৈ কৈছে। সেয়া হেনো পৰশুৰাম কুণ্ডৰ এম্বুলেন্স। এম্বুলেন্সত আহিলে সকলোৱে বাট এৰি দিয়ে। পাহাৰৰ থিয় গৰাত ধাপে ধাপে দৌৰি এনেদৰে আতুৰ আৰু অসুখীয়া মানুহক সেঁৱা আগবঢ়োৱা দৃশ্যই মোক পুলকিত কৰি তোলে, লগতে ভাব হ'ল আমি যি প্ৰান্তৰেই নহও কিয় এনে পবিত্ৰ স্থানত আৰ্তজনৰ ওচৰত প্ৰভু সদায় আগবাঢ়ি আহে ভক্তৰ সহায়ৰ বাবে সাকাৰ ৰূপত দেখা এম্বুলেন্সধাৰী ল'ৰাহঁতৰ ৰূপ ধৰি। কুণ্ডৰ পৰা উঠি আহোঁতে আৰু এটা দৃশ্য দেখিলোঁ। কুণ্ডৰ পৰা পাহাৰৰ ওপৰলৈকে গোটেই পথছোৱাত অসংখ্য ভিক্ষাৰী, ফকীৰ আদি। যাত্ৰীসকলে পুণ্য সঞ্চয়ৰ বাবে দান-দক্ষিণাৰূপে দিয়া পইচা, চাউল আদি কিছুমান ভিক্ষাৰীয়ে পুনঃ (বিশেষকৈ চাউল) নতুন যাত্ৰীসকলৰ ওচৰত বিক্ৰী কৰে আৰু পুনঃ সেই চাউলকে যাত্ৰীয়ে ভিক্ষাৰীক দান কৰিছে। ভগৱানৰ দৰবাৰতো চলা এনে ব্যৱস্থাই মনটো কিছু পৰিমাণে সেমেকাই তুলিলে। এটা সময়ত প্ৰায় সাত ঘণ্টাৰ পিছত আমি আহি আমাৰ শিবিৰ পালোহি। কিছুসময় জিৰণি লৈ আমাৰ লগত অহা সুপকাৰসকলৰ অন্ন অতি তৃপ্তিৰে গ্ৰহণ কৰি শিবিৰত 'ভগৱান পৰশুৰাম আৰু নিজৰ ইষ্টদেৱতাৰ নাম লৈ' শেতেলিৰ আশ্ৰয় লওঁ। নিদ্ৰাদেৱীয়ে তন্দ্ৰালস নকৰালৈকে আমাৰ সকলো যাত্ৰীয়ে নিজ নিজৰ অভিজ্ঞতা বিনিময় কৰিলে। কথাৰ মাজতে এগৰাকী আইমাতৃয়ে ক'লে জীৱনে হেনো কুণ্ড পালেগৈ ঠিকেই কিন্তু স্নান নকৰিলে। পাছত জীৱনক সোধাত ক'লে, সি হেনো প্ৰতি বছৰে কুণ্ডলৈ আহিয়েই থাকে। ৰাইজে যেতিয়া স্নান কৰিছে স্নানৰ সেই মহাপুণ্য সিও হেনো অৰ্জন কৰিছে। জীৱনৰ দৰ্শন আশ্চৰ্য্যকৰহ'লেও মানুহৰ প্ৰতি থকা ভালপোৱা আৰু ভোলানাথ স্বৰূপ প্ৰকৃতিৰ লগত আমাৰ আগৰে পৰা পৰিচয় থকা হেতুকে প্ৰতিবাদ বা কিবা এটা কোৱাৰ অনুভৱ নকৰিলোঁ যদিও তাৰ নিজস্ব দৰ্শনৰ ভাৱধাৰাই মোৰ অন্তৰত ৰেখাপাত কৰে। কাৰণ যাত্ৰাৰ আৰম্ভণিৰ পৰা প্ৰতিজন যাত্ৰীৰ খা-খবৰ ৰখা বা সুখ-দুখৰ সমভাগী হোৱা আমি স্বচক্ষে দেখি আহিছো। এয়াও মানৱ সেৱাৰে এটা নিদৰ্শনৰূপে মানি ল'লো।

ৰাতিপুৱা অলপ দেৰিলৈকে শেতেলীত থাকো। শেতেলীৰ পৰা উঠি দেখোঁ ককাইদেউ নাই। খা-খবৰ লোৱাত গম পালো সি হেনো অৰ্দ্ধৰাতিয়েই মনেশ্বৰ ককাইদেউৰ লগত লগ হৈ আকৌ কুণ্ডলৈ গৈছে। কাৰণ কুণ্ডৰ পবিত্ৰ জল হেনো আনিবলৈ পাহৰিলে। যাই হওক, আজি মাঘৰ বিহু। শিবিৰত থকা আমি কেইজনমান ওলাই লোহিতৰ ওপৰত বহ্মোৱা পকী দলঙেৰে সিটোপাৰলৈ যাও আৰু তাৰে পৰা ইপাৰৰ কুণ্ডত তেতিয়াও মানুহৰ ভীৰ প্ৰত্যক্ষ কৰো। আমি লাহে লাহে লোহিতৰ পাৰলৈ নামি গ'লো। লোহিতৰ শীতল জলত স্নান কৰি বাবা ব্ৰহ্মপুত্ৰৰ প্ৰতি অঞ্জলি আগবঢ়ালো এইবুলি—

ওঁ ব্ৰহ্মপুত্ৰ মহাভাগ শান্তনো কুলনন্দনঃ

আমোঘা গৰ্ভসম্ভূতং পাপং লোহিত্য মে হৰ।।

লোহিতৰ কোবাল সোঁতে উটুৱাই আনি পাৰত পেলোৱা শুকান কাঠ আদি জমা কৰি অগ্নিপূজা কৰা হ'ল আৰু কোনোবাই কোনোবাই লগত নিয়া পিঠাৰে অগ্নি তৰ্পণ কৰি আমিও গ্ৰহণ কৰি মাঘ বিহু পালন কৰিলোঁ।

শিবিৰ পাই দেখিলোঁ ককাইদেউহঁত আহি পাইছে। সকলোৱে পুৱাৰ আহাৰ গ্ৰহণ কৰি গাড়ীলৈ আগবাঢ়োঁ আৰু ওভটনি যাত্ৰা আৰম্ভ কৰোঁ। সন্ধিয়া শিৱসাগৰ পালোহি। শিৱসাগৰ পুখুৰীৰ পাৰত শিৱদৌলত প্ৰণিপাত জনাই ওচৰতে থকা ল'জত আমাৰ থকাৰ ব্যৱস্থা কৰা হ'ল। নিশাৰ ভাতসাজ খাই আমি শুই পৰিলোঁ। পিছদিনা পুৱা স্নান আদি কৰি শিৱদৌলত বন্তি প্ৰজ্বলন কৰি মহা শিৱৰ প্ৰতি ভক্তি অৰ্পণ কৰা হ'ল। চাহ-জলপান খাই আমি পুনঃ ওভটনি যাত্ৰা আৰম্ভ কৰোঁ। দুপৰীয়া কাজিৰঙাৰ সমীপৰ এটুকুৰা ভাল ঠাই চাই আমাৰ গাড়ী ৰ'ল আৰু সুপকাৰসকল ব্যস্ত হৈ পৰিল ৰন্ধা-বঢ়াত। আমিও কিছুসময় ইফাল-সিফাল কৰাৰ অন্তত অন্নমুঠি গ্ৰহণ কৰি পুনঃ গাড়ীত উঠিলোঁ। গধূলি ন-মান বজাত আমি ঘৰ পালোঁহি। এয়াই আছিল সংক্ষিপ্তকৈ পৰশুৰাম কুণ্ডৰ ভ্ৰমণ বৃত্তান্ত।

পৰশুৰাম তথা পৰশুৰাম কুণ্ডৰ বিষয়ে আমি বহুত শুনি আহিছোঁ। একেষাৰে ক'বলৈ হ'লে ব্ৰহ্মপুত্ৰ নাম উচ্চাৰণ কৰিলেই ভগৱান পৰশুৰামৰ কাহিনী আহি পৰে। 'ঋকবেদ'ৰ পৰা আৰম্ভ কৰি 'কালিকাপুৰাণ'লৈকে এই কাহিনী বিস্তৰ ৰূপত ব্যাখ্যা কৰি আহিছে। কিছু জ্ঞাত, কিছু অজ্ঞাত— সেই কাহিনীসমূহে আমাৰ মন আশ্চৰ্যৰে যেনেদৰে ভৰাই তুলিছিল গতি প্ৰবাহ প্ৰত্যক্ষ কৰি ধন্য মনাই নহয়, যুগ-যুগান্তৰলৈ খ্যাতি অৰ্জন কৰা পৰশুৰামৰ অৱদানৰ বাবে সেইজন ভগৱানৰ শ্ৰীচৰণত প্ৰণিপাত নজনোৱাকৈ কোনে থাকিব পাৰে।

ব্ৰহ্মপুত্ৰ মহানদৰ জন্ম বৃত্তান্ত আৰু পৰশুৰামৰ দ্বাৰা মহানদখনৰ গতিপ্ৰবাহ ঘটোৱা কাহিনী সংক্ষিপ্তকৈ আলোচনা নকৰিলে পাঠছোৱা আধৰুৱা হোৱাৰ অনুভৱ কৰি ইয়াৰ এটি চমু আলোচনা আগবঢ়োৱা হ'ল। 'কালিকাপুৰাণ'ৰ দ্বশীতিতম আৰু ত্ৰ্যশীতিতম অধ্যায়ত এই কাহিনী লিপিবদ্ধ হৈছে। যথা, প্ৰধান বৰ্ষ হৰিবৰ্ষত শান্তনু নামে এজন জ্ঞানবান, তপোনিষ্ঠ মহাভাগে সপত্নী আমোঘাৰ সৈতে কেতিয়াবা সীমাপৰ্বত কৈলাসত, কেতিয়াবা লোহিত সৰোবৰৰ পাৰত আকৌ কেতিয়াবা গন্ধমাদন পৰ্বতত বাস কৰিছিল। এদিন মহামুনি শান্তনুৱে বনৰ মাজত ফুল-ফল সংগ্ৰহ কৰিবলৈ গৈছিল। সেই সময়তে পিতামহ ব্ৰহ্মাই আমোঘা দেৱীৰ ওচৰলৈ আহিল আৰু দেৱীৰ ৰূপত মোহিত হৈ তেওঁৰ মদন বিকাৰ আৰম্ভ হ'ল। ব্ৰহ্মা উদ্‌গতেন্দ্ৰিয় হৈ আমোঘাক ধৰিবলৈ দৌৰ মাৰিলে। দেৱীয়ে নিজৰ সতীত্ব ৰক্ষা কৰি পৰ্ণশালাত সোমাই দুৱাৰ বন্ধ কৰি ব্ৰহ্মাক ভৰ্ৎসনা কৰে আৰু তেওঁক বলাৎকাৰ কৰিলে অভিশাপ দিয়াৰ ভয় দেখুৱায়। ব্ৰহ্মাই কোনো জুলুম কৰিব নোৱাৰিলে যদিও আশ্ৰমতে তেওঁৰ ৰেতস্খলন হোৱাত লাজ পাই হংসযানত উঠি নিজৰ আশ্ৰমলৈ গুচি যায়। শান্তনু মুনিয়ে ফুল-ফল সংগ্ৰহ কৰি আশ্ৰম পাই চাৰিওফালে হাঁহৰ পদচিহ্ন আৰু মাটিত অগ্নিতুল্য ব্ৰহ্মবীৰ্য পৰি থকা দেখিলে। আমোঘাক মাত দিয়াত পৰ্ণশালাৰ পৰা তেওঁ ক'লে যে কোনোবা এজন কমণ্ডলুধাৰী চতুৰ্মুখে হংসযানত উঠি আশ্ৰমলৈ আহি তেওঁক সম্ভোগৰ প্ৰাৰ্থনা কৰে। কিন্তু মহাপাপৰ ভয় দেখুওৱাত ভয়ত স্খলিত বীৰ্য হৈ তাৰপৰা পলায়ন কৰে। আমোঘাই ঋষিক ক'লে যে আজিলৈকে তেওঁক কোনেও বলাৎকাৰ কৰিবলৈ সক্ষম হোৱা নাই; সেয়ে মুণিক ইয়াৰ এটা প্ৰতিকাৰ কৰিবলৈ প্ৰাৰ্থনা জনায়। শান্তনু মুণি আছিল সৰ্বজ্ঞানী আৰু ত্ৰিকালজ্ঞ পুৰুষ। তেওঁ দিব্যজ্ঞানৰ দ্বাৰা সকলো গম পালে আৰু জগতৰ হিতৰ বাবে লগতে দেৱকাৰ্য সিদ্ধিৰ অৰ্থে তেওঁৰ অনুমতিসাপেক্ষে সেই ব্ৰহ্মতেজ আমোঘাক পান কৰিব দিলে। কিন্তু আমোঘাই আনৰ তেজ ধাৰণ কৰিবলৈ অপাৰগতা প্ৰকাশ কৰি ঋষি স্বামীক প্ৰথমে সেই তেজ পান কৰি পিছত পত্নীলৈ নিষেক কৰাৰ পৰামৰ্শ দিয়ে। ঋষিয়েও কথাষাৰৰ যুক্তিযুক্ততা মানি লৈ ব্ৰহ্মতেজ প্ৰথমে নিজে পান কৰি নিজ ভাৰ্যাত নিষেক কৰে। আমোঘা লাহে লাহে মাতৃত্বৰ পথলৈ গতি কৰে আৰু নিৰ্দিষ্ট সময়ত তেওঁৰ পৰা জলৰাশি উৎপন্ন হয়। ভূমিষ্ঠ জলৰাশিৰ অতি অলৌকিক ৰূপ আছিল। 'কালিকা পুৰাণ'ত সেই ৰূপৰ বৰ্ণনা দিছে, যথা—

তস্যাঃ কালে তু সম্প্ৰাপ্তে নাসাতো জলসঞ্চঃ।
তন্মধ্যে তনয়শ্চাপি নীলবাসাঃ কিৰীটধৃক্।
ৰত্নমালাসমাযুক্তো ৰত্নগৌৰশ্চ ব্ৰহ্মবৎ।।
চতুৰ্ভুজঃ পদ্মবিদ্যাধ্বজ শক্তিধৰস্তথা।
শিশুমাৰ শিৰস্থশ্চ তুল্যকায়ো জলোৎকৰৈঃ।।

(সময়ত তেওঁৰ পৰা জলৰাশি উৎপন্ন হ'ল। তাৰ ভিতৰত ৰত্নমালা বিভূষিত নীলাম্বৰ পৰিহিত কিৰীটধাৰী শিশুমাৰ শিৰত উঠি থকা ব্ৰহ্মাৰ দৰে আৰক্ত গৌৰবৰ্ণ চতুৰ্ভুজ

পৰবিদ্যাধ্বজ শক্তিধাৰী এটি পুত্ৰ আৰু সেই জলৰাশি দুয়োটাই তেওঁৰ দেহ।)

লোকহিতাৰ্থে ক্ষণজন্মা ব্ৰহ্মাপুত্ৰক শান্তনু মুনিয়ে চাৰিখন পৰ্বতৰ মাজত ৰাখিলে। যথা—

কৈলাসশ্চোত্তৰ পাৰ্শ্বে দক্ষিণে গন্ধমাদনঃ
জাৰুধিঃ পশ্চিমে শৈলঃপূৰ্বে সংবৰ্ত্তকাদয়ঃ।।

(উত্তৰফালত কৈলাস, দক্ষিণত গন্ধমাদন, পশ্চিমত জাৰুধি পৰ্বত আৰু পুৱত সম্বৰ্তকাছি পৰ্বতশাৰী।)

ব্ৰহ্মাপুত্ৰই এই পৰ্বতৰাশিৰ মাজত কুণ্ডৰূপে শুক্লপক্ষৰ জোনৰ দৰে শোভাবৰ্দ্ধন কৰি কলা কলাকৈ বাঢ়িবলৈ ধৰিলে। পিতৃদেৱ ব্ৰহ্মাই সেই জলৰাশিৰ মাজত থকা নিজ পুত্ৰৰ ওচৰলৈ আহি তেওঁৰ শৰীৰ শুদ্ধিৰ যথাক্ৰমে সকলো সংস্কাৰ কৰিলে।

ইতিমধ্যে জমদগ্নিৰ পুত্ৰ পৰশুৰামে মাতৃবধ স্বৰূপ ঘোৰতৰ অপৰাধৰ পৰা মুক্তি পাবৰ বাবে পিতৃৰ উপদেশত ব্ৰহ্মপুত্ৰৰ মহাকুণ্ডত স্নান কৰিবলৈ আহে। স্নানান্তে তেওঁৰ আজন্ম সহচৰ পৰশুৰ (কুঠাৰ) সহায়েৰে বাট উলিয়াই ব্ৰহ্মপুত্ৰক পৃথিৱীলৈ নমাই আনিলে। পৰশুৰামৰ দ্বাৰা মাতৃবধ কিয় সংঘটিত হ'বলৈ পালে তাৰো কাহিনী আছে। পৰশুৰামৰ মাতৃ ৰেণুকা ৰাজকন্যা আছিল। জনদগ্নিৰ তপ আৰু জ্ঞানত মুগ্ধ হৈ তেওঁ ঋষিক নিজৰ পতিৰূপে বৰণ কৰে। কালক্ৰমত জমদগ্নিৰ পৰা ৰেণুকাই পাঁচ পুত্ৰৰ জন্ম দিয়ে। তেওঁলোক যথাক্ৰমে ৰুমম্বান, সুষেন, বসু, বিশ্বাবসু আৰু পৰশুৰাম। এই পাঁচপুত্ৰৰ ভিতৰত পৰশুৰাম দেখনিয়াৰ, শক্তিশালী, প্ৰত্যুৎপন্নমতি, অগাধ জ্ঞানৰ ভাণ্ডাৰস্বৰূপ হোৱা বাবে তেওঁ সকলোৰে অতি আদৰৰ আছিল। পৰশু তেওঁৰ লগত জন্মতে আহে। কালিকা পুৰাণত পৰশুৰামৰ আজন্ম সহচৰ পৰশু সম্বন্ধে এনেদৰে বৰ্ণনা কৰিছে, যথা—

ভাৰাবতৰনাৰ্থয় জাতঃ পৰশুনা সহ।
সহজং পৰশুং তস্য ন জহাতি কদাচন।।

(পৃথিৱীৰ ভাৰ সংহৰণৰ বাবে তেওঁ পৰশুৰ সৈতে জন্ম ল'লে; সেই সহজ পৰশুই তেওঁক কেতিয়াও এৰা নাই।)

এদিন ৰেণুকাই গঙ্গাত গা ধুবলৈ গৈ (কিছুমান পুৰাণৰ মতে নৰ্মদা বুলি উল্লেখ আছে। ইয়াৰ কাৰণ হ'ল পুণ্যভূমি ভাৰতবৰ্ষৰ সকলোবোৰ নদীকেই গঙ্গা সমতুল্য বুলি ভবা হয়) গন্ধৰ্বৰাজ চিত্ৰৰথে তেওঁৰ সহস্ৰ ৰমণী আৰু প্ৰিয়তমাৰ সৈতে নদীৰ বুকুত জলক্ৰীড়া কৰি থকা দেখা পাই ৰেণুকা অত্যন্ত কামাৰ্তা হৈ সেই সুন্দৰ ৰজাৰ প্ৰতি মনোভিলাস কৰিলে। জমদগ্নিয়ে ৰেণুকাৰ মনোবিকাৰ জানি ক্ৰোধান্বিত হয় আৰু প্ৰথম চাৰিজন পুত্ৰক আজ্ঞা দিয়ে তৎমুহূৰ্ততে মাকক বধ কৰিবলৈ। কিন্তু চাৰিপুত্ৰই তেনে কাৰ্য কৰিবলৈ হোঁহকা-পিছলা কৰাত জমদগ্নিয়ে তেওঁলোকক জড় ভাবাপন্ন হৈ গৰুৰ দৰে জীৱন ধাৰণ কৰিবলৈ ব্ৰহ্মশাপ দিয়ে। শেষত পৰশুৰামে পিতৃ আজ্ঞা পালন কৰি পৰশুৰে মাকৰ শিৰশ্ছেদ কৰে। জমদগ্নি সন্তুষ্ট হৈ পুতেক পৰশুৰামক বাঞ্ছিত বৰ ল'বলৈ ক'লে। পৰশুৰামে প্ৰথমে মাতৃৰ পুনৰ জীৱন প্ৰাৰ্থনা কৰিলে আৰু মাকক বধ কৰাৰ কথা যাতে মাকে পাহৰি যায় সেই বৰ ল'লে। তাৰ পিছত ভাতৃসকলৰ শাপ মোচন, মাতৃহত্যাৰ পাপ নাশ, সকলোতে যুদ্ধ জয় আৰু কল্পান্তপৰ্যন্ত আয়ুঃপ্ৰাপ্তিৰ বৰ গ্ৰহণ কৰে। ঋষিয়ে মাতৃহত্যাৰ পাপ মোচনৰ বাবে ব্ৰহ্মকুণ্ডৰ পানীত স্নান কৰিবলৈ উপদেশ দিয়ে। পিতৃ নিৰ্দেশত পৰশুৰামে পূণ্যজলৰ ব্ৰহ্মকুণ্ডলৈ গৈ বিধিমতে স্নান কৰাত মাতৃহত্যা পাপ ওলাই যোৱা দেখিলে। পৰশুৰামে সেই পৰমতীৰ্থত বিশ্বাস জন্মাত, জগতৰ হিতৰ কাৰণে কুঠাৰেৰে বাট উলিয়াই ব্ৰহ্মপুত্ৰ নদ প্ৰবাহিত কৰালে। এই জলৰাশি ব্ৰহ্মকুণ্ডৰ পৰা ওলাই কৈলাস পৰ্বতৰ উপত্যকাৰ লোহিত সৰোবৰত পৰিল। কিন্তু মাজবাটত বাধাপ্ৰাপ্ত হোৱাত কুঠাৰৰ আঘাতত বাট উলিয়াই ব্ৰহ্মপুত্ৰ নদক পূবফালে বোৱালে। তাৰ পিছত জামদগ্নই হেমশৃঙ্গ গিৰি ভেদ কৰি কামৰূপ পীঠৰ মাজেদি এই নদক প্ৰবাহিত কৰালে। আকৌ, ব্ৰহ্মপুত্ৰৰ নাম লোহিত, অপৰ নাম লৌহিত্য হোৱা সম্বন্ধেও কালিকা পুৰাণত বৰ্ণনা কৰিছে। যথা—

তস্যনাম স্বয়ঞ্চক্ৰে বিধিৰ্লোহিত্য গঙ্গকম্।
লোহিত্যাৎ সৰসো জাতো লোহিতাখ্যান্ততোহভৱৎ।।

(ব্ৰহ্মাই নিজে তাৰ নাম ৰাখিলে লোহিত। লোহিত সৰোবৰৰ পৰা ওলোৱা বাবে আৰু এটা নাম লৌহিত্য।)

যি মহাতীৰ্থ ব্ৰহ্মাকুণ্ডত স্নান কৰি পৰশুৰামে মাতৃহত্যাৰ দৰে মহাপাপৰ পৰা পৰিত্ৰাণ পালে, সেই পৰমতীৰ্থ পৰৱৰ্তীকালত অক্ষয় অব্যয় হৈ চাৰিও যুগে জগতৰ সমস্ত প্ৰাণীৰ কল্যাণকাৰক নদৰূপে প্ৰবাহিত হৈ আছে।

'কালিকা পুৰাণ'ত বাদেও আন কেইখনমান পুৰাণত এই বৰ্ণনা পোৱা গৈছে; কিন্তু সেইসমূহ সমাৰ্থক বৰ্ণনাৰেই পুনৰাবৃত্তি। এই কাহিনীভাগ আকৌ পৰৱৰ্তীকালত বহু পণ্ডিতে নতুন দৃষ্টিকোণৰ পৰা বিচাৰ কৰি চোৱা দেখা গৈছে। তেওঁএলাকৰ ভিতৰত ড° বিশ্বম্ভৰ নাথ উপাধ্যায় মহোদয়ৰ 'বিশ্ববাহু পৰশুৰাম' গ্ৰন্থৰ উল্লেখ যথাৰ্থ বুলি আমাৰ অনুমান হয়। তেওঁ মূলৰ লগত সংগতি ৰক্ষা কৰি নতুন দৃষ্টিকোণৰ পৰা পৰশুৰামৰ মাতৃহত্যা, ব্ৰহ্মকুণ্ডত স্নান আৰু ব্ৰহ্মপুত্ৰ নদ বোৱাই অনাৰ উপৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ এটা সামগ্ৰিক ধাৰণা ব্যক্ত কৰিছে। এই সুযোগতে উপাধ্যায় মহোদয়ৰ পাঠৰ আঁত ধৰি নব্য দৃষ্টিকোণৰ পৰা কাহিনীভাগৰ থুলমূল আভাষ এটা পুনঃ আলোচনা কৰা হ'ল।

ৰেণুকা মাতৃয়ে ঋষি আশ্ৰমৰ সমস্ত দায়-দায়িত্ব পালন কৰি ৰাজসিক সত্বাৰ কথা পাহৰি গৈছিল। কিন্তু এদিন নৰ্মদা নদীত গা ধুবলৈ গৈ তেওঁ চিত্ৰৰথৰ দ্বাৰা পত্নীবৰ্গৰ সৈতে সামূহিক জলক্ৰীড়া প্ৰত্যক্ষ কৰে আৰু তেওঁৰ চিত্ত বিকৃতি ঘটে। জলক্ৰীড়াৰ সামূহিক দৃশ্যই তেওঁক কামাৰ্তা কৰি তোলে। কিছুসময়ৰ পিছত তেওঁ মনৰ স্থিৰতা আনিবলৈ জমদগ্নিৰ মোমায়েক ঋষি বিশ্বামিত্ৰৰ দ্বাৰা ৰচিত গায়ত্ৰী মন্ত্ৰ জপ কৰিবলৈ ধৰে—

ওম্ ভূৰ্ভুবঃ স্বঃ তৎসবিতুৰ্বৰেণ্যং ভৰ্গো।
দেৱস্য ধীমহি ধিয়ো য়ো নঃ প্ৰচোদয়াৎ।।

(প্ৰাণস্বৰূপ, দুখনাশক, সুখস্বৰূপ, শ্ৰেষ্ঠ, তেজস্বী, পাপনাশক, দেৱস্বৰূপ পৰমাত্মাক আমি অন্তৰাত্মাত ধাৰণ কৰোঁ। সেই পৰমাত্মাই আমাৰ বুদ্ধিক সন্মাৰ্গত প্ৰেৰিত কৰক।)

গায়ত্ৰীৰ প্ৰভাৱততেওঁৰ মন স্থিৰ হ'ল যদিও জমদগ্নিয়ে সকলো গম পালে আৰু ৰেণুকাৰ চিত্ত স্খলনৰ বাবে কোপান্বিত হৈ তেওঁ প্ৰথম চাৰিপুত্ৰক আদেশ দিলে, 'এই পাপিনীক হত্যা কৰা, কাৰণ তাই আৰ্য মৰ্যাদা খণ্ডন কৰিছে, তেওঁ পথভ্ৰষ্ট হৈছে আৰু সেই কাৰণে তাই দণ্ড পাবৰ যোগ্য।' কিন্তু চাৰিপুত্ৰই বাপেকৰ আদেশ পালন নকৰাত তেওঁ সিহঁতক জড় হৈ থাকিবলৈ ব্ৰহ্মশাপ দিয়ে। সেই সময়ত পৰশুৰাম শস্ত্ৰগুৰু ঋষি চায়মানৰ ওচৰত অস্ত্ৰ-শস্ত্ৰৰ শিক্ষাগ্ৰহণ কৰি আছিল। আশ্ৰমবাসীৰ কোলাহলত সমূহ ঘটনা জ্ঞাত হোৱাত শস্ত্ৰগুৰুৰ সৈতে তেওঁ তৎমুহূৰ্ততে ঘটনাস্থলত উপস্থিত হয়। আগৰ পুত্ৰসকলৰ দৰে ৰামকো জমদগ্নিয়ে মাতৃক হত্যা কৰিবলৈ আদেশ দিলে। পৰশুৰামেও কাল বিলম্ব নকৰি পৰশু উঠাই মাকৰ কণ্ঠৰ পিছফালে প্ৰহাৰ কৰিলে। সেই মুহূৰ্ততে তেওঁৰ শস্ত্ৰগুৰু চায়মানে মাতৃৰ কটা ঠাইখণ্ডত নিজৰ উত্তৰীয়খন ফালি তেজ বৰ নোৱৰাকৈ বান্ধি দিলে। পৰশুৰামে কুঠাৰত লাগি থকা তেজ নমচাকৈ আৰু কিবা আজ্ঞা আছে নেকি সুধিলে। ঋষি পিতৃ পুতেকৰ কাৰ্যত সন্তুষ্ট হৈ বৰ মাগিবলৈ ক'লে। পৰশুৰামে মাকৰ পুনৰ্জীৱন আৰু আগৰ ঘটনা পাহৰি যাবলৈ বৰ মাগিলে। পুনঃ ভাতৃসকল পূৰ্ববৎ হোৱাৰ বৰ ল'লে আৰু যুদ্ধত সদাবিজয়ী হোৱাৰ বৰ গ্ৰহণ কৰিলে। এই ঘটনাৰ পিছৰ পৰা তেওঁ ৰাম গুচি 'পৰশুৰাম' নামেৰে খ্যাত হৈ পৰিল।

পৰশুৰামৰ দ্বাৰা মাতৃ-হত্যা ঘটনাৰ আঁৰত এটা ডাঙৰ চতুৰতা আছিল। ৰামে জানিছিল, তেওঁ কেতিয়াও মাকক বধ কৰিব নোৱাৰে। সেয়ে তেওঁ ভৃগু পৰমাৰ আশ্ৰয় গ্ৰহণ কৰে। কাৰণ ভৃগু পৰম্পৰাতেই সৰ্বপ্ৰথম অথৰ্ববেদৰ যাদুবিদ্যা আৰু তান্ত্ৰিক সাধনাক নিজায়ত্বনৰ মাজত গ্ৰহণ কৰিছিল। এই পৰম্পৰাৰ উশনা বা শুক্ৰাচাৰ্য, ওৰ্ব, ঋচীক আদি মহান ভৃগুসকলে যজ্ঞক্ৰিয়াৰ অতিৰিক্ত অষ্টসিদ্ধি আৰু অভিচাৰ বিদ্যাৰো অভ্যাস নিয়মিতৰূপে কৰিছিল। পৰশুৰামকো গুৰু চায়মানে তেওঁৰ একান্ত অনিচ্ছাসত্ত্বেও অথৰ্ববেদী তন্ত্ৰ সাধনাৰ অভ্যাসৰ দ্বাৰা যাদু শক্তি আৰু সিদ্ধি লাভৰ বিদ্যা শিকাইছিল। পৰশুৰামে জানিছিল, বাপেকে তেওঁক ভুলভাৱে আজ্ঞা দিছে, কিন্তু সেই আজ্ঞা পালন কৰিলে পিতৃৰ পুৰুষ অহংকাৰ সন্তুষ্ট হ'ব। তেওঁ জানিছিল যে মাক ৰেণুকা সম্পূৰ্ণ নিৰ্দোষী আৰু কোনো নাৰীয়ে যদি পুৰুষে বনোৱা মৰ্যাদা লঙ্ঘণ কৰেও তেওঁ ক্ষম হ'ব, কাৰণ তেওঁ মাতৃ জাতি। নাৰী সদায় ক্ষমা, অৱধ্য আৰু অদণ্ডনীয় হয়। গতিকে পৰশুৰামৰ দ্বাৰা মাতৃৰ ডিঙিৰ পিছফালে কুঠাৰেৰে প্ৰহাৰ কৰাৰ কাৰ্যটো আছিল গুৰুৰ দ্বাৰা শিকোৱা প্ৰদৰ্শন প্ৰহাৰহে, বাস্তৱিক নাছিল। এই প্ৰহাৰ কলাৰ ৰহস্য হ'ল অতি ক্ষিপ্ৰ গতিৰে কুঠাৰখন মাৰি হঠাতে হাতখন বৈ যাবলৈ দিয়ে। যাৰ ফলত কুঠাৰখনে মাথোন ডিঙিত অলপমানহে সোমায় যায়। হাড় যাতে কটা নাযায় তাৰ বাবেই এই ব্যৱস্থা। সেয়ে ঋষি চায়মানে পৰশুৰামৰ কাণৰ কাষত ফুচফুচাই কয় প্ৰদৰ্শন প্ৰহাৰ কৰা যাৰ ফলত পিতৃও সন্তুষ্ট হ'ব আৰু মাতৃদেৱীও সুৰক্ষিত হৈ থাকিব,

লগে লগে পৰশুৰামে জমদগ্নিৰ ক্ৰোধ আৰু অযুক্তিকৰ আদেশৰ পৰা হ'ব পৰা অনৰ্থৰ পৰা মুক্ত হ'ল। মাকক প্ৰদৰ্শন প্ৰহাৰৰ দ্বাৰা বাপেকৰ অযুক্ত আদেশ পালন হওঁক এই চিন্তাও তেওঁ মনত ৰাখে। কাৰণ পুত্ৰৰ গাত পিতৃৰেই বীজ থাকে, কিন্তু সন্তান মাতৃগৰ্ভৰ পৰাই কলা কলাকৈ বাঢ়ি আহে। সেয়ে মাতৃৰ মহত্ব পিতৃতকৈ অধিক। সেয়ে পৰশুৰামে বিৰাট চাতুৰ্যৰ দ্বাৰা পিতৃ-মাতৃ উভয়কে ৰক্ষা কৰিলে। এয়াই মূলতঃ পৰশুৰামৰ দ্বাৰা মাতৃহত্যাৰ নামত থকা চমৎকাৰী কাহিনী।

পৰশুৰামৰ দ্বাৰা ব্ৰহ্মকুণ্ড স্নানৰ বাবে আগমনৰ লগত বিধাতাৰ দ্বৈত অৰ্থ সিদ্ধিযুক্ত হোৱাৰ ব্যৱস্থা জড়িত হৈ আছে। পূৰ্ব বৈদিককালত নৰ্মদা তীৰত হৈহয় ৰাজ সহস্ৰবাহু কাৰ্তবীৰ্য অৰ্জুনৰ শক্তি সৰ্বাধিক আছিল যদিও তেওঁ সেই শক্তিক প্ৰজা আৰু ৰাজ্যৰ কল্যানৰ হকে প্ৰয়োগ নকৰি নিজৰ অসৎ উদ্দেশ্য সাধনতহে ব্যৱহাৰ কৰিছিল। ৰাজ্যত সততে হত্যা, লুণ্ঠন আৰু কামনা চৰিতাৰ্থৰ বাবে ৰাজ্যৰ সুন্দৰী কিশোৰী, যুৱতীৰ শ্লীলতা হানি কৰি হত্যা কৰিছিল। এই অত্যাচাৰৰ সীমা নিজ ৰাজ্যৰ উপৰি অপৰ ৰাজ্যলৈও প্ৰসাৰিত হয়। সপ্তসিন্ধুত বাস কৰা ঋষি-মুণিসকলৰ আশ্ৰমো বাচি নগ'ল। এনেকি হৈহয় ৰাজবংশৰ কুলপুৰুহিত জমদগ্নি ঋষিকো আততায়ীৰ দ্বাৰা হত্যা কৰে। সেয়ে সকলো ঋষি-মুণি, ৰজা, প্ৰজা লগ হৈ এই অত্যাচাৰৰ উপশমৰ বাবে জামদগ্ন পৰশুৰামৰ ওপৰতে নিৰ্ভৰশীল হয়। আকৌ পুৰাণত থকা 'তিনি সাত বাৰ' (একৈশবাৰ) পৃথিৱী নিঃক্ষত্ৰিয় কৰাৰ গুৰি কথাও সুকীয়া।)

জমদগ্নি হত্যাত মাতৃ ৰেণুকাই পৰশুৰামৰ সন্মুখত শোকবিহ্বল হৈ নিজৰ হৃদয়ত একৈশবাৰ কৰাঘাত কৰিছিল। তেতিয়াই পৰশুৰামে সমস্ত দেৱতা, আচাৰ্য, অগ্ৰজসকল, মাতৃ, কামধেনু, তেওঁৰ একান্ত সহযোগী বান্ধৱীসকল, সূৰ্য, সৱিতা, আকাশ, পৃথিৱী, বৃক্ষ, তৃণ, লতা, বায়ু, জল, পঞ্চতত্ব, যজ্ঞদেৱ, সমস্ত ঋষি-মুণিগণ, তপস্বী তথা পিতৃগণক সাক্ষী কৰি প্ৰতিজ্ঞা কৰিলে যে তেওঁৰ পিতৃ আৰু শস্ত্ৰগুৰু চায়মানৰ হত্যাকাৰী হৈহয় ৰাজবংশ উচ্ছেদ কৰিব আৰু যিসকলে হৈহয় ৰাজৰ ফলীয়া হ'ব তেওঁলোকো বধ্য হ'ব; লগতে পৃথিৱীৰ সমস্ত আততায়ী তেওঁৰ চিকাৰ হ'ব। পাপী ক্ষত্ৰিয়সকলক হত্যা বা শাসন কৰি এই ধৰিত্ৰীৰ সুৰক্ষাৰ বাবে একৈশবাৰ পৃথিৱী নিঃক্ষত্ৰিয় কৰিব।

কিন্তু হৈহয়ৰাজ কাৰ্তবীৰ্য অৰ্জুন চক্ৰবৰ্তী ৰজা। সেয়ে হৈহয়ৰ বৃহৎ শক্তিৰ মুখামুখি হ'বলৈ প্ৰথমে ৰামে নিজৰ শক্তি সঞ্চয় কৰিব লাগিব। সেয়ে ধৰ্মসভাত সকলো ঋষি-মুণি, বিজ্ঞজনৰ মতাদৰ্শ লৈ বয়োজ্যেষ্ঠ ঋষি ঋচীক অথৰ্ববেদীয়ে পৰশুৰামক সমস্ত আৰ্যাৱৰ্তৰ উত্তৰ পূৰ্বাঞ্চলকে ধৰি কৈলাস মানস সৰোবৰৰ পৰা (কিৰাত বংশীয় ৰাজ্য) দেৱলোকৰ শেষপ্ৰান্ত কেতুমালবৰ্ষলৈকে (বংক্ষুপ্ৰদেশ) পৰিভ্ৰমণ কৰি সকলো ৰজা, গণনায়কক লগ ধৰি সৈন্যসংখ্যা, আচবাব, অস্ত্ৰ-শস্ত্ৰ, ঘোঁৰা, হাতী, শকট আদি সংগ্ৰহ কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। পৰশুৰামৰ দিগ্বিজয়ৰ সবিস্তাৰ বৰ্ণনা পৰিহাৰ কৰি মাথোন উত্তৰ-পূৰ্বাঞ্চল তথা নগধিৰাজ হিমালয়ৰ পূৰ্বভাগ পৰিভ্ৰমণ, ব্ৰহ্মকুণ্ড স্নান-তৰ্পণ আৰু ব্ৰহ্মপুত্ৰক কুণ্ডজলৰ পৰা মুক্তি দি দেৱভূমিৰ পৰা মৰ্ত্যলৈ অৱতৰণ কৰা কাহিনীৰ সংক্ষেপ বৰ্ণনা দিয়াৰ চেষ্টা কৰা হ'ল।

পৰশুৰামে দিগ্বিজয় যাত্ৰা আৰম্ভ কৰে শৰৎ ঋতুৰ পূৰ্ণিমা ৰাতিৰ তৃতীয় প্ৰহৰত। সহচৰসকলৰে সৈতে তেওঁ অৱন্তী আশ্ৰম, কাশীক্ষেত্ৰ, অঙ্গ-বঙ্গ হৈ অসমত প্ৰৱেশ কৰে। সেই সময়ত উত্তৰ-পূৰ্বাঞ্চলত আদিবাসী লোকসকলে বাস কৰিছিল। অঞ্চলছোৱাত কোনো বৃহৎ নদী নাছিল। পৰশুৰামে মাথোন কেইজনমান বিশ্বস্ত সহচৰ লগত লৈ অসমৰ মাজেদি গৈ তিব্বত অঞ্চলৰ কৈলাস পৰ্বতৰ কাষত মানস সৰোবৰৰ পাৰত দেৱাদিদেৱ মহাদেৱৰ ধ্যানত মগ্ন হয়। ঠাইখণ্ড অতি মনোৰম আছিল। যিফালেই দৃষ্টি যায় কেৱল তুষাৰমণ্ডিত পৰ্বতৰ মনোমোহা শোভা দেখি তেওঁ আপ্লুত হয়। কৈলাস শৃংগ আন আন শৃংগতকৈ ওখ আৰু আকৃতিত লিংগাকাৰহোৱা বাবে ৰুদ্ৰচিহ্ন প্ৰতীতি হয়। সেয়ে, পৰশুৰামে লিংগৰূপী শিৱক পূজা আৰু পৰ্বতটো প্ৰদক্ষিণ কৰে। তেওঁ এই শৃংগক সৰ্বতিকালৰ বাবে 'কৈলাস মহাদেৱ' ৰূপে স্বীকৃতি দিয়ে। পৰশুৰামে দেৱাদিদেৱৰ এই স্থানতেই ৰুদ্ৰদেৱক আহ্বান কৰি তপস্যা কৰে। ঋগ্বেদৰ অষ্টম অধ্যায়ত ১১৪ নং সুক্তত কোৱা হৈছে—

"হে মহান ৰুদ্ৰ তুমি মহান জটাধাৰী আৰু বীৰসকলৰ বিনাশস্থান তুমিয়েই। মোৰ নমনীয় স্তুতি তোমালৈ অৰ্পণ কৰিছো। হে ৰুদ্ৰ, তুমি সুখী হোৱা আৰু মোকো সুখী কৰা। তুমি বীৰসকলৰ বিনাশকৰ্তা। মই তোমাৰ প্ৰতি নমস্কাৰ জনাই তোমাৰ পৰিচৰ্যা কৰিছোঁ। পিতা মনুৱে যি ৰোগৰ পৰা উপশম

হৈছিল, যি ভয়ৰ পৰা মুক্তি পাইছিল, হে ৰুদ্ৰদেৱ, তোমাৰ উপদেশৰ পৰা ময়ো তাকেই পাইছো... হে অভিষ্টদাতা ৰুদ্ৰ তুমি ঐশ্বৰ্যশালী মৰুৎসকলৰ লগত যুক্ত হৈ আছা... মই প্ৰজাহিতৰ কাৰণে তোমাক আহুতি দিম... হে ৰুদ্ৰ, মই ৰক্ষাহেতু দীপ্তিমান যজ্ঞসাধক, কুটিল গতি আৰু মেধাবী ৰুদ্ৰদেৱক আহ্বান কৰিছোঁ... তুমি তেওঁলোকৰ ক্ৰোধ দূৰ কৰা। মই তোমাৰ পৰা তেওঁলোকৰ অনুগ্ৰহ বিচাৰোঁ... মই সৌন্দৰ্যশালী, দৃঢ়াংগ, অৰুণবৰ্ণ, কীৰ্ত্তিমান আৰু উজ্জ্বল ৰূপধাৰী ৰুদ্ৰদেৱক প্ৰণাম জনাইছো... মই ভৱদীয় স্তোত্ৰ তোমালৈ অৰ্পিত কৰিছোঁ, হে মৰুৎগণৰ পিতৃদেৱ, মই তোমাৰ দ্বাৰা ৰক্ষণ অভিপ্সিত, সমস্ত মৰুৎসকলৰে সৈতে হে ৰুদ্ৰ মোৰ আহ্বান শুনা... মই ৰুদ্ৰদেৱক প্ৰণাম কৰিছোঁ।

পৰশুৰামৰ তপস্যাত ৰুদ্ৰদেৱ সন্তুষ্ট হৈ নিষাদ— ৰূপধাৰী বিৰাট পুৰুষৰূপে তেওঁৰ ওচৰত নিজকে প্ৰকট কৰে আৰু ৰামৰ প্ৰতি প্ৰসন্ন হৈ বৰ দিয়ে যে 'হে ৰাম তুমি মোৰ পুত্ৰ, মোৰ অৱতাৰ। অধৰ্মী কাৰ্ত্তবীৰ্য অৰ্জুনক বধ কৰি এই ধৰাত শিৱত্ব স্থাপনৰ হেতু তোমাৰ ৰূপেৰেই মই আভিভূত হৈছোঁ।'— এইবুলি নিজৰ বিশাল ধনু আৰু অক্ষয় তূণ পৰশুৰামক প্ৰদান কৰে। লগত দিলে পাশুপাত অস্ত্ৰ আৰু এখন বিশাল পৰশু। পৰশুৰামক যুদ্ধত অজেয় হোৱাৰ বৰ দিয়ে।

বৰদানৰ পিছত ৰুদ্ৰদেৱে পৰশুৰামক ক'লে যে 'এই মানস সৰোবৰ অঞ্চল দিব্য। ইয়াত বিশাল নদীৰ স্ৰোত অন্তৰ্ভেদী হৈ আছে। এতিয়া বসন্ত ঋতু সমাগত। মহাসৰিতা এই ব্ৰহ্মস্ৰোতৰ পৰা অচিৰেই উদগতি হ'ব আৰু ই পূৰ্বদেশলৈ গতি কৰিব; তাৰ নাম ব্ৰহ্মপুত্ৰ ৰাখিবা। এতিয়া যোৱা, তোমাৰ কল্যাণ হওঁক।' পৰশুৰামৰ মন পুলকিত হৈ পৰিল। তেওঁ ব্ৰহ্মসোঁতৰ সমীপলৈ গতি কৰিলে। বৰফ গলি তাৰপৰা এটি জলধাৰা উত্তৰ-পূৰ্বাঞ্চললৈ বৈ আহিল। মাজবাটত এটা পৰ্বতৰ পৰা বাঢ়ি অহা শৈলভাণ্ডাৰত ঠেকা খাই পুত সলিলা বাধাপ্ৰাপ্ত হয়। ব্ৰহ্মস্ৰোতত কোনো গতিৰোধক থকাটো পৰশুৰামে বিচৰা নাছিল। ৰামে শিৱদত্ত পৰশুৰে সেই শৈলভাণ্ডাৰত বিশাল প্ৰহাৰকৰিলে। পৰশুৰামৰ লগত অহা ৰামদল আৰু স্থানীয় লোকসকলৰ সহযোগত সেই শৈলভাণ্ডাৰ ক্ষত-বিক্ষত হ'ল আৰু পুণ্যতুৰা জলভাগৰ গতি প্ৰশস্ত হৈ পৰিল। ব্ৰহ্মপুত্ৰৰ গতিবেগ অতি কোবাল হ'ল। বৰফ যিমানে গলিব ধৰিলে ইয়াৰ গতি সিমানে তীব্ৰ হ'বলৈ ধৰিলে। এই মহাপ্ৰবাহ বৰ্তমান উত্তৰ প্ৰদেশ, নেপাল, ছিকিম, ভূটানৰ বহু ওপৰেদি সমান্তৰাল ৰেখাৰ দৰে গতি কৰি বৰ্ত্তমান অৰুণাচল প্ৰদেশত প্ৰৱেশ কৰে আৰু সমগ্ৰ অসম ভূখণ্ডৰ মাজেৰে গতি কৰি পদ্মা-গংগাৰ সৈতে মিলিত হৈ সমুদ্ৰত লীন হৈছে। পৰশুৰামৰ দ্বাৰা শৈলভাণ্ডাৰ বিদীৰ্ণ কৰি ব্ৰহ্মপুত্ৰ (লোহিত) প্ৰৱাহিত কৰা স্নানখণ্ডতেই এটি কুণ্ডৰ সৃষ্টি হয়। এই কুণ্ডই ঋতুকালৰ পৰা 'পৰশুৰাম কুণ্ড'ৰূপে জগৎবিখ্যাত হৈ আহিছে। অঞ্চলটোৰ লোকসকলে পৰশুৰামৰ প্ৰতি কৃতজ্ঞতাৰ চিহ্নস্বৰূপে তেওঁৰ নামত গুহা, ঘাট, পাহাৰ, নিবাসস্থল আদি ৰাখিবলৈ ধৰিলে। কথিত আছে, বৰ্তমান অৰুণাচল প্ৰদেশত সেই অঞ্চলৰ আদিবাসীসকলে এটা অদ্ভুত গুহা পাইছিল যাৰ সোমোৱা বাট আছিল কিন্তু অন্ত কোনেও বিচাৰি পোৱা নাছিল। এই গুহাৰ বাৰ্তা পৰশুৰামৰ কাণত পৰাত তেওঁ অকলে গুহাটো দৰ্শন কৰিবলৈ যায়। তেওঁ গুহাটো প্ৰত্যক্ষ কৰি থিৰাং কৰিলে হৈহয় তথা অন্য দুষ্ট পাপী ক্ষত্ৰিয়সকলক সংহাৰ কৰাৰ পাছত হিংসা কৰ্ম পৰিত্যাগ কৰি তপস্যাৰ দ্বাৰা মনুষ্য নিধন পাপৰ প্ৰায়শ্চিত্ত কৰিবলগা হ'ব। কিয়নো হিংসা ঋষি আৰু ব্ৰাহ্মণ্য ধৰ্মৰ বিৰুদ্ধ। সেয়ে তেওঁ অঞ্চলটোৰ প্ৰকৃতি পুত্ৰসকলক বাক্য দিয়ে ধৰিত্ৰীৰ ভাৰ সংহৰণৰ অন্তত তেওঁ পুনঃ এই ৰম্যপুৰীলৈ ওভতি আহিব আৰু এই গুহাতে তেওঁ তপস্যাত লীন যাব। স্থানীয় লোকসকলে সেই গুহাক 'পৰশু গুহা' বুলি কয়।

পৰশুৰাম উত্তৰ-পূৰ্বাঞ্চললৈ উভতি আহিছিল নে নাই আমি নাজানো; কিন্তু তেওঁৰ নামৰ লগত জড়িত পৰশুৰাম কুণ্ডই সত্যযুগৰ পৰা বৰ্তমান একবিংশ শতিকালৈকে জগতৰ সমস্ত প্ৰাণীৰ হিতৰ কাৰক হৈ আহিছে আৰু অনাদিকাললৈ তেওঁৰ নামত থকা কাহিনী প্ৰৱাহ চলি থাকিব। ◆◆

# আমেৰিকা ভ্ৰমণৰ অভিজ্ঞতা

গোলোক চন্দ্ৰ নাথ
বিশিষ্ট শিক্ষাবিদ
নগাঁও

পো-বোৱাৰী, জী-জোঁৱাই চাকৰিসূত্ৰে আমেৰিকাত থকাৰ বাবে মই আৰু পৰিবাৰ তালৈ যোৱাৰ সুযোগ পাইছিলো। ২০০৫ চনৰ পৰা ২০১৬ চনলৈকে ৭ বাৰ তেওঁলোকে আমাক নিছিল। প্ৰত্যেক বাৰতে আমেৰিকাৰ নিয়মানুযায়ী আমি ৬ মাহ, ৬ মাহ সময় থাকিব পাৰিছিলো। তাত থকা দিনখিনিত আমেৰিকাৰ ৰাজধানী ৱাছিংটন ডি চি, কেলিফৰ্ণিয়াৰ ৰাজধানী চাৰকামেণ্টু, গ্ৰেন কেনিয়ন আদি বিখ্যাত বিখ্যাত ঠাইলৈ আমাক লৈ গৈছিল। তালৈ যোৱাৰ আগতেই পেপাৰে-পত্ৰই আমেৰিকা যে এখন পৃথিৱীৰ ভিতৰতেই উন্নত দেশ সেই বিষয়ে পঢ়িবলৈ পাইছিলো। গতিকে আমেৰিকালৈ গৈ পোৱাত সেই বিষয়ে জানিবলৈ বৰ হেঁপাহ জন্মিছিল। গতিকে যোৱা ঠাইবোৰৰ বিষয়ে জানিবলৈ যত্ন কৰিছিলো আৰু যি জানিছিলো তাকে ডায়েৰীত লিপিবদ্ধ কৰি ৰাখিছিলো। তাৰ পৰা ঘূৰি অহাৰ পিছত 'আমেৰিকাৰ নানান কথা' নামৰ এখন কিতাপ লিখি প্ৰকাশ কৰিছিলো। যা হওক আমেৰিকাৰ বিষয়ে যিকণ অভিজ্ঞতা আহৰণ কৰিলো তাকে থূলমূলকৈ তলত উল্লেখ কৰিলো।

২০০৫ চনত প্ৰথমবাৰ আমেৰিকালৈ যাওতে গুৱাহাটীৰ পৰা কলিকতা, কলিকতাৰ পৰা ছিংগাপুৰ হৈ আমেৰিকাৰ ছানফান্সিছক' বিমান বন্দৰত নামিছিলো। দিন হিচাপে প্ৰায় ডেৰ দিন আৰু সময় হিচাপে ২২ ঘণ্টা লাগিছিল। কাৰণ কলিকতা, ছিংগাপুৰত ভালেমান সময় ৰ'ব লগা হয়। পিছৰ ৬ বাৰ গুৱাহাটীৰ পৰা দিল্লী, দিল্লীৰ পৰা লণ্ডনৰ হিটগ্ৰ' বিমান বন্দৰ হৈ আমেৰিকাৰ ছানফ্ৰান্সিছক'ত নামিছিলো।

প্ৰথমবাৰ গৈ যেতিয়া ছানফ্ৰান্সিছক' এয়াৰপৰ্টত বিমানৰ পৰা নামিছিলো তেতিয়া অলপ আঁতৰত আমাৰ ল'ৰা-বোৱাৰীয়ে আমাক নিবলৈ ৰৈ থকা দেখা পাইছিলো। সিহঁতে আমাৰ দুয়োকে দেখা পোৱাত আমাৰ এনে যেন অনুমান হ'ল যে আমাক দেখাৰ কাৰণে সিহঁত আনন্দত আত্মবিভূৰ হৈ পৰিল। কাৰণ বহুদিন সিহঁতে আমাক দেখা নাছিল। যা হওক আমি গৈ সিহঁতৰ ওচৰ পোৱাত আমাক নিবলৈ বাহিৰত ৰাখি থোৱা গাড়ী লৈ আমাক আৰু আমাৰ বয়বস্তুবোৰ লৈ গ'ল।

বিমান বন্দৰৰ পৰা বাহিৰ ওলায়েই বাহিৰৰ দৃশ্যৰাজি দেখি তবধ মানিলো। বন্দৰৰ বাহিৰত ওপৰা-ওপৰিকৈ ৩-৪ খন অভাৰব্ৰীজ, ৰাস্তাবোৰ নিমজ বহল, পৰিষ্কাৰ। অহা ৰাস্তাও বেলেগ আৰু যোৱা ৰাস্তাও বেলেগ। ৰাস্তাবোৰ ইমানেই বহল যে একে সময়তে সমানে ৩-৪ খন গাড়ী অহাযোৱা কৰিব পাৰে। গাড়ীত উঠি ৰাস্তায়েদি গৈ থাকোতে দেখিলো ৰাস্তাৰ দুয়োকাষৰ প্ৰাকৃতিক দৃশ্য অতি মনোমোহা। ৰাস্তাৰ দুয়োকাষে পৰিপাটিকৈ থকা জোপোহা গছৰ শাৰী, ফুলগছ, ফুলগছত বিভিন্ন ৰকমৰ ফুল ফুলি আছে আৰু এনে কিছুমান গছ আছে তাৰ পাতত কেইবাটাও ৰং থাকে। এনেকুৱা লাগে যেন এইবোৰো ফুলহে অৰ্থাৎ পাতবোৰো ফুলহে। এনেকৈয়ে প্ৰাকৃতিক দৃশ্য উপভোগ কৰি ঘৰ পালোগৈ।

ঘৰত কেইদিনমান জিৰণি লোৱাৰ পিছত পো-বোৱাৰী, জী-জোঁৱাইহঁতে ডমেষ্টিক ফ্লাইটত আমেৰিকাৰ ৰাজধানী বাচিংটন ডি চি, কেলিফৰ্ণিয়াৰ ৰাজধানী চাৰ্কামেণ্টু, গ্ৰেন কেনিয়ন, কানাডা স্পেচ চেণ্টাৰ য'ত ৰকেট তৈয়াৰ হয়, নেপা য'ত আঙুৰৰ বাগান আছে আৰু আঙুৰৰ পৰা মদ তৈয়াৰ কৰা কাৰখানা আছে আদি চাবলৈ নিলে। সেইবোৰৰ বাহিৰেও আৰু বহু ঠাই চোৱাত তাৰ পৰা কিছু অনুভৱ অৰ্জন কৰিলো।

শেষবাৰত গৈ আমেৰিকালৈ প্ৰথমে কোন মানুহ ক'ৰ পৰা আহি বসবাস কৰিছিল, তেওঁলোকৰ আহাৰ কি আছিল, ক'ত পাইছিল, আজিৰ আমেৰিকা তাহানি কি আছিল, কেনেকৈ বৰ্তমান আমেৰিকাই উন্নতিৰ শীৰ্ষস্থান দখল কৰিলে ইত্যাদি কথাবোৰ লিখি আনিছিলো, বৰ্তমান সেইবোৰ অপ্ৰকাশিত। যা হওক এতিয়া আমেৰিকাৰ অধিবাসীসকলৰ আচাৰ-ব্যৱহাৰ, স্বভাৱ, ৰীতি-নীতি, চাল-চলন, শিক্ষা, বেপাৰ-বাণিজ্য আদিৰ বিষয়ে সংক্ষেপতে তলত লিখিলো।

**অধিবাসীসকলৰ আচাৰ-ব্যৱহাৰ ঃ** এখন দেশক উন্নত দেশ হিচাপে পৰিগণিত হোৱাৰ যিকেইটা গুণৰ প্ৰয়োজন, সেই আটাইকেইটা গুণেই আমেৰিকা যুক্তৰাষ্ট্ৰত বিদ্যমান বুলি ধাৰণা হয়। মানুহবোৰ পৰিশ্ৰমী, স্বাৱলম্বী, কৰ্মপটু, কষ্টসহিষ্ণু, দেশপ্ৰেমী, দয়ালু, উচ্চাকাংক্ষী। তেওঁলোকে সদায় আইন-কানুন আখৰে আখৰে মানি চলে। কোনেও কাৰো উপাৰ্জনেৰে খাবলৈ নিবিচাৰে। সকলো মানুহে কিবা নহয় কিবা এটা কামত ব্যস্ত থাকেই। তেওঁলোকৰ মানত কামৰ কোনো সৰুবৰ নাই। তেওঁলোক হেল্পফুল। ৰাস্তাইদি অহাযোৱা কৰোতে যাকেই সন্মুখত পায় চিনি নাপালেও এটি মিচিকিয়া হাঁহি মাৰি 'হাই' বুলি কৈ গুছি যায়। ৰাস্তাত জোম মাৰি কেতিয়াও কথা নাপাতে। ৰাস্তাত কাগজৰ টুকুৰা বা কিবা বস্তু পৰি থকা দেখিলে সেইবোৰ তুলি নি ডাষ্টবিনত পেলাই থৈ যায়। তেওঁলোকক এই কাৰণেই প্ৰকৃতিপ্ৰেমী বুলি ক'ব পাৰি যে প্ৰত্যেকঘৰ মানুহেই ঘৰৰ আগফালে আৰু পিছফালে বিভিন্ন ৰকমৰ ফুলৰ গছ ৰুই লয়। কাজেই ফুলবোৰে জকমকাই শোভাবৰ্দ্ধন কৰি থাকে। মানুহৰ ঘৰ নথকা ৰাস্তাৰ দুয়োকাষেও শাৰী শাৰী জোপোহা ফুলগছ থকাটো আগতে উল্লেখ কৰি আহিছো। সেইবোৰ পৰিচৰ্যা কৰা চৰকাৰৰ এটা বিভাগ থাকে। মুঠতে ক'ব পাৰি সকলোবোৰ কামেই শৃংখলাবদ্ধ। এটা কথাত আচৰিত হ'ব লগা যে এঘৰ ধনী মানুহক এঘৰ কম ধনী মানুহে হিংসা নকৰে। কম ধনী মানুহঘৰেও ধনী মানুহঘৰকো হিংসাৰ চকুৰে নাচায়। বৰং কেনেকৈ বেছি ধনী হ'ব তাৰহে চিন্তা কৰে। আমেৰিকানসকলে নতুন কিবা নহয় কিবা এটা আৱিস্কাৰ কৰাৰ কথা চিন্তা কৰি থাকে। আমেৰিকাত বিভিন্নধৰণৰ উদ্যোগ আছে। সেই উদ্যোগবোৰত কৰ্মৰত বহু কৰ্মী বাহিৰা ৰাষ্ট্ৰৰ পৰা অহা একো একোজন মেধাৱী ব্যক্তি। আমাৰ অসম তথা ভাৰতৰ প্ৰায় প্ৰত্যেক ৰাজ্যৰেই বহু মনুহ লগ পাইছিলো আৰুতেওঁলোকৰ আমন্ত্ৰণক্ৰমে তেওঁলোকৰ ঘৰলৈ গৈছিলো। তেওঁলোকৰ লগত কথা-বতৰা পাতোতে জানিছিলো আমাৰ অসম তথা ভাৰতৰ যথেষ্ট মেধাৱী ল'ৰা-ছোৱালীয়ে বহুত উদ্যোগতেই উপযুক্ত দৰমহা লৈ উচ্চ পদত অধিষ্ঠিত হৈ আছে। তেতিয়া অনুভৱ কৰিলো মাছৰ তেলেৰেই মাছ ভাজি তেওঁলোকে কোটি কোটি টকা উপাৰ্জন কৰি নিজৰ দেশক উন্নত আৰু শক্তিশালী কৰি তুলিছে। সেইবোৰ দেখাৰ পাছত আমাৰ বিশেষকৈ অসমৰ উদ্যোগবোৰলৈ মনত পৰিলে বৰ দুখ লাগে। আমাৰ চৰকাৰে উদ্যোগবোৰলৈ বাহিৰৰ পৰা ভাল অভিজ্ঞ লোককতো আনিব নোৱাৰেই নিজৰ ঘৰৰ মেধাৱী ল'ৰা-ছোৱালীবোৰকো উচিত দৰমহা দি ৰাখিব নোৱাৰে। ফলত বহুত উদ্যোগ মৃত্যুৰ মুখত পৰিছে আৰু বাকী থকা কেইটাৰো অৱস্থা পুতৌলগা। আমাৰ উদ্যোগসমূহৰ ক্ষেত্ৰত দেখা যায় উদ্যোগবোৰ গুৰি ধৰোতাসকলে উদ্যোগৰ স্বাৰ্থতকৈ নিজৰ স্বাৰ্থকহে বেছি প্ৰাধান্য দিয়ে। এনেলেখিয়া কিছুমান কথালৈ লক্ষ্য কৰিলে ক'ব পাৰি যে আমি স্বাধীন দেশৰ নাগৰিক

হ'লেও স্বাধীনতাৰ অৰ্থ ভালদৰে বুজি উঠা নাই। এখন ৰাষ্ট্ৰৰ উন্নতি-অৱনতি বিশেষকৈ নিৰ্ভৰ কৰে নিয়ম-নীতি, শাসন, পৰিপাটিতা। সেইফালৰ পৰা আমেৰিকানসকলক দেখা যায় তেওঁলোকে নিয়ম-শৃংখলা কেতিয়াও ভংগ নকৰে। মানুহ সদায় নিজৰ সোঁফালেদি যায় আৰু যান-বাহনো সোঁফালেই যায়। ড্ৰাইভাৰৰ চিট বাওঁফালে থাকে।

**দোকান-বজাৰ ঃ** আমেৰিকাৰ দোকান-বজাৰৰ ব্যৱস্থা আমাৰ অসম তথা ভাৰতত্তকৈ কিছু বেলেগ। আমাৰ ইয়াত ৰাস্তাৰ কাষত, ঘৰৰ সন্মুখত একোখন পান দোকান, গেলামালৰ দোকান থাকে। কিন্তু আমেৰিকাত য'তে ত'তে দোকান নাথাকে। তাত কচক', মাৰভিচন, ৱালমাৰ্ট, টাৰগেট আদি নামৰ দোকান থাকে। কোনোখন দোকান ২-৩ বিঘা, ৫-৬ বিঘা মাটিত এটা ঘৰৰ তলত থাকে। বহুত দোকান একেলগে থাকিলে তাক মল বুলি কয়। ঘৰৰ সা-সঁজুলি যি দোকানত থাকে তাক হোম ষ্টেড বোলে। বস্তুবোৰৰ দাম-দৰ নহয়, যি লিখা থাকে তাকেই দিব লাগে আৰু বস্তুৰ ওচৰত কোনো মানুহ লাগি নাথাকে। তাৰ সুকীয়া ব্যৱস্থা আছে। মানুহবোৰ ইমান সৎ, বস্তুৰ ওচৰত মানুহ নাথাকিলেও কোনেও সামান্য বস্তু এটাও জেপত ভৰাই নলয় আৰু এটা নিয়ম আছে ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীয়ে দোকানত ছিগাৰেট কিনিব নোৱাৰিব। যদি দোকানীয়ে দিয়ে তেতিয়া তেওঁক আইনমতে দণ্ড বিহা হয়।

**শিক্ষা পদ্ধতি ঃ** আমেৰিকাৰ শিক্ষা পদ্ধতি ভাৰত তথা অসমৰ তুলনাত অলপ বেলেগ। বিদ্যালয়বোৰে শিক্ষাটো অকল পাঠ্যপুথিৰ মাজতে আবদ্ধ নাৰাখি ছাত্ৰ-ছাত্ৰীৰ সৰ্বদিশত উন্নতিৰ বাবে লক্ষ্য ৰাখে। সেয়েহে শিক্ষক-শিক্ষয়িত্ৰীসকলে ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন অনুসাৰে পাঠ্যক্ৰম নিৰ্ধাৰণ কৰে। অসমৰ দৰে ইয়াত সমগ্ৰ ৰাজ্যৰ সকলো স্কুলে একে পাঠ্যক্ৰম অনুসৰণ নকৰে। প্ৰত্যেক জিলাই নিজৰ নিজৰ পাঠ্যক্ৰম এটা নিৰ্দিষ্ট সীমাৰ ভিতৰত প্ৰস্তুত কৰে। ইয়াত পাঠ্যক্ৰমবোৰ তিনিটা ভাগত ভাগ কৰা হৈছে। Elementary (K.G. to 5th Grade), (Middle School 6th to 8th Grade) & High School 9th to 12 Grade), Secondary আৰু Higher Education (Bechelor master & PHD)। পাঁচ বছৰ বয়সত ল'ৰা-ছোৱালীক Kindergarten ত Join কৰে। আমেৰিকাত স্কুল বৰ্ষটো (Aug/Sept) ত আৰম্ভ হয় আৰু Summer (June) ত শেষ হয়।

আমেৰিকাত Elementary আৰু Secondary School ৰ দায়িত্ব চৰকাৰে বহন কৰে। সকলো ছাত্ৰ-ছাত্ৰীয়েই Elementary আৰু Secondary (Middle আৰু High School) পাছ কৰাত যথেষ্ট গুৰুত্ব দিয়ে। কিবা কাৰণত ছাত্ৰ-ছাত্ৰীয়ে স্কুলত অনুপস্থিত থাকিলে, চৰকাৰে পিতৃ-মাতৃৰ ওপৰত আইনসংগত ব্যৱস্থা ল'ব পাৰে। USA ত ভাৰতৰ দৰে Private (ব্যক্তিগত) আৰু চৰকাৰী স্কুল আছে। Private School বিলাকত খৰচ চৰকাৰে বহন নকৰে, অভিভাৱকে বহন কৰে।

আমেৰিকাৰ স্কুলবোৰত ছাত্ৰ-ছাত্ৰীয়ে স্কুলতেই নিজৰ পাঠ্যপুথি ৰাখে, ঘৰলৈ নানে। হোমৱৰ্কবিলাক পাঠ্যপুথিৰ বাহিৰৰ কিতাপ বা স্কুলত আহৰণ কৰা শিক্ষাৰ পৰা কৰিবলগা হয়। ইয়াত ছাত্ৰ-ছাত্ৰীয়ে লিখা আৰু কিতাপ পঢ়াৰ ওপৰত বহুত গুৰুত্ব দিয়া হয়। সেয়েহে প্ৰায় সকলো হাইস্কুল পাছ কৰা ছাত্ৰ-ছাত্ৰীয়ে অতি সুন্দৰভাৱে যিকোনো বিষয়ৰ ওপৰত লিখিব পাৰে। উদাহৰণস্বৰূপে 1st Grade, 2nd Grade ৰ ল'ৰা-ছোৱালীক প্ৰত্যেকদিনাই একোখনকৈ কিতাপ পঢ়ি তাৰ সাৰমৰ্ম লিখি নিবলৈ দিয়ে। এনে অভ্যাসৰ জৰিয়তে ডাঙৰ হ'লে সকলো ছাত্ৰ-ছাত্ৰীৰেই কিতাপৰ প্ৰতি আগ্ৰহ বাঢ়ে আৰু অতি সুন্দৰভাৱে নিজৰ মনোভাৱ লিখিতভাৱে প্ৰকাশ কৰিব পাৰে।

ইয়াৰ প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়েই নিজৰ দক্ষতা অনুসৰি বেলেগ শিক্ষা লোৱা দেখা যায়। একেখন স্কুলৰ একেটা গ্ৰেডৰে দুজন ছাত্ৰৰ এজনে সহজ যোগ-বিয়োগ আৰু আনজনে এলজেব্ৰা শিকি থকা দেখা যায়। বহুত হাইস্কুলত পঢ়ি থকা ছাত্ৰ-ছাত্ৰীয়ে কলেজ লেভেলৰ ক'ৰ্চ লয় আৰু হাইস্কুল পাছ কৰাৰ অলপ দিনৰ পিছতে কলেজ ডিগ্ৰী লৈ অহা দেখা যায়।

Elementary স্কুলত একেলগে শিক্ষকে সকলো বিষয় পঢ়ায়। Middle School ৰ পৰা ল'ৰা-ছোৱালী বিভিন্ন শ্ৰেণীকোঠাত বেলেগ বেলেগ শিক্ষকৰ তত্বাৱধানত বেলেগ বেলেগ বিষয়ৰ ওপৰত শিক্ষা লয়। ইয়াত বাৰ্ষিক পৰীক্ষাৰ ওপৰত নিৰ্ভৰ কৰি ছাত্ৰ-ছাত্ৰীৰ গ্ৰেড নিৰ্ধাৰণ কৰা

নহয়। বছৰজুৰি হোৱা বিভিন্ন পৰীক্ষাৰ ওপৰত নিৰ্ভৰ কৰিহে প্ৰধান গ্ৰেডটো নিৰ্ধাৰণ কৰা হয়।

ইয়াৰ হায়াৰ ছেকেণ্ডাৰী এডুকেচনৰ খৰছ ছাত্ৰ-ছাত্ৰী বা অভিভাৱকে বহন কৰিব লাগে। হাই এডুকেচন ব্যয়বহুল হয়। ই আমেৰিকাৰ ইউনিভাৰ্ছিটিবিলাকে প্ৰয়োজন আৰু দক্ষতাৰ ওপৰত ভিত্তি কৰি স্ক'লাৰশ্বিপ দি ছাত্ৰ-ছাত্ৰীক আৰ্থিকভাৱে সহায় কৰে। কোনো কোনো ছাত্ৰ-ছাত্ৰীয়ে পাৰদৰ্শিতাৰ বাবে সম্পূৰ্ণ খৰচৰ পৰা ৰেহাই পায়। তথাপিতো সৰহসংখ্যক ল'ৰা-ছোৱালীয়ে চৰকাৰী বা ব্যক্তিগত প্ৰতিষ্ঠানৰ পৰা ধাৰ কৰি Student Loan লৈ নিজৰ উচ্চশিক্ষা আহৰণ কৰে। ভাবিলে আচৰিত লাগে যে আমেৰিকাত এজন চিকিৎসক স্কুলৰ পৰা ওলাই আহোতে এটা ডাঙৰ ধাৰৰ বোজা মূৰত লৈ আহিব লগা হয়।

আৰ্থিকভাৱে নিজকে সহায় কৰিবলৈ আৰু ভৱিষ্যত কৰ্মক্ষেত্ৰৰ বাবে অভিজ্ঞতা আহৰণ কৰিবলৈ ইউনিভাৰ্ছিটিত Student Part time job বা University Research Project ত কাম কৰা দেখা যায়। মোৰ ল'ৰা হেমাঙ্গয়ো ইউনিভাৰ্ছিটিত পঢ়ি থাকোতে কিছুমান প্ৰজেক্টৰ কাম কৰিলে। তেতিয়া ইউনিভাৰ্ছিটিয়ে টিউচন ফিজ ৰেহাই দিয়াৰ উপৰি হাত খৰছৰ কাৰণে কিবা এটা পইচা দিয়ে। ছাত্ৰ-ছাত্ৰীয়ে এটা নিৰ্দিষ্ট সীমাৰ ভিতৰত থাকি ব্যক্তিগতভাৱে নিজৰ শিক্ষা আহৰণ কৰিব লাগে। শিক্ষকে ছাত্ৰ-ছাত্ৰীক শিকিবৰ বাবে পথ দেখুৱাই দিয়ে আৰু পঢ়াৰ তত্বাৱধান লয়। ভাৰতৰ দৰে কেইখনমান পাঠ্যপুথি পঢ়াই তাৰ ওপৰত পৰীক্ষা এটা লৈ উচ্চশিক্ষাৰ সামৰণি নেপেলায়। ইয়াত অধ্যয়ন, অনুসন্ধান আৰু আলোচনাৰ ওপৰত বিশেষ গুৰুত্ব দিয়ে।

আমেৰিকাৰ ইউনিভাৰ্ছিটিৰ নামভৰ্তি কৰাৰ নিয়ম বহুত জটিল। অকল স্কুলৰ গ্ৰেডৰ ওপৰত নিৰ্ভৰ কৰি নামভৰ্তি কৰা নহয়। ভাল ইউনিভাৰ্ছিটিবোৰত সমগ্ৰ পৃথিবীৰ ছাত্ৰ-ছাত্ৰীয়ে এডমিচন পাবলৈ যত্ন কৰে। সেয়েহে নামভৰ্তি প্ৰতিযোগিতামূলক হয়। আমেৰিকাৰ ইউনিভাৰ্ছিটিত নামভৰ্তিৰ কাৰণে এটা সাৰ্বজনীন (SAT) পৰীক্ষা অনুষ্ঠিত কৰা হয়। ভাল ইউনিভাৰ্ছিটিত এডমিচন পাবলৈ হ'লে SAT ত ১০০ শতাংশ পোৱাটো অতি জৰুৰী। তাৰোপৰি Teachers Recommendation, বিশেষ বিষয়ৰ ওপৰত ৰচনা লিখাৰ দক্ষতা, খেলা-ধূলা, পাৰদৰ্শিতা, Elementary School ৰ পৰা সকলো গ্ৰেডৰ নম্বৰ Extra Curricular Activity ৰ পাৰদৰ্শিতা প্ৰত্যেকখন স্কুলৰ নিজৰ এডমিচন টেষ্টৰ Score, Volunteer Work আৰু ছাত্ৰজনৰ গৰাকীৰ আৰ্থিক তথা সামাজিক পৰিস্থিতি আদিৰ ওপৰত নিৰ্ভৰ কৰি ইউনিভাৰ্ছিটি এখনে ছাত্ৰগৰাকীক এডমিচন দিয়ে। আমেৰিকাৰ উচ্চশিক্ষা অত্যন্ত আধুনিক আৰু সময় উপযোগী। পৃথিবীৰ অন্য দেশৰ তুলনাত ইয়াৰ উচ্চশিক্ষাৰ মানদণ্ড বহুত উচ্চ। আৰু সেইবাবেই হয়তো বিভিন্ন আবিষ্কাৰসমূহ প্ৰায়েই আমেৰিকা ইউনিভাৰ্ছিটিবিলাকতে হয়। আমেৰিকাৰ পুৰুষ-মহিলাৰ কামৰ কোনো পাৰ্থক্য নাথাকে। ল'ৰা-ছোৱালীক স্কুলৰ পৰা অনাৰ পিছত ডিনাৰ, হোমৱৰ্ক বিভিন্ন Extra curricular activity ৰ তদাৰক অভিভাৱকে কৰায়। ঘৰুৱা কামৰ উপৰি মাক-বাপেকে আধুনিক প্ৰযুক্তিবিদ্যাৰ লগত খাপ খুৱাই ৰাখিবৰ বাবে নতুন নতুন বিষয়ৰ ওপৰত ল'ৰা-ছোৱালীক অধ্যয়ন কৰোৱায়।

**আমেৰিকাৰ সমাজ ব্যৱস্থা ঃ** আমেৰিকাৰ সমাজ ব্যৱস্থা ভালেই বুলি ক'ব পাৰি। আমাৰ ভাৰত তথা অসমৰ দৰে আমেৰিকাতো বিভিন্ন উৎসৱ পালন কৰা হয়। যেনে থেংকছ গিভিং ডে (Thanks Giving Day), ফাদাৰ্ছ ডে' (Father's Day), মাদাৰ্ছ ডে' (Mother's Day), চিলড্ৰেন ডে' (Heloween Day), স্বাধীনতা দিৱস, বৰদিন, মেৰিজ ডে' (Marriage Day), বাৰ্থ ডে' (Birth Day) ইত্যাদি।

**থেংকছ গিভিং ডে' ঃ** এই উৎসৱ নৱেম্বৰ মাহৰ চতুৰ্থ সপ্তাহৰ বৃহস্পতিবাৰে পাতে। সেইদিনা তাৰ্কি নামৰ চৰাই আনি খায়। এই উৎসৱৰ এটা তাৎপৰ্য আছে সেইটো হ'ল— ইংৰাজবোৰ আহি প্ৰথমে আমেৰিকাত বাস কৰোতে বহুদিন তেওঁলোকে অনাহাৰে দিন কটাবলগীয়া হৈছিল। তেতিয়া তাত বাস কৰি থকা আদিম আমেৰিকানসকলে তেওঁলোকক তাৰ্কি চৰাই আনি এসাজ খুৱাইছিল। তেতিয়া ইংৰাজবিলাকে আমেৰিকানসকলক থেংকছ দিছিল অৰ্থাৎ ধন্যবাদ জ্ঞাপন কৰিছিল। তেতিয়াৰ পৰাই সেই তাৰিখত আমেৰিকানসকলে এই উৎসৱটো পালন কৰে।

**ফাডাৰ্ছ আৰু মাডাৰ্ছ ডে' ঃ** এই উৎসৱ জুন মাহৰ তৃতীয় ৰবিবাৰে আৰু মাডাৰ্ছ ডে' মাহৰ দ্বিতীয় ৰবিবাৰে

পালন কৰে। সেইদিনা নিজৰ ল'ৰা-ছোৱালীহঁতে মাক-বাপেকক একোটিকৈ উপহাৰ দিয়ে আৰু সকলো ৰেষ্টুৰেন্টত গৈ ভালদৰে এসাঁজ খায়।

চিলড্ৰেন ডে' (Heloween Day) ঃ সেইদিনা ল'ৰা-ছোৱালীবোৰে বান্দৰৰ পোছাক, বিভিন্ন ধৰণৰ মুখা, দৈত্য-দানৱৰ পোছাক, বিভিন্ন ধৰণৰ টুপী অৰ্থাৎ দেখিলে চিনিব নোৱাৰা ভয়লগা পোছাক পৰিধান কৰি কেইবাটাও ল'ৰা-ছোৱালী লগ হৈ ঘৰে ঘৰে এটা সৰু বাকচ লৈ যায়। প্ৰত্যেক গৃহস্থই দুৱাৰমুখত এটা সৰু বাকচত লোজেন, চকলেট থৈ দিয়ে আৰু সিহঁতে সেই চকলেটবোৰ লৈ যায় আৰু ক'ৰবাত একেলগে বহি আনন্দত ফূৰ্তি কৰি খায়। সেইদিনা ৰাতি মাক-বাপেকহঁতেও বন্ধু-বান্ধৱ লগ লাগি এসাজ ভালদৰে খায়।

ভাৰতবৰ্ষ প্ৰত্যেক প্ৰদেশতেই নিজা নিজা সংস্কৃতি আছে। প্ৰত্যেকেই নিজৰ নিজৰ জাতীয় উৎসৱ পালন কৰে। কিন্তু এনে কিছুমান উৎসৱ আছে যে দুৰ্গাপূজা, সৰস্বতী পূজা, জন্মাষ্টমী, হলি, শিৱৰাত্ৰি সকলোৱে পালন কৰে। আমেৰিকানসকলে দুটা উৎসৱ বৰ উৎসাহ-উদ্দীপনাৰে পাতে। এটা হ'ল স্বাধীনতা দিৱস আনটো হ'ল বৰদিন। তেওঁলোকৰ কিছুমান নৃত্য-গানৰ সুৰ প্ৰায় আমাৰ দৰেই। এনেহেন অনুমান হয় যে তেওঁলোকে নৃত্য-সংগীত আদি আমাকেই অনুকৰণ কৰিছে। বাদ্যযন্ত্ৰবোৰো আমাৰ দৰে একে। কিন্তু অসমৰ পৰা যোৱাসকলে যি তাল-খোল ব্যৱহাৰ কৰে তেওঁলোকক সেই যন্ত্ৰ ব্যৱহাৰ কৰা দেখা নাযায়।

উক্ত অনুভৱৰ বাহিৰেও আৰু এটা বিশেষ অনুভৱ হ'ল যে আজিৰ জগতত কাৰিকৰী শিক্ষা আৰু বৈজ্ঞানিক ভাবধাৰাই প্ৰাধান্যতা লাভ কৰা দেখা যায়। গতিকে তাক আমি জানিবলৈ বা আয়ত্ত কৰিবলৈ নিশিকিলে নিজৰ জীৱন পথ সুগম কৰিব নোৱাৰিম বুলি ধাৰণা হয়। দেখিছো আজিৰ বিজ্ঞানে সমগ্ৰ পৃথিবীখনকেই হাতৰ মুঠিলৈ আনিব ধৰিছে, আনিছে। এই কাৰণে তাক আমি আহৰণ কৰাটো নিতান্তই আৱশ্যক। তাকে কৰিবলৈ হ'লে অৰ্থাৎ উচ্চস্তৰীয় জ্ঞান লাভ কৰিবলৈ হ'লে বিশেষকৈ ইংৰাজী ভাষাটো ভালদৰে জনাৰ প্ৰয়োজন। কিয়নো সেই উচ্চস্তৰীয় জ্ঞানৰ কিতাপ বেছিভাগেই ইংৰাজীতহে লিখা আছে। সেয়েহে বোধহয় আজিৰ বুদ্ধিজীৱী, জ্ঞানী, সদাশয়সকলে ঠায়ে ঠায়ে ইংৰাজী মাধ্যমৰ স্কুল প্ৰতিষ্ঠা কৰি উঠি অহা প্ৰজন্মক ইংৰাজী শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছে। ক'বলৈ গ'লে ই এটা ভালৰেই লক্ষণ আৰু এটা স্বভাৱ আছে যে আমি শাস্ত্ৰ, ভাগৱত বিভিন্ন বিষয়ৰ কিতাপ অধ্যয়ন কৰো। কিন্তু এই কিতাপসমূহত গুণী-জ্ঞানী অভিজ্ঞ ব্যক্তিয়ে লিখা কিছুমান জীৱনোপযোগী কথা অনুকৰণ কৰিবলৈ চেষ্টা নকৰো। অৱশ্যে তাৰ ভিতৰতে কিছুমান ব্যক্তি আছে যিসকলে তাক আহৰণ কৰি জীৱন সাৰ্থক কৰি তুলিছে। গতিকে মই ভাবো যদি আমি সকলোৱেই সেই প্ৰয়োজনীয় কথাবোৰ অনুকৰণ কৰো তেতিয়াহ'লে আমি আমাৰ সমাজক, জাতিক, দেশক আমেৰিকাৰ দৰে এখন আগশাৰীৰ উন্নত দেশত পৰিণত কৰিব পাৰিম। আজিৰ আমাৰ চৰকাৰে দেশখনৰ উন্নতিৰ ক্ষেত্ৰত যি পদক্ষেপ লৈছে তাত যদি আমি আমাৰ অসূয়া, অপ্ৰীতিকৰ মনোভাৱবোৰ পৰিহাৰ কৰি তাক ৰূপায়ণ কৰাত সহযোগ কৰো তেতিয়াহ'লে নিশ্চয় আমিও উন্নতিৰ শিখৰত উপনীত হ'ব পাৰিম আৰু নৱপ্ৰজন্মকো বাট দেখুৱাই দিব পাৰিম। লগতে তেওঁলোকৰ অন্তৰতো দেশপ্ৰেমৰ ভাৱনা জগাই তুলিবলৈ সমৰ্থবান হ'ম।♦♦

# 'ৰুবিক্স কিউব'ৰে বিশ্ব চেম্পিয়নৰ পিছত ...

**কাব্যনীল তালুকদাৰ**
দ্বাদশ শ্ৰেণী, কটন মহাবিদ্যালয়

*বিশ্বৰ ৩৪ দেশৰ নিৰ্বাচিত তিনি শতাধিক খেলুৱৈয়ে অংশ গ্ৰহণ কৰা উক্ত প্ৰতিযোগিতাৰ প্ৰথম দুদিনত প্ৰাৰম্ভিক ৰাউণ্ডবোৰ অনুষ্ঠিত হৈছিল। এই প্ৰতিযোগিতাত মোৰ শিক্ষাগুৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ নোৱাহ আৰ্থাৰেও অংশগ্ৰহণ কৰিছিল। ১৯ জুলাইৰ দিনটো ফলাফল নিৰ্ণায়ক দিন আছিল। এই দিনটোত সকলো শাখাৰে ফাইনেল ৰাউণ্ডবোৰ অনুষ্ঠিত হৈছিল। মোক সেই দিনটোত খুব গহীন-গম্ভীৰভাৱে শান্ত হৈ থাকিবলৈ কোৱা হৈছিল। দেউতাই মোক খেল আৰম্ভ হোৱাৰ প্ৰায় এঘণ্টা আগৰে পৰাই মানসিকভাৱে দৃঢ় কৰি ৰাখিছিল। বহুকেইটা বাদাম আৰু আলমণ্ড খাবলৈ কোৱা হৈছিল। এই দুয়োবিধ ফলে আমাৰ মগজুৰ চিন্তা কৰিব পৰা শক্তি দ্ৰুততৰ কৰে। লগতে মই ৰেডবুলো গ্ৰহণ কৰিছিলোঁ। ই মানুহৰ শৰীৰত থকা ভাগৰুৱা ভাব দূৰ কৰে। তাৰ পিছত যথাসময়ত মই ৰণথলীত ৰণত অৱতীৰ্ণ কেইবাটাও ৰাউণ্ডৰ অন্তত ২৪.৮৬ ছেকেণ্ডত মোৰ গুৰু 'নোৱাহ আৰ্থাৰ'ক পৰাজিত কৰি ৰুবিক্স কিউবটো (চকুৰে নোচোৱাকৈ) সমাধান কৰি বিশ্ব চেম্পিয়নৰ খিতাপ লাভ কৰিছিলোঁ*

বিগত ২০১২ চনত আন্তঃৰাষ্ট্ৰীয় দবা প্ৰতিযোগিতা এখনত অংশ গ্ৰহণ কৰি গুৱাহাটীমুখী ট্ৰেইনত আহোতে এজন ফেৰিৱাল্লাৰ পৰা ২০ টকা এটা ৰুবিক্স কিউব কিনি তাক মিলাবলৈ চেষ্টা চলাইছিলো। প্ৰথম অৱস্থাত সফল নহলেও পৰৱৰ্ত্তী সময়ত মিলাবলৈ সক্ষম হৈছিলো। ক্ৰমাগত অনুশীলনে ই মোৰ মন আৰু মগজুত সাংঘাটিক ধৰণে সাজ বহুৱালে। অতি সম্প্ৰতি এই খেলবিধ মগজুৰ এক অতি কঠিন খেল হিচাপে আন্তঃৰাষ্ট্ৰীয় ভাবে স্বীকৃতি লাভ কৰিছে। মগজুৰ এক কঠিন খেল বাবেই ভাৰতবৰ্ষত প্ৰযুক্তি বিদ্যাৰ প্ৰতিষ্ঠান (IIT) সমূহে এই খেল বিধক প্ৰচাৰ আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰয়োগ কৰিবলৈ লৈছে।

২০১৩ তাৰিখে গুৱাহাটী আই. আই. টি ত প্ৰথমবাৰৰ বাবে খেলিবলৈ গৈ তাত

মই চেম্পিয়ন হৈছিলোঁ। তাৰ পিছত ভাৰতৰ মুম্বাইত পোনপ্ৰথমবাৰৰ বাবে অনুষ্ঠিত 'ইণ্ডিয়ান নেছনেলছ' প্ৰতিযোগিতাত অসমক প্ৰতিনিধিত্ব কৰি বিজয়ী হওঁ। পৰৱৰ্তী কালত জাপানত অনুষ্ঠিত এছিয়ান অপেন খেলিবলৈ ভাৰতক প্ৰতিনিধিত্ব কৰিবলৈ নিৰ্বাচিত হওঁ। মোৰ লগতে মুম্বাই আৰু হাইদৰাবাদৰ দুগৰাকী প্ৰতিযোগীও নিৰ্বাচিত হওঁ।

জাপান এখন প্ৰথম বিশ্বৰ চহকী আৰু ব্যয়বহুল দেশ। ভৌগোলিকভাৱে এখন সৰু দ্বীপৰাষ্ট্ৰ হোৱা সত্বেও এই দেশৰ মানৱ সম্পদ আৰু ঔদ্যোগিক খণ্ডৰ দ্ৰুত উন্নয়নৰ বাবে এই দেশখনে প্ৰথম বিশ্বৰ উন্নত দেশৰ শাৰীত স্থান পাইছে। জাপানী লোকসকলেই হৈছে এই দেশৰ প্ৰধান সম্পদ।

জাতিৰ পিতা মহামান্য মহাত্মা গান্ধীয়ে এই সন্দৰ্ভত তেওঁৰ আত্মজীৱনী 'মোৰ সত্য অন্বেষণৰ কাহিনী'ত কৈছে যে 'জীৱনত একাগ্ৰতা থাকিলে অন্তৰৰ পৱিত্ৰ বাসনা সদায় সফল হয়। কঠিন বা কষ্টকৰ বুলি কোনো কথা নাই—অভ্যাসৰ বলত সকলো সৰল আৰু সহজ হৈ পৰে আৰু জীৱনৰ উদ্দেশ্য লক্ষ্যত উপনীত হ'ব পাৰোঁ। এটা সৰু বস্তু 'ৰুবিক্স কিউব' হাতত লৈ সাত-সাগৰ তেৰ নদী ইপাৰ-সিপাৰ কৰিলোঁ। সেইবাবে কওঁ, সফলতাৰ উৎস হ'ল "প্ৰবল ইচ্ছা শক্তি"।

মোৰ জাপান যাত্ৰাৰ মূল উদ্দেশ্য আছিল সেই দেশৰ টকিঅ' চহৰত অনুষ্ঠিত হ'বলগীয়া 'ৰুবিক্স কিউব এছিয়ান চেম্পিয়নশ্বিপ'ত অংশগ্ৰহণ কৰা। আমাৰ যাত্ৰা আৰম্ভ হৈছিল ২৯/১০/২০১৪ তাৰিখে। এই যাত্ৰাত মোক কেবাজনো ব্যক্তি আৰু অনুষ্ঠানে আৰ্থিকভাৱে বা আন্তৰিকভাৱে যথেষ্ট সহায় কৰিছিল। অষ্ট্ৰেলিয়ান প্ৰবাসী অসমীয়া শ্ৰীযুত কমলেশ গোস্বামী আৰু জাপান নিবাসী মৃন্ময় দাসে মোক বহুখিনি সহায় কৰিছিল। আমি, মোৰ দেউতা আৰু মই গুৱাহাটীৰ পৰা কলিকতালৈ উৰা মাৰিছিলোঁ। কলিকতাৰ পৰা আমি নিশা ২বজাত হংকঙলৈ বিমানত যাত্ৰা আৰম্ভ কৰিছিলোঁ। হংকঙৰ পৰা "কেথেই পেছিফিক'ৰ এখন প্ৰকাণ্ড বিমান যোগে পুনৰ চাৰে ছয়ঘণ্টীয়া যাত্ৰাৰ পিছতহে আমি জাপানত উপস্থিত হৈছিলোঁ।

টকিঅ' পৃথিৱীৰ অন্যতম বৃহৎ চহৰ। সমগ্ৰ জাপানৰ দৰে ইয়াতো মানুহে জাপানী ভাষাই কয়। টকিঅ' চহৰখন সুউচ্চ অট্টালিকাৰে আৱৰা। আহল-বহল বাট-পথবোৰত সততে ব্যয়বহুল 'স্পৰ্টছ কাৰ' আৰু 'স্পৰ্টছ বাইক' দেখিবলৈ পোৱা যায়। এই চহৰত পথচাৰী আৰু চাইকেল আৰোহীৰ প্ৰাধান্য বেছি। মেট্ৰ' ৰে'লৰ সুবিধা ইয়াত উপলব্ধ। অতি সুবিধাজনক হোৱা বাবে এই চহৰ ঘন জনবসতিপূৰ্ণ। 'নেৰিটা' এয়াৰপৰ্টৰ পৰা মেট্ৰ' ৰেলেৰেই আমি মিনামি চেঞ্জু নামৰ ঠাই ডোখৰলৈ আহিছিলোঁ। গধূলি পৰত আমি আমাৰ হোটেলখন বিচৰাত অসুবিধা হোৱা দেখি এগৰাকী জাপানী মহিলাই নিজ কাম বাদ দি আমাক হোটেললৈ বুলি বাট দেখুৱাই দিছিল। প্ৰথম উপলব্ধিটোৱে বুজাই দিলে যে জাপানী লোকসকল সহানুভূতিশীল, দয়ালু আৰু মৰমিয়াল।

১-৩ নৱেম্বৰত অনুষ্ঠিত হোৱা 'ৰুবিক্স কিউব' এছিয়ান চেম্পিয়নশ্বিপত ভাগ ল'লোঁ। এখন বৃহৎ প্ৰতিযোগিতা। নিজকে ভয় লাগিছিল যদিও এছিয়ান চেম্পিয়নশ্বিপ মোৰ বাবে যথেষ্ট সফল আছিল। মই '3×3' Blindfoded' আৰু '3×3' Multiple Blindfoded' শাখাত সোণৰ পদক তথা '3×3' One Handed' শাখাত ব্ৰঞ্জৰ পদক পাবলৈ সক্ষম হৈছিলোঁ। ৰুবিক্স কিউব খেলৰ লগত সংগতি ৰাখি মোৰ দেউতাই ২০ খন চিত্ৰৰ এখন চিত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত কৰি বহু লোকৰ সমাদৰ লাভ কৰাত মই আনন্দিত হৈছিলোঁ।

আধুনিক চহৰ টকিঅ'ৰ ভ্ৰমণকালত কেইবাটাও বৌদ্ধ মন্দিৰ দেখিবলৈ পাইছিলোঁ। তাৰ ভিতৰত আছাকুছা মন্দিৰ প্ৰধান। এই স্থলীত অনবৰতে এক উৎসৱমুখৰ পৰিৱেশ বিৰাজমান। মন্দিৰৰ কাষে কাষে এলানি দোকান-পোহাৰো আছিল। অন্য এদিন আমি বিখ্যাত মাউণ্ট ফুজিও চাইছিলোঁ।

জাপান প্ৰযুক্তিবিদ্যাৰ দেশ। প্ৰযুক্তিবিদ্যাত তেওঁলোক

ইমান দূৰ আগবাঢ়িছে যে আজিকালি জাপানী জনসাধাৰণৰ ম'বাইল ফোনত ভূমিকম্পৰ আগজাননী দিয়াৰো ব্যৱস্থা উপলব্ধ। অৰ্থাৎ যিটো অঞ্চলত ভূমিকম্প আহে সেই অঞ্চলৰ লোকসকলে প্ৰায় ৫ ছেকেণ্ড আগতে ম'বাইলত এটা সতৰ্কবাণী পায়। জাপানত সাধাৰণতে সাগৰীয় খাদ্য আৰু 'পেকেজ্‌ড ফুড' বহুলভাৱে প্ৰচলিত। তেওঁলোকৰ খাদ্য প্ৰণালী স্বাস্থ্যৰ বাবে অতি উপযোগী। সেয়েহে জাপান পৃথিৱীৰ অন্যতম স্বাস্থ্যকৰ ঠাই।

জাপানত অনুষ্ঠিত এছিয়ান চেম্পিয়নশ্বিপৰ পুৰস্কাৰ বিতৰণ সভাত মই ২-৩মিনিট সময়ৰ বাবে এটা বক্তৃতা প্ৰদান কৰাৰ সুযোগ লাভ কৰিছিলোঁ। লগতে মোক তালৈ আদৰণি জনোৱা দুই-তিনিগৰাকী ব্যক্তিক মঞ্চলৈ মাতি নি অসমৰ ফুলাম গামোচাও উপহাৰ দিছিলোঁ।

জাপানৰ পৰা উভতি অহাৰ পিছতেই মোৰ লক্ষ্য আছিল ব্ৰাজিল। সুদূৰ দক্ষিণ আমেৰিকাৰ অন্তৰ্গত ব্ৰাজিল দেশৰ চাও পাওলো চহৰত ২০১৫ চনৰ জুলাই মাহৰ ১৭-১৯ তাৰিখলৈ অনুষ্ঠিত হৈছিল 'বিশ্ব ৰুবিক্স কিউব চেম্পিয়নশ্বিপ'। বিশ্ব চেম্পিয়নশ্বিপ সকলো খেলাৰে সবাতোকৈ বৃহৎ আৰু কঠিন এই প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে ভাৰতৰ পাঁচজনীয়া দলটোৰ এজন সদস্য হিচাপে ভাৰতক প্ৰতিনিধিত্ব কৰি মই ১৩/৭/২০১৫তাৰিখে ব্ৰাজিল দেশলৈ বুলি উৰা মাৰিছিলোঁ। দেউতাৰ সৈতে প্ৰথমে কলিকতা আৰু তাৰ পিছত ড'হা (কাটাৰ) হৈ ব্ৰাজিলৰ চাও পাওলোত উপস্থিত হৈছিলোঁ। এই যাত্ৰাৰ বাবে প্ৰায় ৩০ ঘন্টা সময়ৰ প্ৰয়োজন হৈছিল। লগতে ড'হাৰ পৰা চাও পাওলোলৈ উৰণৰ মুঠ সময় আছিল প্ৰায় ১৭ ঘন্টা। ড'হাৰ হামাড ইন্টাৰনেছনেল এয়াৰপৰ্ট এটা বৃহৎ এয়াৰপৰ্ট। চাও পাওলো ব্ৰাজিলৰ এখন অন্যতম উন্নত ৰাজ্য। এই বৃহৎ ৰাজ্যখনৰ আশে-পাশে কিন্তু সাগৰ নাই। চাও পাওলো অতি ঘন জনবসতিপূৰ্ণ। ব্ৰাজিলত পৰ্তুগীজ ভাষা চলে। চাও পাওলোত মেট্ৰ' ৰেলৰ ব্যৱস্থা অতি সুন্দৰ। সেইবাবে বেছি সংখ্যক মানুহেই মেট্ৰ' ৰেল যোগে যাতায়াত কৰে। চাও পাওলো চহৰত কোনো কোনো মাটিৰ তলত আকৌ দুটা ঠাইত দুটা ভিন্ন তলাত মেট্ৰ' ৰেল চলে। এই ব্যৱস্থা অতি খৰতকীয়া আৰু কম খৰচী। চাও পাওলোত দুটাকৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ আছে। আমি গুৱাৰালহোচ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত অৱতৰণ কৰিছিলোঁ। বন্দৰৰ পৰা চাও পাওলো চহৰলৈ প্ৰায় ৪০ মিনিটৰ বাট। টেক্সিৰে আমি উপস্থিত হোৱা হোটেলখনৰ নাম আছিল আইবিচ বাজেট হোটেল। হোটেলত উপস্থিত হোৱাৰ পিছৰ পৰাই মোক লগ কৰিবলৈ বহুতো খেলুৱৈ আহিছিল। ইতিমধ্যে জাপানত এছিয়া চেম্পিয়ন হোৱা বাবে মোক বহুসংখ্যক খেলুৱৈয়ে চিনি পাই ছিল। আমি ১৫/৭/২০১৫তাৰিখে হোটেল গৈ পাইছিলোঁগৈ। পিছদিনা হোটেলতে পুৱাৰ আহাৰ গ্ৰহণৰ ব্যৱস্থা আছিল। আমি সাধাৰণতে ঘৰতে চাহ-বিস্কুট খাওঁ। কিন্তু তাত দেখিলোঁ মানুহে পুৱাৰ আহাৰ হিচাপে ব্ৰেড, বাটাৰ, মাংস, কেক, বিস্কুট, কণী, কল, মিঠাই, চাহ, ষ্ট্ৰবেৰী য়ুগাৰ্ট, নেমু, ছিজ, কমলাটেঙা, আপেল এই আটাইবোৰ গ্ৰহণ কৰে। তেওঁলোকৰ আহাৰ গ্ৰহণ প্ৰণালীমতে তেওঁলোকে ৰাতিপুৱা খুব ভালকৈ, দিনত অলপ কমকৈ আৰু ৰাতি একেবাৰে পাতলকৈ আহাৰ গ্ৰহণ কৰে, যিটো আমাৰ সৈতে সম্পূৰ্ণ বিপৰীত। তেওঁলোকৰ খাদ্য গ্ৰহণ প্ৰণালীটো বিজ্ঞানসন্মতভাৱে গ্ৰহণযোগ্য। ব্ৰাজিলত মানুহে পানীৰ পৰিবৰ্তে বেছিকৈ ফলৰ ৰস গ্ৰহণ কৰা দেখিলোঁ। চাও পাওলোত এবটল (১লিটাৰ) পানীৰ দাম প্ৰায় ১১২ টকা।

১৭ জুলাইৰ পৰা আমাৰ প্ৰতিযোগিতা আৰম্ভ হৈছিল। বিশ্বৰ ৩৪ দেশৰ নিৰ্বাচিত তিনি শতাধিক খেলুৱৈয়ে অংশ গ্ৰহণ কৰা উক্ত প্ৰতিযোগিতাৰ প্ৰথম দুদিনত প্ৰাৰম্ভিক ৰাউণ্ডবোৰ অনুষ্ঠিত হৈছিল। এই প্ৰতিযোগিতাত মোৰ শিক্ষাগুৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ নোৱাহ আৰ্থাৰেও অংশগ্ৰহণ কৰিছিল। ১৯ জুলাইৰ দিনটো ফলাফল নিৰ্ণায়ক দিন আছিল। এই দিনটোত সকলো শাখাৰে ফাইনেল ৰাউণ্ডবোৰ অনুষ্ঠিত হৈছিল। মোক সেই দিনটোত খুব গহীন-গম্ভীৰভাৱে শান্ত হৈ থাকিবলৈ কোৱা হৈছিল। দেউতাই মোক খেল আৰম্ভ হোৱাৰ প্ৰায় এঘন্টা আগৰে পৰাই মানসিকভাৱে দৃঢ় কৰি ৰাখিছিল। বহুকেইটা বাদাম আৰু আলমণ্ড খাবলৈ কোৱা হৈছিল। এই দুয়োবিধ ফলে আমাৰ মগজুৰ চিন্তা কৰিব পৰা শক্তি দ্ৰুততৰ কৰে। লগতে মই ৰেডবুলো গ্ৰহণ কৰিছিলোঁ। ই মানুহৰ শৰীৰত থকা ভাগৰুৱা ভাব দূৰ কৰে। তাৰ পিছত যথাসময়ত মই ৰণথলীত ৰণত অৱতীৰ্ণ কেইবাটাও ৰাউণ্ডৰ অন্তত ২৪.৮৬ ছেকেণ্ডত মোৰ গুৰু 'নোৱাহ আৰ্থাৰ'ক পৰাজিত কৰি ৰুবিক্স কিউবটো (চকুৰে নোচোৱাকৈ) সমাধান কৰি বিশ্ব চেম্পিয়নৰ খিতাপ লাভ কৰিছিলোঁ। খেল শেষ হোৱাৰ লগে লগে মোৰ গুৰু নোৱাহ আৰ্থাডে আনন্দতে মোক সাৱতি ধৰি চকুপানী টুকিছিল। মই কাহানিও ভবা নাছিলো যে এদিন মই মোৰ গুৰুক পৰাজিত কৰি এনে এক মহান প্ৰতিযোগিতাত জয়লাভ কৰিব পাৰিম। এই সকলোবোৰ সম্ভৱ হৈছে মোৰ মা-দেউতা আৰু দাদা ইন্দ্ৰনীলৰ প্ৰেৰণাত। বৰ্তমান মোৰ দাদা ইন্দ্ৰনীলে

Wemapin নামৰ এটা Android App সাজি উলিয়াইছে। ভাৰতবৰ্ষৰ লগতে বৰ্তমান বিশ্বৰ বহু দেশত ই জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। গুৰুদেৱে সেইদিনা ৰাতি আমাৰ বাবে নিশাৰ আহাৰৰ আয়োজন কৰিছিল। তেওঁৰ লগৰ সেই মুহূৰ্তবোৰ দুনাই কেতিয়াও ঘূৰি নাহে।

প্ৰতিযোগিতাৰ অন্তত আমি আশে-পাশে অলপ ফুৰা-চকাও কৰিছিলোঁ। আমাৰ হোটেলৰ কাষতে থকা ইবিৰাপুৱেৰা পাৰ্কলৈ গৈছিলোঁ। এই পাৰ্কখনক নিউ ইয়ৰ্কৰ বিখ্যাত চেণ্ট্ৰেল পাৰ্কৰ সৈতে তুলনা কৰা হয়। এই পাৰ্ক সকলোৰে বাবে মুকলি, বিনামূলীয়া আৰু কেইবাটাও সংগ্ৰহালয়ৰে সমৃদ্ধ।

পৌলিষ্টা এভিনিউ বজাৰ-সমাৰৰ বাবে অতি বিখ্যাত। সুউচ্চ অট্টালিকাৰে আবৰা এই ঠাইত কাপোৰৰ পৰা আৰম্ভ কৰি ইলেক্টনিক্সলৈ সকলো বস্তুৱেই পোৱা যায়। আনহাতে চাও পাওলোৰ ইউৰোপীয়ান এভিনিউত ব্যয়বহুল 'স্পৰ্টছ কাৰ' পোৱা যায়।

২২ জুলাই তাৰিখে আমি ছান্টোছলৈ গৈছিলোঁ। ছান্টোছ ব্ৰাজিলৰ অন্য এখন ৰাজ্য। ছান্টোছতে ফুটবল কিংবদন্তি 'পেলে'ৰ জন্ম হৈছিল। তেওঁৰ জন্মস্থানত এতিয়া এটা সংগ্ৰহালয় আছে। এই সংগ্ৰহালয়লৈ আমিও গৈছিলোঁ। পেলেৰ জীৱন পৰিক্ৰমা এই ঘৰটিতে সাঙুৰি উপস্থাপন কৰা হৈছে। তেওঁৰ জীৱনৰ বিষয়ে অষ্টম শ্ৰেণীত পঢ়া মোৰ মনত আছে। কিতাপত পঢ়া কথাবোৰ নিজ চকুৰে দেখি খুবেই আনন্দিত হৈছিলোঁ।

২৫ জুলাই তাৰিখে ৰাতিপুৱা এক স্মৰণীয় যাত্ৰাৰ সামৰণি মাৰি আমি ব্ৰাজিলৰ পৰা গুৱাহাটী অভিমুখে যাত্ৰা আৰম্ভ কৰিছিলোঁ। ২৭ জুলাই তাৰিখে ৰাতিপুৱা ১১ বজাত মোৰ অসংখ্য শুভাকাংক্ষীয়ে গুৱাহাটী বিমান কোঠত বিপুল সম্ভাষণ জনাই আদৰি আনিছিল। মোৰ যে কিমান আনন্দ লাগিছিল।

ৰুবিক্স কিউব খেলৰ জৰিয়তে ইতিমধ্যে লিমকা বুক অব ৰেকৰ্ডছত মোৰ নাম অন্তৰ্ভুক্ত হোৱাৰ পিছত লক্ষ্য আছিল গ্ৰীনিজ বুক ৰেকৰ্ডত মোৰ নাম অন্তৰ্ভুক্ত কৰা। সেই উদ্দেশ্যেই যোৱা ২৩ জানুৱাৰী ২০১৬ তাৰিখে মাদ্ৰাজ আই আই টিত অনুষ্ঠিত হৈছিল এক বৃহৎ প্ৰতিযোগিতা। তাত ৯ জনীয়া দলৰ অন্যতম সদস্য হিচাপে অংশ গ্ৰহণ কৰি গ্ৰীনিজ বুক অব ৰেকৰ্ডছত নিজৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হ'লো। তাৰ পিছত যোৱা ২৭-২৯ জুলাই তাৰিখে থাইলেণ্ডৰ ৰাজধানী বেংককত অনুষ্ঠিত হোৱা 'ৰুবিক্স কিউব থাইলেণ্ড অপেন চেম্পিয়নশ্বিপ'ত অংশগ্ৰহণ কৰি ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিলোঁ। বিগত বছৰৰ ২৮ চেপ্তেম্বৰত পৃথিৱীৰ বৃহত্তম দেশ চীনৰ ৰাজধানী বেইজিঙলৈও যোৱাৰ সোভাগ্য হৈছিল, তাত অনুষ্ঠিত হোৱা "এছিয়ান চেম্পিয়নশ্বিপ অব ৰুবিক্স কিউব"ত অংশ গ্ৰহণৰ বাবে। এছিয়া মহাদেশৰ ৯৬০ প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰা উক্ত বৃহৎ প্ৰতিযোগিতাখনত মই অংশ গ্ৰহণ কৰি ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিলো। ১০ দিন তাত থাকি চীন দেশৰ বহু ঠাই ভ্ৰমণ কৰিলো। তাৰ ভিতৰত 'গ্ৰেট ৱাল অব চাইনা' অন্যতম।

ব্যক্তিগতভাৱে লাভ কৰা এই অভিজ্ঞতাসমূহৰ পৰা ক'ব পাৰি যে জীৱনত কোনো বস্তুৱেই সৰু নহয় বা কঠিন নহয়। শ্ৰেষ্ঠত্ব পাব পাৰিলে প্ৰতিটো বস্তুৱেই মহত্ত্ব বুজিব পাৰি। সফলতাৰ বাট কাঁইটীয়া, কিন্তু এই বাট অতিক্ৰম কৰিব পাৰিলে সফল হ'ব পাৰি। যোৱা ৮ আৰু ৯জুলাই তাৰিখে "লণ্ডন অপেন অব ৰুবিক্স কিউব" অংশ গ্ৰহণৰ বাবে যোৱাৰ কথা আছিল যদি 'ভিছা'ৰ অসুবিধাৰ বাবে লণ্ডনলৈ যোৱাৰ পৰা বঞ্চিত হওঁ। ২০১৭ চনৰ নৱেম্বৰ মাহত জাৰ্মানীত অনুষ্ঠিত হ'বলগীয়া "জাৰ্মান অপেন অব ৰুবিক্স কিউব'ত অংশ গ্ৰহণৰ বাবে ইতিমধ্যে মোৰ নাম অৰ্ন্তভূক্ত কৰা হৈছে। উক্ত প্ৰতিযোগিতাৰ বাবে এতিয়াৰ পৰাই প্ৰস্তুতি চলাই আছো।

মোৰ জীৱনত প্ৰভাৱ বিস্তাৰ কৰা এগৰাকী পুৰোধা ব্যক্তি হ'ল ড° এ পি জে আব্দুল কালাম। তেওঁৰ কেইটিমান কথাই তেওঁক আমাৰ মাজত চিৰস্মৰণীয় কৰি ৰাখিব— "Dreams are not what you see in sleep but are the things which do not let you sleep আৰু It is a crime to dream small". আমি সফলতাতকৈ দক্ষতা পোৱাত বেছি মনোযোগী হ'ব লাগে। দক্ষতা আহৰণ কৰিব পাৰিলে সফলতা নিজেই প্ৰাপ্ত হ'ব। সকলো ক্ষেত্ৰতেই আশা আছে, মাথোঁ প্ৰয়োজন উদ্যমৰ। সেয়ে কথাতে কয়—'Where there is a will, there is a way." আমাৰ জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীয়ে এই সন্দৰ্ভত তেওঁৰ আত্মজীৱনী 'মোৰ সত্য অন্বেষণৰ কাহিনী'ত কৈছে যে 'জীৱনত একাগ্ৰতা থাকিলে অন্তৰৰ পৱিত্ৰ বাসনা সদায় সফল হয়। কঠিন বা কষ্টকৰ বুলি কোনো কথা নাই— অভ্যাসৰ বলত সকলো সৰল আৰু সহজ হৈ পৰে আৰু জীৱনৰ উদ্দেশ্য লক্ষ্যত উপনীত হ'ব পাৰোঁ। এটা সৰু বস্তু 'ৰুবিক্স কিউব' হাতত লৈ সাত-সাগৰ তেৰ নদী ইপাৰ-সিপাৰ কৰিলোঁ। সেইবাবে কওঁ, সফলতাৰ উৎস হ'ল "প্ৰবল ইচ্ছা শক্তি"। ◆◆

# বিষয়

## ব্যক্তি/ব্যক্তিত্ব

সমাজ ব্যৱস্থাত প্ৰতিজন ব্যক্তিয়ে একো একোটা অংগ হিচাপে স্থান দখল কৰিলেও সকলো ব্যক্তিয়ে বাস্তৱধৰ্মী চিন্তাধাৰা আৰু দূৰদৃষ্টিৰে সমৃদ্ধ গুণসমূহৰ অধিকাৰী হ'ব নোৱাৰে। যিজন ব্যক্তিয়ে এনে গুণৰ অধিকাৰী হৈ কৰ্ম-সংস্কৃতিৰ মাধ্যমেৰে সমাজলৈ অমূল্য অৱদান আগবঢ়াইছে তেওঁৱেঁই প্ৰকৃত সমাজকৰ্মী।

# মায়ং অঞ্চলৰ কেইগৰাকীমান ব্যক্তিৰ জীৱনত এভূমুকি

**দিলীপ শইকীয়া**
জ্যেষ্ঠ কাৰ্যালয় সহায়ক
মায়ং আঞ্চলিক মহাবিদ্যালয়

ব্যক্তিৰ সমষ্টিয়েই হৈছে সমাজ। প্ৰতিজন ব্যক্তিয়েই সমাজ ব্যৱস্থাৰ চালিকা শক্তি। সমাজৰ উন্নতি-অৱনতি নিৰ্ভৰ কৰে ব্যক্তিসকলৰ বাস্তৱধৰ্মী চিন্তাধাৰা আৰু দূৰদৃষ্টিৰে সমৃদ্ধ এক নিষ্ঠাবান কাৰ্য প্ৰণালীৰ ওপৰত। সৰ্বসাধাৰণৰ গ্ৰহণযোগ্য বলিষ্ঠ পদক্ষেপ, অফুৰন্ত সাহস, নেতৃত্ব দিব পৰা চাৰিত্ৰিক গুণ সমাজ উত্তৰণৰ প্ৰয়োজনীয় সমল। এই সমলবোৰেই সামাজিক মূল্যবোধৰ মাপকাঠি আৰু ইয়াৰ প্ৰসাৰতাই হৈছে বিকাশ।

সমাজ ব্যৱস্থাত প্ৰতিজন ব্যক্তিয়ে একো একোটা অংগ হিচাপে স্থান দখল কৰিলেও সকলো ব্যক্তিয়ে বাস্তৱধৰ্মী চিন্তাধাৰা আৰু দূৰদৃষ্টিৰে সমৃদ্ধ গুণসমূহৰ অধিকাৰী হ'ব নোৱাৰে। যিজন ব্যক্তিয়ে এনে গুণৰ অধিকাৰী হৈ কৰ্ম-সংস্কৃতিৰ মাধ্যমেৰে সমাজলৈ অমূল্য অৱদান আগবঢ়াইছে তেওঁৱেঁই প্ৰকৃত সমাজকৰ্মী। এনেধৰণৰ ব্যক্তিসকলে সমাজৰ তৰফৰ পৰা 'সমাজ সেৱক' উপাধি লাভ কৰিবলৈ সক্ষম হয়। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানসমূহত বিষয়বাব অলংকৃত কৰা হয়। কিছুসংখ্যকে আকৌ অতি কৌশলগতভাৱে নিজ স্বাৰ্থ পূৰণৰ হেতু বিষয়বাব আজুৰি সমাজসেৱকৰ মৰ্যাদা আদায়ৰ প্ৰয়াস কৰা দেখা যায়। মায়ং অঞ্চলত আজিও বহুসংখ্যক প্ৰকৃত সমাজসেৱক সমৰ্থনৰ অভাৱত প্ৰতাৰিত হৈ আছে। পৰৱৰ্তী সময়ত স্থান-কাল অনুসৰি সেইসকল ব্যক্তিৰ জীৱন প্ৰতিভা প্ৰচাৰৰ ব্যৱস্থা গ্ৰহণৰ বাবে সচেতন মহলৰ প্ৰতি আহ্বান থাকিল।

মায়ং খনিকৰ দিপন চন্দ্ৰ নাথ মহোদয়ে 'কালশিলা' স্মৃতিগ্ৰন্থত মায়ং অঞ্চলৰ প্ৰায়বোৰ সমাজসেৱকক সুঁৱৰি কিছু তথ্য দাঙি ধৰিছে। তেখেতৰ লিখনিৰ প্ৰাৰম্ভণিতে লিখা এটি উক্তি দাঙি ধৰাৰ প্ৰয়াস কৰিলো— মায়ং এক বৃহৎ অঞ্চল। ইয়াত অঞ্চলটোৰ বিষয়ে অতি সামান্য ৰূপত এখন প্ৰতিচ্ছবি দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে। ইমান কম পৰিসৰত সকলো দিশ সামৰাটো মুঠেই সম্ভৱ নহয়। তথ্যৰ অভাৱত কোনো অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিৰ নাম ভুলবশতঃ বৈ যাব পাৰে। তেনে ভুলৰ ক্ষমা বিচাৰি পৰৱৰ্তী সময়ত পুস্তিকা আকাৰে প্ৰকাশৰ দিহা কৰাৰ বাবে আমি প্ৰতিশ্ৰুতিবদ্ধ।)

প্ৰতিশ্ৰুতি লিখনিতে থাকি গ'ল। প্ৰতিশ্ৰুতি পূৰণৰ বাবে পাখীকলমৰ অৱসান ঘটিল, সাঁচিপাত মৰহি গ'ল। তথাপিতো ভাব হয় এই প্ৰতিশ্ৰুতিবোৰ, উচ্ছাকাংক্ষিত আশাসূধীয়া প্ৰচেষ্টাবোৰ ব'হাগৰ শিলাবৃষ্টিৰ দৰে আমাৰ সামাজিক ক্ষেত্ৰখনত সিঁচৰতি হৈ পৰিব।

সি যি কি নহওক, আমি প্ৰয়াত দিপন চন্দ্ৰ নাথ মহোদয়ৰ অপূৰ্ণ প্ৰতিশ্ৰুতি ৰক্ষাৰ্থে সামান্য জ্ঞানেৰে মায়ং অঞ্চল তথা মায়ং আঞ্চলিক মহাবিদ্যালয় প্ৰতিষ্ঠা দিনাৰে পৰা মৃত্যুৰ আগমুহূৰ্তলৈকে অৱদান আগবঢ়াই যোৱা প্ৰয়াত কিছু ব্যক্তিক স্মৰণ কৰিবলৈ প্ৰয়াস কৰিছো। অনিচ্ছাকৃতভাৱে বা তথ্যৰ অভাৱত কোনো ব্যক্তিৰ পৰিচয় দাঙি ধৰাত বাদ পৰি যাব পাৰে, তাৰ বাবে কৰযোৰে ক্ষমা প্ৰাৰ্থনা মাগিছোঁ।

**হৰিচন্দ্ৰ বৰা ঃ**

জন্মস্থান মায়ং গাঁও পঞ্চায়তৰ অন্তৰ্গত লোনমাটি গাঁৱত। মায়ং আঞ্চলিক মহাবিদ্যালয় স্থাপনৰ উদ্দেশ্যে ইং ১৮-১-১৯৮৪ তাৰিখে অনুষ্ঠিত হোৱা প্ৰথমখন সাধাৰণ সভাৰ সভাপতিৰ আসন শুৱনি কৰিছিল। পেচাত তেখেত এজন ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ত মণ্ডল আছিল। প্ৰথমে ৰহা ৰাজহ চক্ৰ কাৰ্যালয়ত পিছলৈ মৰিগাঁও ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পৰা কাননগু হিচাপে অৱসৰ গ্ৰহণ কৰে।

অঞ্চলটোৰ কোনো কোনো অনুষ্ঠান-প্ৰতিষ্ঠানৰ দায়িত্ব অৰ্পণ কৰা হৈছিল যদিও চাকৰিসূত্ৰে দূৰদূৰণিত থাকিবলগা হোৱাত একান্ত চিত্তে সহযোগিতা আগবঢ়াব পৰা নাছিল যদিও সুদিহা-পৰামৰ্শৰ অভাৱ ঘটা নাছিল। তেখেতে মৃত্যুৰ আগমুহূৰ্তলৈকে কালপুৰুষ পূৰ্ণাঙ্গ পঞ্জিকা প্ৰকাশন সমিতিৰ সদস্য হিচাপে দায়িত্ব লৈ জ্যোতিষ শাস্ত্ৰলৈ এক অৱদান আগবঢ়াই থৈ গৈছে।

**ৰসধৰ ডেকা ঃ**

সেই সময়ৰ মৰিগাঁও জিলাৰ অন্তৰ্গত কমাৰপুৰ গাঁৱৰ বালিৰাম ডেকাৰ গৃহত ১৮৯৪ চনত জন্ম হয় এইজন পুৰুধা ব্যক্তিৰ। কমাৰপুৰ গাঁওখন মায়ঙৰ পৰা দক্ষিণ দিশে প্ৰায় ৪ কিলোমিটাৰ দূৰত অৱস্থিত হ'লেও সেই গাঁৱৰ ব্যক্তিসকলে মায়ং অঞ্চলৰ ব্যক্তিৰ লগত মাৰবান্ধি কাম কৰিছিল। মায়ং অঞ্চলত গঢ় লৈ উঠা অনুষ্ঠান-প্ৰতিষ্ঠানসমূহত ৰসধৰ ডেকাই অগ্ৰণী ভূমিকা পালন কৰিছিল। তেখেতৰ জীৱিকা গাঁওবুঢ়া হিচাপে আছিল যদিও সমাজ সংগঠনৰ দিশতহে অধিক গুৰুত্ব প্ৰদান কৰিছিল।

১৯৬৫ চনৰ পৰা ১৯৭২ চনলৈ তেতিয়াৰ মায়ং হাইস্কুলৰ পৰিচালনা সমিতিৰ সভাপতিৰ আসন দখল কৰি কাললৈ খ্যাতি ৰাখি থৈ গৈছে। ১৯৭১ চনত গঠন হোৱা পবিতৰা সংৰক্ষণ সমিতিৰ সভাপতি হিচাপে দায়িত্ব লৈ ১৯৭৮ চনলৈ কাৰ্যনিৰ্বাহ কৰি মায়ং অঞ্চললৈ এক গৌৰৱ কঢ়িয়াই আনে। এইজন পুৰুধা ব্যক্তিয়ে মায়ং আঞ্চলিক মহাবিদ্যালয় স্থাপনৰ ক্ষেত্ৰত যথেষ্ট দিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতা আগবঢ়াইছিল। অৱশেষত ১৯৯৭ চনৰ ২৭ অক্টোবৰ তাৰিখে ১০৩ বছৰ বয়সত আমাক সকলোকে কন্দুৱাই ইহলীলা সম্বৰণ কৰে।

**ৰঘুবৰ নাথ ঃ**

ৰঘুবৰ নাথ ওৰফে ৰঘুবৰ মাহাজন এটি চিৰপৰিচিত নাম। আনুমানিক ১৯০৭ চনত ৰজামায়ং গাঁৱত এইজন ব্যক্তিৰ জন্ম। এইজনা ব্যক্তিয়ে মায়ং অঞ্চলত স্থানীয়ভাৱে উৎপাদিত মাহ, সৰিয়হ, মৰাপাট আৰু ধান আদিৰ ব্যৱসায় কৰিছিল। টকা-পইচাৰ লগত লেনদেন চলি থাকে বাবে এখেতক হয়তো মহাজন উপাধি প্ৰদান কৰা হৈছিল।

সঁচাকৈয়ে তেখেত মাহাজন। ১৯৮৪ চনতে প্ৰস্তাৱিত মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ যাৱতীয় কাম-কাজ পৰিচালনাৰ বাবে ৫ টকা অনুদান হিচাপে আগবঢ়াইছিল। যিটো সেই সময়ত মূল্যবান আছিল। মায়ং আঞ্চলিক মহাবিদ্যালয় পৰিচালনাৰ ক্ষেত্ৰত গঠনমূলক দিহা-পৰামৰ্শ আগবঢ়োৱাৰ উপৰি মায়ং দ্বি-সাপ্তাহিক বজাৰৰ প্ৰতিষ্ঠাপক সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তাৰোপৰি ৰজামায়ং বালিকা প্ৰাথমিক বিদ্যালয় স্থাপনৰ ভূমিদাতা হিচাপে স্মৰণ কৰিবলৈ ৰজামায়ংবাসীয়ে আজিও পাহৰা নাই। সামাজিক জীৱনৰ কৰ্মব্যস্ততাৰ ওৰ পেলাই যোৱা ইং ১৯৮৭ চনৰ ১১

ছেপ্টেম্বৰ, ভাদ মাহৰ ২৯ তাৰিখে এই মহান ব্যক্তিজনৰ দেহাৱসান ঘটে।

**হৰিচন্দ্ৰ গগৈ ঃ**

জনপ্ৰিয় নাম হৰি গগৈ। জন্ম ১৯০২ চনত, ৰজামায়ং গাঁৱৰ ৰজা চকীৰ শিৰৰাম গগৈৰ ঘৰত। এখেতে মায়ং আঞ্চলিক মহাবিদ্যালয় স্থাপনৰ ক্ষেত্ৰত বিশেষভাৱে জড়িত নাছিল যদিও অঞ্চলৰ আৰ্থসামাজিক উন্নয়নৰ দিশত আগবঢ়োৱা অৱদান চিৰস্মৰণীয়।

শ্ৰদ্ধাৰ গগৈদেৱে ১৪৪ নং মায়ং প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ হিচাপে অধ্যয়ন কৰি শিক্ষাগত অৰ্হতা অৰ্জনেৰে পুনৰ উক্ত বিদ্যালয়খনতে শিক্ষক হিচাপে নিযুক্তি লাভ কৰি ১৯৫৭ চনত অৱসৰ গ্ৰহণ কৰে।

১৯৩৭-৩৮ চনত প্ৰথমবাৰৰ বাবে মায়ঙত এম. ই. স্কুল স্থাপন কৰিবলৈ আগবাঢ়ি অহা ব্যক্তিসকলৰ ভিতৰত গগৈদেৱ আছিল অন্যতম শুভাকাংক্ষী। বহু আশাৰে বিদ্যালয়খন স্থাপন কৰিছিল যদিও অৰ্থনৈতিক অনাটনৰ বাবে দীৰ্ঘস্থায়ী নহ'ল। তথাপিতো মন ভাগি পৰা নাছিল। ভাৰতৰ স্বাধীনতা আন্দোলনতো সক্ৰিয় ভূমিকা পালন কৰিছিল। ভাৰতৰ মুক্তি সংগ্ৰামত অগ্ৰণী ভূমিকা পালন কৰাৰ বাবে মৰিগাঁও জিলাৰ তদানীন্তন উপায়ুক্ত জীৱন চন্দ্ৰ পেগু মহোদয়ে প্ৰদান কৰা মানপত্ৰ আজিও চ'ৰাঘৰত জিলিকি আছে।

তাহানিৰ মায়ং Rural Panchayat ৰ দুবছৰ কাল সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। নতুনকৈ গঠিত মায়ং গাঁও পঞ্চায়তৰো দুবছৰ কাল সভাপতি হিচাপে মনোনীত হৈছিল। তেখেতে দান কৰি থৈ যোৱা ভূমিতে বৰ্তমান খোৱাপানী যোগান আঁচনিৰ এটি প্ৰকল্প দেখিবলৈ পোৱা যায়। ৰজামায়ংবাসীয়ে তেখেতৰ নাম যুগমীয়া কৰি ৰাখিবলৈ হৰি গগৈ নামেৰে এখন প্ৰাথমিক বিদ্যালয় স্থাপন কৰে। ভূমিদাতা হিচাপে খ্যাত এইজন ব্যক্তিৰ ইং ৬-৬-১৯৭৮ চনত পৰলোকপ্ৰাপ্তি হয়।

ভূমিদাতাৰ ষষ্ঠ পুত্ৰ ভুবনেশ্বৰ গগৈ যাক আমি ভূমি গগৈ হিচাপে চিনি পাওঁ। ভূমি গগৈদেৱে মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ নিৰ্মাণত Indoor Stadium ৰ বাবে মাটি অকুলন হোৱাত প্ৰায় আধা বিঘা মাটি অকপটে দান কৰে। মায়ং আঞ্চলিক মহাবিদ্যালয় পৰিচালনা সমিতিয়ে ভূমি গগৈৰ পিতৃ হৰি গগৈক স্মৰণৰ সুবিধাৰ্থে বিশেষ ব্যৱস্থাৰ চিন্তাচৰ্চা কৰি আছে।

**ৰতিকান্ত শইকীয়া ঃ**

১৯২৬ চনৰ ২৭ জানুৱাৰী তাৰিখ বৃহস্পতিবাৰে এইজন সমাজকৰ্মীৰ জন্ম হৈছিল লোনমাটি গাঁৱত। তাহানিৰ মায়ং এম. ই. স্কুলত ১৯৪২ চনতে সহকাৰী শিক্ষক হিচাপে নিযুক্তি লাভ কৰি ১৯৯১ চনৰ ১৮ ডিচেম্বৰ তাৰিখে অৱসৰ গ্ৰহণ কৰে। সামাজিকভাৱে দায়বদ্ধ এইজন শিক্ষাগুৰুৱে ১৯৬০ চনত স্থাপন কৰা মায়ং হাইস্কুলৰো প্ৰতিষ্ঠাপক সম্পাদক হিচাপে দায়িত্ব লৈ ১৯৬৪ চনলৈ কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৬২ চনত গঠন হোৱা মায়ং হিতসাধিনী ফিচাৰী ছ'চাইটিখনৰ প্ৰতিষ্ঠাপক সহকাৰী সম্পাদক হিচাপে দায়িত্ব অৰ্পণ কৰা হৈছিল। পিছলৈ এই ছ'চাইটিখন দুভাগত বিভক্ত হৈ এটা ভাগ মায়ং কৃষি সমবায় সমিতি হিচাপে নামকৰণ কৰা হয়। নৱগঠিত এই সমিতিখনৰো সভাপতিৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। মায়ং অঞ্চলৰ আৰ্থসামাজিক দিশ সবল কৰাৰ কাৰণে গঠন হোৱা প্ৰায়বোৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ মুখ্য বিষয়বাবৰ দায়িত্ব বহন কৰিছিল এইজনা পুৰুধা ব্যক্তিয়ে।

সাহিত্য-সংস্কৃতিৰ দিশতো পিছপৰি থকাবিধৰ লোক নাছিল। ১৯৮৩ চনত গঠন হোৱা মায়ং আঞ্চলিক শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে দায়িত্ব লোৱাৰ উপৰি মৃত্যুৰ সময়লৈকে অসম সাহিত্য সভাৰ আজীৱন সদস্য হিচাপে স্থান দখল কৰি মায়ং অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনে।

জীৱনৰ বিয়লি বেলাত মায়ং আঞ্চলিক মহাবিদ্যালয় স্থাপনৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাইছিল। ১৯৯২ চনত স্থাপিত মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ উপ-সভাপতি পদৰ দায়িত্ব লৈ বিভিন্ন গঠনমূলক দিহা-পৰামৰ্শ প্ৰদান কৰি মহাবিদ্যালয়ৰ অগ্ৰগতিত আগবঢ়োৱা অৱদান চিৰস্মৰণীয়। অৱশেষত ২০০৯ চনৰ ১২ জুলাই তাৰিখে সকলো গুণাৱলী, কৰ্মৰাজি, ব্যক্তিত্ব আৰু আদৰ্শক পৰিহাৰ কৰি স্বৰ্গগামী হয়।

**তৰুণ কেলেং ঃ**

বুঢ়ামায়ং গাঁৱত এটি মধ্যবিত্ত পৰিয়ালত ইং ১৯৩০ চনত (আনুমানিক) জন্মগ্ৰহণ কৰে তৰুণ কেলেং ডাঙৰীয়াই। তেখেতৰ কৃষিকৰ্মই আছিল প্ৰধান জীৱিকা। কৃষিকৰ্মত জড়িত থাকি পৰিয়াল পোহপাল দিয়াৰ উপৰি বুঢ়ামায়ং গাঁৱৰ জনজাতীয় কলাকৃষ্টি বৰ্তাই ৰখাত যথেষ্ট অৱদান

আগবঢ়াইছিল। তেখেত মায়ং অঞ্চলৰ এজন সুদক্ষ কালিবাদক।

মায়ং আঞ্চলিক মহাবিদ্যালয় পৰিচালনা সমিতিৰ কাৰ্যকৰী সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰি অঞ্চলটোৰ লগতে মহাবিদ্যালয়খনৰ যি উন্নতি সাধন কৰিলে তাক আমি কোনোদিনেই পাহৰিব নোৱাৰো। সময়ৰ আকুল আহ্বানত ইং ২০০২ চনৰ ৬ ডিচেম্বৰ তাৰিখে আমাৰ মাজৰ পৰা চিৰবিদায় মাগে।

**বীৰেন ডেকা ঃ**

১৯৫০ চনত বৰদিয়া গাঁৱত জন্ম শ্ৰদ্ধাৰ বীৰেন ডেকাৰ। শিক্ষকতা বৃত্তিয়েই যাৰ জীৱন। প্ৰথমে ১৯৬৭ চনত বৰমুৰি প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা আৰম্ভ কৰি পিছলৈ লোনমাটি প্ৰাথমিক বিদ্যালয়ত, ৰজামায়ং বালিকা প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষক হিচাপে আৰু শেষত বৰদিয়া কছাৰী গাঁও প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰিছিল। শাৰীৰিকভাৱে অসুস্থতাৰ বাবে ৫ বছৰকাল চাকৰি বয়স বাকী থাকোতেই ২০১২ চনত স্বেচ্ছামূলক অৱসৰ গ্ৰহণ কৰে।

শিক্ষকতাৰ দৰে এটা সন্মানীয় পদত নিয়োজিত থাকিও সামাজিক কামকাজত বিশেষভাৱে জড়িত আছিল। বৰদিয়া বাপুজী এম. ই. স্কুলৰ প্ৰতিষ্ঠাপক সভাপতি আৰু লোকপ্ৰিয় জি এন বি হাইস্কুলৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰি মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ কাৰ্যকৰী সদস্য হিচাপে ২০০৯ চনলৈ দায়িত্ব পালন কৰিছিল। অৱশেষত ২০১৩ চনৰ মে' মাহৰ ৩০ তাৰিখে ইহলীলা ত্যাগ কৰে।

**ঘনকান্ত নাথ (কেমন) ঃ**

ৰজামায়ং গাঁৱৰ এজন সৰবৰহী ব্যক্তি ঘনকান্ত নাথ (কেমন)ৰ জন্ম ১৯৪৮ চনৰ ৪ জানুৱাৰী তাৰিখে। তেখেতে ১৯৮২ চনত ধিপুজী জান প্ৰাথমিক বিদ্যালয়ত শিক্ষক হিচাপে সেৱা আগবঢ়াইছিল। চাকৰিকাল অন্ত পৰাৰ আগতেই তেওঁ মৃত্যুক সাৱটি ল'বলগা হয়।

ৰজামায়ং মাজখেল পৰিচালনা সমিতিৰ কেইবাবছৰো সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি সমাজত এক আমূল পৰিবৰ্তন ঘটাইছিল। তাৰোপৰি যাত্ৰাপাৰ্টিৰ লগত বিশেষভাৱে জড়িত হৈ সুদক্ষ আৰু বলিষ্ঠ অভিনয়েৰে দৰ্শকৰ মন জয় কৰিব পাৰিছিল। মায়ং আঞ্চলিক মহাবিদ্যালয় পৰিচালনা সমিতিৰ কাৰ্যকৰী সদস্য হিচাপে ২০০৪ চনলৈ কাৰ্যনিৰ্বাহ কৰি ২১-০৯-২০০৮ চনত অকাল মৃত্যুক সাৱটি ল'বলগা হয়।

**বেঠাৰাম শইকীয়া ঃ**

হাতিগড় কুছিয়ানী নামৰ এখন সৰু গাঁও। তাতে জন্ম হয় ১৯৪২ চনৰ ২৩ ছেপ্টেম্বৰ তাৰিখে বেঠাৰাম শইকীয়াৰ। গাঁৱতে হওক বা অঞ্চলতে হওক সামাজিক প্ৰেক্ষাপটত এইজনাৰ অৱদান অপৰিসীম। উচ্চশিক্ষিত নহ'লেও তেখেতৰ পৰামৰ্শ আৰু সহায়-সহযোগিতা প্ৰতিটো ক্ষেত্ৰতে প্ৰশংসনীয়। মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ কাৰ্যকৰী সদস্য হিচাপে দায়িত্ব লৈ মহাবিদ্যালয়ৰ চতুৰ্দিশ উন্নয়নত যি দিহা-পৰামৰ্শ আগবঢ়াইছিল তাক আমি পাহৰিব নোৱাৰো। তেখেতে কাৰ্যকৰী সদস্য পদৰ পৰা অব্যাহতি লোৱাৰ পিছত মহাবিদ্যালয়ৰ কৰ্মচাৰীসকলৰ আসনৰ সুব্যৱস্থাৰ বাবে এখনি আৰামী কাঠৰ দীঘল বেঞ্চ দান কৰিছিল। যিখন বেঞ্চত আজিও আমি দুখ-ভাগৰ উপশম ঘটাবলৈ বিশ্ৰাম লওঁ। এখেত যোৱা ইং ২১-৯-২০০১ তাৰিখে স্বৰ্গগামী হোৱাত আমি দুখ অনুভৱ কৰিছো।

**মূলেশ্বৰ নাথ ঃ**

সামাজিকভাৱে দায়বদ্ধ এইজন ব্যক্তিৰ জন্ম ৰজামায়ং গাঁৱত। মহাবিদ্যালয়ৰ নিকটৱৰ্তী হোৱাৰ লগতে পৰিচালনা সমিতিৰ কাৰ্যকৰী সদস্য হিচাপে যিখিনি সহায়-সহযোগিতা আৰু সু-দিহা, পৰামৰ্শ আগবঢ়াইছিল তাৰ বাবে চিৰকৃতজ্ঞ হৈ ৰ'লো। পিছলৈ মূৰবড়ী গাঁৱত স্থায়ীভাৱে বসবাস কৰিব লোৱাত মহাবিদ্যালয়ৰ সন্মুখেৰে অহাযোৱা কৰাত যিকোনো সময়তে চৌদিশ নিৰীক্ষণ কৰি তদাৰকী ব্যৱস্থা গ্ৰহণ কৰিছিল।

**ধনসিং তামুলী ঃ**

বুঢ়ামায়ং গাঁৱৰ সৰবৰহী ব্যক্তিসকলৰ ভিতৰত তিমুংদেৱ অন্যতম। ১৯৩৬ চনত জন্মগ্ৰহণ কৰা এইগৰাকী ব্যক্তিয়ে কামৰূপ জিলাৰ ক্ষেত্ৰী এল পি স্কুল, এম ভি স্কুল পাছ কৰি মিকিৰ পাহাৰ জিলা (কাৰ্বি আংলং)ৰ ডিফু হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়।

প্ৰথমে ১৯৬৩ চনত টুমপ্ৰেং এল পি স্কুলত সহকাৰী শিক্ষক হিচাপে চাকৰি জীৱনৰ পাতনি মেলে। পিছলৈ ১৯৭৫ চনত প্ৰাইমাৰী বেচিক ট্ৰেইনিং পাছ কৰি কাৰ্বি আংলং জিলাৰ আমগুৰি প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। একে সময়তে তেখেতে মিকিৰ পাহাৰ জিলাৰ প্ৰাইমাৰী বিদ্যালয় শিক্ষক সন্থাৰ প্ৰধান সম্পাদক হিচাপে

কাৰ্যনিৰ্বাহ কৰি ইং ১৯৭৮ চনত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল।

সঁচাকৈয়ে তামুলী মহোদয় মায়ং অঞ্চলৰ বাবে গৌৰৱৰ পাত্ৰ। যিটো সময়ত সমনীয়াবোৰে পঢ়া-লিখা বাদ দি অলৌ-তলৌকৈ ঘূৰি ফুৰিছিল তেনে সময়ত এইজনাই বহিঃজিলাত শিক্ষকতাৰ দৰে মহান দায়িত্ব পালন কৰি সংগঠনৰো মুখ্য ভূমিকা গ্ৰহণ কৰি সমাজসেৱা আগবঢ়াইছিল। অৱসৰ গ্ৰহণৰ পিছত নিজ গাঁৱলৈ ঘূৰি আহি মৌনভাৱে হাত সাৱতি বহি থকা নাছিল। গাঁওখনৰ জনজাতীয় লোকসকলৰ ক্ৰমবৰ্দ্ধমান সামাজিক পৰিবৰ্তনৰ নীতি বচন শিকাইছিল।

শিক্ষক হিচাপে শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য সঠিকভাৱে অনুধাৱন কৰিছিল। উত্তৰ পুৰুষক উচ্চশিক্ষাৰে শিক্ষিত কৰি তুলিবলৈ প্ৰাথমিক বিদ্যালয়, মজলীয়া বিদ্যালয় আনকি উচ্চ ইংৰাজী বিদ্যালয় স্থাপনৰ ক্ষেত্ৰতো নেতৃত্ব বহন কৰিছিল। তেখেতৰ নেতৃত্বতে বুঢ়ামায়ং জনজাতীয় হাইস্কুল স্থাপন হোৱা বুলি ক'লে হয়তো বঢ়াই কোৱা নহ'ব।

মোৰ জীৱনৰ কৰ্মসংস্থাপনৰ প্ৰথম নায়ক আছিল তিমুং মহোদয়। ১৯৯৩ চনত বি এ পৰীক্ষা দি ঘৰলৈ আহিছো মাত্ৰ। এদিনৰ পিছতে তেখেতে ৰাতিপুৱাই মোৰ ঘৰত উপস্থিত। তাৰ আগলৈকে তেখেতৰ লগত মোৰ কোনো চিনাকি নাছিল। বহুদিনৰ পৰিচিত ব্যক্তিৰ দৰে পোনপটীয়াকৈ মোৰ শিক্ষাৰ বিষয়ে বুজ ল'লে আৰু সেই মুহূৰ্ততে এখন আবেদন লিখি নথিপত্ৰখিনি গাঁথি দিব ক'লে। মই হতবাক। উপায়বিহীন হৈ আবেদনখন হাতত তুলি দিয়াৰ পিছত তেখেতে কৈছিল— 'তোমাক বুঢ়ামায়ং জনজাতীয় হাইস্কুলৰ প্ৰথমজন শিক্ষক হিচাপে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিম। গতিকে দুই-এদিনতে কাৰ্যকৰী সভা মাতা হ'ব তাত তুমি উপস্থিত থাকিবা।' যথাসময়ত কথামতেই কাম সমাধা হ'ল। এইয়াই হ'ল জীৱৰ প্ৰতি থকা জীৱৰ প্ৰেম, আন্তৰিকতা।

আৰ্থিক অভাৱ-অনাটনে মানুহৰ জীৱনলৈ অমানিশা নমাই আনে। দুখ-দৰিদ্ৰতাৰ কবলত পৰি প্ৰতিভা বিকাশৰ পথ ৰুদ্ধ হৈ পৰিল। সমাজৰ বাবে জীৱন উছৰ্গা কৰি পৰিয়ালৰ বাবে আনসকলৰ দৰে একো কৰিব নোৱাৰিলে। অৱশেষত সকলো আশা-আকাংক্ষা ধূলিসাৎ কৰি ইং ২০০৬ চনৰ ২৯ জুন তাৰিখে আমাৰ মাজৰ পৰা হেৰাই গ'ল।

**তযুৰাম ওজা ঃ**

মায়ং গাঁও পঞ্চায়তৰ অন্তৰ্গত ঔগুৰি গাঁৱত ১৯২৫ চনত জন্ম ওজাদেৱৰ। জীৱন নিৰ্বাহৰ প্ৰধান উপায় কৃষি হ'লেও সমাজ সংগঠক হিচাপে চিনাকি বহু পুৰণি। কামৰূপ জিলাৰ কুৰুৱা নামে গাঁৱৰ সৰ্বজনবিদিত ধৰ্মীয় গুৰু সোণাৰাম তালুকদাৰৰ প্ৰধান ভক্ত হিচাপে ল'ৰালিকালৰ পৰাই পৰিচালিত হৈ আহিছিল। অঞ্চলটোৰ ভিতৰত এইজনা গুৰুৰ ছত্ৰছায়াত পৰিচালিত ভক্তসকলৰ মাজত ওজাদেও আছিল অধিনায়ক। ধৰ্মীয় ৰীতি-নীতিৰ অধীনত সামাজিক আচৰণৰ ভূমিকা অতি তাৎপৰ্যপূৰ্ণ। ধৰ্মীয় নীতি-নিয়ম অক্ষুণ্ণ ৰাখিবলৈ সামাজিকভাৱে ঐক্যবদ্ধ প্ৰচেষ্টা বিশেষভাৱে প্ৰয়োজন। ওজাদেও এনে কিছু গুণৰ অধিকাৰী যাৰ প্ৰভাৱত মায়ং অঞ্চলৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰ ভক্তসকলৰ শ্ৰদ্ধা বুটলিবলৈ সক্ষম হৈছিল। গুৰু সোণাৰাম তালুকদাৰদেৱৰ মৃত্যুৰ পিছত সতীভেটি গাঁৱত গুৰুজনাৰ স্মৃতি চিৰযুগমীয়া কৰাৰ লক্ষ্যৰে ওজাদেৱৰ নেতৃত্বত এখনি আটকধুনীয়া আৰু পৰাণ জুৰাই যোৱা 'সোণাৰাম সেৱা আশ্ৰম' নামে ধৰ্মীয় অনুষ্ঠানৰ জন্ম হয়। মৃত্যুৰ আগমুহূৰ্তলৈকে ওজাদেৱে সেৱা আশ্ৰম পৰিচালনা সমিতিৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

মায়ং অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ পৰিচালনাৰ ক্ষেত্ৰত ওজাদেৱৰ সঁহাৰি অস্বীকাৰ কৰিব নোৱাৰি। ৯১ বছৰ বয়সত ২০১৬ চনৰ ১৭ নৱেম্বৰ তাৰিখে সকলো মায়াজালৰ বান্ধোন কাতি কৰি ইহসংসাৰ ত্যাগ কৰে।

**ৰমেশ চন্দ্ৰ নাথ ঃ**

ৰমেশ চন্দ্ৰ নাথ ছাৰৰ জন্ম ৰজামায়ং গাঁৱত ইং ১৯৪৭ চনৰ ১ জুন তাৰিখে। দেখাত ক্ষীণ চেহেৰাৰ হ'লেও বুদ্ধিমত্তা, সাহিত্য-সংস্কৃতিৰ প্ৰতি থকা একাগ্ৰতা আৰু সামাজিক সচেতনতাবোধ মন কৰিবলগীয়া। মায়ং উচ্চ মাধ্যমিক বিদ্যালয় (পিছলৈ মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়) সহকাৰী শিক্ষক হিচাপে মহান দায়িত্ব পালন কৰি ইং ২০০৬ চনৰ ৩১ মে' তাৰিখে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে।

এজন সুদক্ষ শিক্ষক হিচাপে বিদ্যালয়ত পাঠদান কৰাৰ উপৰি সাহিত্য-সংস্কৃতিৰ পথাৰখনলৈ অৱদান আগবঢ়াইছিল। তেখেতৰ হাতৰ পৰশত 'মন সাগৰৰ ঢৌ' নামৰ এখনি কবিতাপুথি, গল্পপুথি 'মায়া ৰাজ্য মায়ঙৰ কাহিনী' আৰু এখনি একাংকিকা নাট 'মন্জিল' সৃষ্টি হৈছিল।

মায়ং আঞ্চলিক মহাবিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত নাথ ছাৰৰ অৱদান উল্লেখনীয়। তেখেতে মায়ং আঞ্চলিক উন্নয়ন সমিতিৰ সম্পাদক হিচাপে আৰু মায়ং দ্বি-সাপ্তাহিক বজাৰ

পৰিচালনা সমিতিৰো সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

সময়ৰ আকুল আহ্বান আৰু শাৰীৰিক অসুস্থতাত ভুগি ৬৭ বছৰ ৫ মাহ ১৪ দিন বয়সত ইং ২০১৫ চনৰ ৩০ মে' তাৰিখে আমাৰ মাজৰ পৰা চিৰবিদায় লয়।

**ৰুদ্ৰেশ্বৰ বৰুৱা ঃ**

১৯৪০ চনৰ ১ এপ্ৰিল তাৰিখে লোনমাটি গাঁৱত জন্মগ্ৰহণ কৰে ৰুদ্ৰেশ্বৰ নামে এই ব্যক্তিজন। অৱশ্যে তেখেতক বাচি মণ্ডল হিচাপেহে অঞ্চলৰ জনসাধাৰণে চিনি পায়। বৰ্তমান তেখেতৰ ভাৰ্যা-পুত্ৰ, বোৱাৰীসহ বুঢ়ামায়ং গাঁৱৰ স্থায়ী বাসিন্দা যদিও প্ৰকৃত জন্মস্থান লোনমাটি গাঁও।

জীৱিকা নিৰ্বাহৰ প্ৰধান উৎস অসম চৰকাৰৰ ৰাজহ বিভাগৰ লাট মণ্ডল। চাকৰিসূত্ৰে প্ৰথমে তেখেতে হাজো ৰাজহ চক্ৰ, পিছলৈ চামগুৰি ৰাজহ চক্ৰ, মিকিৰভেটা ৰাজহ চক্ৰ আৰু শেষলৈ মায়ং ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত কাম কৰিছিল। অৱশেষত ৩১-৩০-১৯৯৮ চনত মায়ং ৰাজহ চক্ৰৰ পৰা চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিবলগা হয়।

পেচাত লাট মণ্ডল হিচাপে অসম চৰকাৰৰ ৰাজহ বিভাগলৈ সেৱা আগবঢ়াই আছিল যদিও অঞ্চলৰ সামাজিক ক্ষেত্ৰখনলৈ যোগদান ধৰা অৱদান নুই কৰিব নোৱাৰি। মায়ং আঞ্চলিক মহাবিদ্যালয় স্থাপনৰ বাবে ভূমি আবন্টনৰ ক্ষেত্ৰত আগবঢ়োৱা দিহা-পৰামৰ্শ, সহায়-সহযোগিতা চিৰস্মৰণীয়। সামাজিকভাৱে দায়বদ্ধ এইজন ব্যক্তিৰ ৭৬ বছৰ বয়সত ইং ১৩-০১-২০১৬ চনত পৰলোকপ্ৰাপ্তি ঘটে।

**ধীৰেন নাথ ঃ**

ধৰ্মপৰায়ণ একান্ত প্ৰভুভক্ত ধীৰেন নাথ মহোদয়ৰ জন্মস্থান ৰজামায়ং গাঁৱত। ঈশ্বৰ সেৱাৰ লগতে সামাজিক সচেতনতাবোধ শৰীৰৰ ৰন্ধ্ৰে ৰন্ধ্ৰে সিঁচৰতি। উচ্চশিক্ষাৰে শিক্ষিত নহ'লেও এখন সমাজত নেতৃত্ব দিব পৰা গুণৰ অধিকাৰী এইজন ব্যক্তি। মায়ং আঞ্চলিক মহাবিদ্যালয় পৰিচালনা সমিতিৰ কাৰ্যকৰী এজন সক্ৰিয় সদস্য আছিল নাথদেৱ। কাৰ্যকৰী সদস্য হিচাপে ৰজামায়ং গাঁৱৰ হৈ প্ৰতিনিধিত্ব কৰি মহাবিদ্যালয়খনৰ লগতে অঞ্চলৰ শৈক্ষিক দিশৰ উন্নতিৰ বাবে যি মহান অৱদান আগবঢ়াইছিল সেয়া স্বীকাৰ কৰিবলৈ আমি কুণ্ঠাবোধ কৰিব নোৱাৰো। গাঁৱলীয়া পৰিবেশত থাকি সামাজিক ৰীতি-নীতি, আচৰণ-বিধি ক্ষেত্ৰত থকা সচেতনতা প্ৰশংসনীয়।

**ৰুস্তম আলী ঃ**

মায়ং আঞ্চলিক মহাবিদ্যালয় প্ৰতিষ্ঠা দিনৰে পৰা পকৰীয়া মৌজাক প্ৰতিনিধিত্ব কৰা মহাবিদ্যালয় পৰিচালনা সমিতিৰ এজন সদস্য। জীৱিকা নিৰ্বাহৰ একমাত্ৰ উৎস শিক্ষকতা হিচাপে কাম কৰিলেও সামাজিক দায়বদ্ধতাৰ পৰা আঁতৰি থাকিব পৰা নাছিল। শাৰীৰিকভাৱে অসুস্থ হ'লেও কৰ্মক্ষেত্ৰৰ দায়িত্ব পালন কৰি সভা-সমিতিসমূহত স্থানীয় লোকৰ উপস্থিতিৰ আগতেই নিৰ্দ্ধাৰিত সময়ত উপস্থিত থাকি আমাক যি উৎসাহ-উদ্দীপনা যোগাইছিল তাৰ উদাহৰণ বৰ্তমান বিৰল।

**আব্দুছ ছাত্তাৰ ঃ**

ছাত্তাৰ মহোদয়ক চিনি পাবলৈ বেছি কঠিন নহয়। তেখেতে পৰিধান কৰা কুৰ্তা-পাঞ্জাবী আৰু শিৰত ব্যৱহৃত ইছলামিক ধৰ্মীয় টুপিটোৱেই তেখেতৰ পৰিচয়। তেখেত বৰবড়ী এম ই স্কুলৰ এজন সৎ আৰু নিষ্ঠাবান প্ৰধান শিক্ষক আছিল। ছাত্তাৰ মহোদয় সময়ৰ মূল্যবোধ থকা এজন দায়িত্বশীল ব্যক্তি। মায়ং আঞ্চলিক মহাবিদ্যালয় পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাৰ এজন সক্ৰিয় সদস্য হিচাপে বহু বছৰ কাৰ্যনিৰ্বাহ কৰিছিল। বৰষুণ, বানপানী তেখেতৰ বাবে কোনো বাৰক নহয়। সভা-সমিতিৰ খবৰ পালেই লুঙিখন (তিয়নী হিচাপে) টোপোলা বান্ধি নিৰ্দ্ধাৰিত সময়ৰ আগতেই যথাস্থানত উপস্থিত হৈছিল।

দুৰ্নীতি আৰু অপশক্তিৰ বিৰুদ্ধে যুঁজ দিব পৰা ক্ষমতা ছাত্তাৰ ছাৰৰ হাতৰ মুঠিত। মৰিগাঁও জিলাৰ সকলো কৰ্মচাৰীয়ে তেখেতৰ বিষয়ে অৱগত। ধনৰ লেনদেন কৰি কোনো চৰকাৰী কামকাজত আগবঢ়া নাছিল। প্ৰয়োজন সাপেক্ষে এটা কামৰ বাবে তিনি-চাৰি দিন কৰি তথাপিতো বিনিময় প্ৰথাৰ পৰা বিৰত থাকি চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰিলে। ধন্য ছাত্তাৰ ছাৰ, বেছিকৈ নহলেও অন্ততঃ ২০% লোকে যদি আপোনাৰ লগত সহযোগ কৰিলেহেঁতেন তেন্তে দেশখনক কিছু পৰিমাণে হ'লেও দুৰ্নীতিৰ পৰা মুক্ত কৰিব পৰা গ'লহেঁতেন।

তেখেত বৰ্তমানে আমাৰ মাজত জীয়াই আছে। সেয়ে আমি আপোনাক আহ্বান জনাইছো— আপোনাৰ বাস্তৱধৰ্মী চিন্তাধাৰা, দূৰদৃষ্টিসম্পন্ন ব্যক্তিত্ব আদৰ্শৰে উত্তৰ পুৰুষক প্ৰেৰণা যোগাওক যাতে আপোনাৰ হাতত হাত ধৰি সামাজিক পৰিবৰ্তনৰ পথ প্ৰশস্ত কৰিব পাৰি।

**দিপন চন্দ্ৰ নাথ ঃ**

মায়ং খনিকৰ দিপন চন্দ্ৰ নাথ যিজন নিজেই একো একোটা অনুষ্ঠান। ১৯৩৫ চনৰ ১ অক্টোবৰ তাৰিখে ৰজামায়ং গাঁৱত জন্মগ্ৰহণ কৰি গাঁওখনৰ বাবে এক গৌৰৱ কঢ়িয়াই আনিছিল। সামাজিক কাম-কাজৰ হিচাপৰ খতিয়ান আমাৰ দৰে অভাজনৰ বিশ্লেষণ কৰাৰ সাধ্য নাই। তথাপিতো ক্ষুদ্ৰ জ্ঞানেৰে থূলমূলকৈ কিছু আভাস দাঙি ধৰিবলৈ প্ৰয়াস কৰিছো।

১৯৪৯ চনত ১৪৪ নং মায়ং প্ৰাথমিক বিদ্যালয়ত শিক্ষকতাৰ পাতনি মেলি ১৯৯৩ চনত হাতীমূৰীয়া প্ৰাথমিক বিদ্যালয়ৰ পৰা চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। এইজন মহান ব্যক্তি শিক্ষক শব্দ অৰ্থৰ সকলো গুণৰ অধিকাৰী আছিল।

মায়ং অঞ্চলত উচ্চশিক্ষাৰ এটি অনুষ্ঠান স্থাপনৰ উদ্দেশ্যে গুণ-জ্ঞানি আৰু দূৰদৰ্শী মহান ব্যক্তিসকলৰ শুভবুদ্ধিৰ উদয় হ'ল। বিভিন্ন আলোচা-বিলোচনাৰ অন্তত মায়ঙত এখন উচ্চশিক্ষাৰ অনুষ্ঠান মহাবিদ্যালয় স্থাপনৰ পোষকতা কৰি ১৯৮৪ চনৰ ১৮ জানুৱাৰী তাৰিখে এখনি সাধাৰণ সভা আহ্বান কৰা হ'ল। মহাবিদ্যালয় পৰিচালনা সমিতি এখনো গঠন কৰা হ'ল। উক্ত সমিতিৰ সম্পাদক হিচাপে শ্ৰীযুত প্ৰফুল্ল কুমাৰ ভূঞা আৰু সহকাৰী সম্পাদক হিচাপে দিপন চন্দ্ৰ নাথৰ নামটো প্ৰস্তাৱ কৰা হ'ল। কিন্তু অসম চৰকাৰৰ শিক্ষা মন্ত্ৰী মাননীয় মুকুট শৰ্মা দেৱৰ সুপৰামৰ্শমতে মহাবিদ্যালয় স্থাপনৰ কাৰ্যসূচী স্থগিত ৰাখিবলগীয়া হ'ল। মায়ং উচ্চ মাধ্যমিক বিদ্যালয়খনক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণৰ স্বাৰ্থত এই সিদ্ধান্ত নেতৃবৰ্গই মানি ল'লে। মায়ং উচ্চ মাধ্যমিক বিদ্যালয়খন উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত হোৱাৰ পিছত শুভাকাংক্ষীসকলৰ অন্তৰত আকৌ মায়ং মহাবিদ্যালয় স্থাপনৰ জোৱাৰ উঠিল। ফলশ্ৰুতিত ১৯৯২ চনৰ ১০ মে' তাৰিখে পুনৰ সাধাৰণ সভা আহ্বান কৰি ১৯৯২ চনৰ ১৩ আগষ্ট তাৰিখে মায়ঙত মহাবিদ্যালয় স্থাপনৰ প্ৰস্তাৱ গৃহীত হ'ল। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হিচাপে মায়ং ৰাজহ চক্ৰৰ তদানীন্তন চক্ৰ বিষয়া মহোদয় সভাপতি, মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ তদানীন্তন অধ্যক্ষ কালিচৰণ পাটৰ মহোদয় কাৰ্যকৰী সভাপতি, দিপন চন্দ্ৰ নাথ সাধাৰণ সম্পাদক আৰু প্ৰফুল্ল কুমাৰ ভূঞাদেৱক সহকাৰী সম্পাদক হিচাপে লৈ এখনি কাৰ্যকৰী সমিতি গঠন কৰা হয়। দায়িত্বভাৰ লৈ মহাবিদ্যালয়খনৰ উন্নতিৰ হকে সমিতিৰ সদস্যসকলে যি অৱদান আগবঢ়ালে সেয়া বৰ্ণনাতীত।

অসম চৰকাৰৰ নিৰ্দেশানুসৰি মহাবিদ্যালয়সমূহত GB গঠন প্ৰক্ৰিয়া আৰম্ভ হ'ল। নিয়মানুসৰি অধ্যক্ষ মহোদয়ে সম্পাদকৰ দায়িত্ব ল'বলগা হোৱাত ২০১০ চনত দিপন নাথ ছাৰে সাধাৰণ সম্পাদক পদৰ পৰা অব্যাহতি ল'বলগা হয়। তথাপিতো সমিতিখনৰ পৰা আঁতৰত নাৰাখি উপ-সভাপতি পদটি আগবঢ়োৱা হ'ল। সভাপতিৰ আসন অলংকৃত কৰা হ'ল বিশিষ্ট সমাজকৰ্মী জাগীৰোড নিবাসী মাননীয় নন্দলাল উপাধ্যায় ছাৰক। কৰ্মৰত অৱস্থাত উপাধ্যায় ছাৰৰ আকস্মিক বিয়োগত দিপন ছাৰকে ভাৰপ্ৰাপ্ত সভাপতিৰ দায়িত্ব অৰ্পণ কৰা হ'ল। কাৰ্যকাল অন্ত নৌহওতেই দিপন ছাৰৰো ইং ২০১৩ চনৰ ৭ এপ্ৰিল তাৰিখে দেহাৱসান ঘটিল।

আৰম্ভণিতে উল্লেখ কৰাৰ দৰে দিপন ছাৰ নিজেই একো একোটা অনুষ্ঠান। প্ৰশ্ন হয় তেওঁ কোনটো অনুষ্ঠানৰ লগত জড়িত নহয়। সামাজিক, ৰাজনৈতিক চিন্তাধাৰা, সাহিত্য, কলা-সংস্কৃতি, সাংগঠনিক দিশ আদিত দিপন ছাৰৰ অৱদান অবিস্মৰণীয়। মায়ং আঞ্চলিক উন্নয়ন সমিতিৰ সভাপতি, পথ আৰু দলং নিৰ্মাম সংগ্ৰাম সমিতিৰ সভাপতি, মায়ং আঞ্চলিক ৰঙালী বিহু উৎসৱ উদ্‌যাপন সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি, মায়ং আঞ্চলিক শাখা সাহিত্য সভাৰ সভাপতি ইত্যাদি ইত্যাদি বিষয়বাব ছাৰে অলংকাৰ হিচাপে পৰিধান কৰিছিল। ছাৰৰ লগত মই একেলেথাৰিয়ে মায়ং আঞ্চলিক শাখা সাহিত্য সভাৰ সম্পাদক হিচাপে ৯ বছৰ, মাজভাগত ২ বছৰ আৰু শেহতীয়াভাৱে ২ বছৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিলো। মৰিগাঁও জিলা সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশনসমূহত মায়ং আঞ্চলিক শাখা সাহিত্য সভাৰ হৈ প্ৰতিনিধিত্ব কৰিছিলো। শাখা সভাৰ ধন জমা নাথাকিলে নিজৰ জেপৰ ধন খৰছ কৰি মায়ং অঞ্চলৰ মৰ্যাদা ৰক্ষা কৰি আহিছিল। বাৰ্ষিক বৰঙণি, প্ৰতিনিধি বৰঙণিৰ লগতে যাতায়ত খৰছৰ সিংহভাগ ছাৰেই বহন কৰিছিল। 'বাদ দিয়াহে মৰি গ'লে এই ধন-সম্পত্তি কোনে ভোগ কৰিব।' হয়, ভাবিলে আচৰিত যেন লাগে। এয়াই নেকি সমাজসেৱাৰ নমুনা।

প্ৰতিখন অধিৱেশনৰ প্ৰতিনিধি সভাত মোক আমনি কৰি থাকে। 'হেৰা তুমি এখন আবেদন লিখাহে। অহা বছৰত মায়ঙতে অধিৱেশনখনি পাতিম বুলি।' মই বয়সত সৰু হ'লেও জ্ঞান-বুদ্ধিৰে পৰিপুষ্ট নহ'লেও মায়ং অঞ্চলৰ আৰ্থ-সামাজিক দিশৰ ওপৰত লক্ষ্য ৰাখি থমকি ৰ'বলৈ বাধ্য হও— ছাৰ

আৰু দুবছৰমান যাবলৈ দিয়কচোন। হতাশ নহ'ব, আপোনাৰ মনৰ কামনা এদিন হ'লেও পূৰণ কৰিম। মাত্ৰ আপুনি আশীৰ্বাদ কৰক। হেঃ হেঃ হেঃ হ'ব দিয়া, তুমি সম্পাদকে কৈছা যেতিয়া মোৰ উপায় নাই। গোপনে গোপনে ময়ো কিন্তু সুবিধা বিচাৰি আছিলো। পাৰিলে ছাৰৰ মনৰ আশা পূৰণ কৰিম। ভবামতেই কাম। অৱশেষত ভূৰবন্ধা অধিৱেশনত মোক বাধ্য কৰালে মায়ঙত অধিৱেশন অনুষ্ঠিত কৰিবলৈ আবেদন প্ৰেৰণৰ বাবে। সভাকক্ষ ত্যাগ কৰি কিছু মুহূৰ্তৰ ভিতৰতে তামোল-পাণ কেইযোৰমান আনি মোৰ হাতত গুজি দি ক'লে— যোৱা সভাপতিৰ সন্মুখত দি আহাগৈ। ময়ো হাতত সাৰে ভৰিত সাৰে আগবাঢ়ি প্ৰতিনিধি সভাৰ সভাপতিৰ মেজত আগবঢ়াই দিলো। কাৰ্যসূচী অনুসৰি তামোল-পাণ বঁটাৰ ওপৰত মন্তব্য বিচৰাত নিজেই ঘপহকৈ থিয় হৈ পৰৱৰ্তী বৰ্ষত মায়ঙত মৰিগাঁও জিলা সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশনখনি অনুষ্ঠিত কৰিবলৈ অনুৰোধ জনালো। মৰিগাঁওবাসীৰো কিন্তু মায়ঙত অধিৱেশনখনি অনুষ্ঠিত কৰাৰ প্ৰবল হেঁপাহ বহুদিনৰ পৰাই পুহি ৰাখিছিল। দিপন ছাৰৰ মুখৰ পৰা বাক্যশাৰী প্ৰকাশ পোৱাৰ লগে লগে অন্য কোনো লিখিত আবেদনক প্ৰাধান্য নিদি পোনছাটেই মায়ঙতে অধিৱেশনখনি অনুষ্ঠিত কৰাৰ সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ইয়ো এক সমাজসেৱাৰ সুন্দৰ নিদৰ্শন।

এইজন পুৰুধা ব্যক্তিয়ে আমাৰ অজ্ঞাতে হয়তো আৰু বহুতো অনুষ্ঠান-প্ৰতিষ্ঠানৰ দায়িত্ব পালন কৰি আছিল। তাৰ সবিশেষ বিৱৰণ দাঙি ধৰিবলৈ আমি অপাৰগ। মায়ং অঞ্চলৰ সৰ্বোৎকৃষ্ট শিক্ষানুষ্ঠান শংকৰদেৱ শিশু নিকেতনৰ সভাপতি পদত কাৰ্যনিৰ্বাহ কৰি থাকোতেই পৰলোক হোৱাত বিদ্যালয়খনৰ আন্তঃগাঁথনিত কিছু প্ৰভাৱ নপৰা নহয়।

সামাজিকভাৱে সচেতন এই ব্যক্তিজনে এম ই স্কুল স্থাপন, হাইস্কুল স্থাপন, মায়ং উচ্চ মাধ্যমিক বিদ্যালয়খনক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ, আৱক্ষী চকী, বেংক আদি স্থাপনৰ ক্ষেত্ৰত আলোড়ন গঢ়ি তোলাত অগ্ৰণী ভূমিকা পালন কৰিছিল।

ছাৰৰ জীৱনকালত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ অলংকৃত বিষয়বাবৰ বিৱৰণ অপৰিসীম। সেয়ে যদি কোনো অনুষ্ঠান-প্ৰতিষ্ঠানৰ নাম উল্লেখ কৰিলে বাদ পৰি গৈছে তেন্তে মোক ক্ষমা কৰি দিয়ে যেন।

**নন্দলাল উপাধ্যায় ঃ**

এখন সুস্থ আৰু সুদৃঢ় সমাজ ব্যৱস্থা হৈছে আধুনিক সভ্যতাৰ মূল কেন্দ্ৰবিন্দু। সমাজ যিহেতু ব্যক্তিৰ সমষ্টি সেয়ে প্ৰতিজন ব্যক্তিয়ে সমাজৰ একো একোটা অংশ হিচাপে বিবেচিত হয়। অৱশ্যে ব্যক্তিভেদে বাস্তৱধৰ্মী চিন্তাধাৰা, দূৰদৃষ্টিসম্পন্ন সৰ্বজন গ্ৰাহ্য নেতৃত্ব, বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিব পৰা সাহস, কৰ্মসংস্কৃতিৰ চাৰিত্ৰিক গুণ সুকীয়া সুকীয়া। এনেধৰণৰ চাৰিত্ৰিক গুণৰ অধিকাৰী আৰু কৰ্ম-সংস্কৃতিৰ মানসিকতাৰে পৰিপুষ্ট এক স্বাভিমানী ব্যক্তিত্বৰ গৰাকী আছিল প্ৰয়াত নন্দলাল উপাধ্যায় ছাৰ।

ভাৰতৰ পূব প্ৰান্তত অৱস্থিত চুবুৰীয়া ৰাষ্ট্ৰ ম্যানমাৰ, তদানীন্তন ব্ৰহ্মদেশৰ মৌলেইক (Mowlaik) নামে এখন গাঁৱত ১৯৩৩ চনৰ ৫ মে' তাৰিখে স্বৰ্গীয় টিকাৰাম উপাধ্যায় আৰু স্বৰ্গীয়া সাবিত্ৰী দেৱীৰ ঔৰষত নন্দলাল উপাধ্যায়ৰ জন্ম হয়। তেখেতৰ পিতৃ আছিল এজন সৰু ব্যৱসায়ী। দ্বিতীয় বিশ্বযুদ্ধৰ অশান্তময় পৰিবেশত তিষ্ঠিব নোৱাৰি অসমত প্ৰৱেশ কৰে। অসমৰ বিভিন্ন ঠাইত অস্থায়ীভাৱে বসবাস কৰিছিল যদিও অৱশেষত মৰিগাঁও জিলাৰ আমলিঘাট বামুণগাঁৱত স্থায়ীভাৱে বসবাস কৰিবলৈ লয়।

প্ৰয়াত নন্দলাল উপাধ্যায় ১৯৫৬ চনত গুৱাহাটীৰ শুক্লেশ্বৰস্থিত মণিকূল আশ্ৰমৰ পৰা পানিনিৰ সংস্কৃত ব্যাকৰণ বিষয়ত 'শাস্ত্ৰী' পৰীক্ষা দি প্ৰথম বিভাগত উত্তীৰ্ণ হৈ স্বৰ্ণপদক লাভ কৰিবলৈ সক্ষম হয়।

আমলিঘাটৰ নেপালী সম্প্ৰদায়ৰ লোকসকলৰ আৰ্থিক, সামাজিক তথা শৈক্ষিক পৰিবেশৰ দৈন্যতা দেখি নৈতিক শিক্ষাৰে শিক্ষিত উপাধ্যায় ছাৰে ১৯৫৫ চনত আমলিঘাটত এখন প্ৰাথমিক বিদ্যালয় স্থাপন কৰে। তেখেতে জাগীৰোড মধ্য ইংৰাজী বিদ্যালয়ত হিন্দী বিষয় শিক্ষক হিচাপে চাকৰি জীৱন আৰম্ভ কৰি উক্ত বিদ্যালয়তে সংস্কৃত ভাষাৰ শিক্ষক হিচাপেও নিযুক্তি লাভ কৰি ১২ বছৰকাল চাকৰি জীৱন অতিবাহিত কৰাৰ পিচত ১৯৭১ চনত স্বেচ্ছামূলক অৱসৰ গ্ৰহণ কৰে আৰু সমাজসেৱাত আত্মনিয়োগ কৰিবলৈ আগবাঢ়ি আহে।

নন্দলাল ছাৰৰ নেতৃত্বতে ১৯৫৮ চনত 'সীতা জখলা দুধ যোগান সমবায় সমিতি' গঠন হ'ল। ১৯৬৪ চনত উক্ত সমবায় সমিতিখনৰ সভাপতি নিৰ্বাচিত হৈ ১৯৭১ চনলৈ ৭ বছৰকাল সভাপতিৰ আসন অলংকৃত কৰিছিল। পশুপালন বিভাগৰ সঞ্চালক কেপ্টেইন ডাঃ জ্ঞানন্দ মল্ল বুজৰবৰুৱাৰ অক্লান্ত প্ৰচেষ্টা আৰু নন্দলাল উপাধ্যায়ৰ অকুণ্ঠ সমৰ্থনত পশ্চিম অসম দুগ্ধ উৎপাদন সমবায় সংঘৰ দুগ্ধ প্ৰকল্প স্থাপন

কৰে। বৰ্তমান এই প্ৰকল্পটি 'পূৰবী ডায়েৰী' নামে জনাজাত।

উপাধ্যায় ছাৰৰ সামাজিক কৰ্ম-সংস্কৃতিৰ বিৱৰণ দাঙি ধৰিবলৈ হ'লে কম সময় বা কম পৰিসৰ সম্ভৱপৰ নহ'ব। আমি জানিব পৰামতে মৃত্যুৰ সময়লৈকে সৰ্বমুঠ ৪৬ টা অনুষ্ঠানৰ সভাপতি অথবা সদস্য আছিল। সেয়ে সকলোবোৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিশদ বিৱৰণ দাঙি ধৰিব নোৱাৰা বাবে ক্ষমা প্ৰাৰ্থনা মাগিছো।

শিক্ষাৰ পোহৰ বিলাবলৈ ন-ন শিক্ষানুষ্ঠান গঢ়ি তোলা, ক্ৰীড়া, কলা-সংস্কৃতি, ধৰ্মীয় অনুষ্ঠান আদি প্ৰতিষ্ঠাকাৰ্যত গ্ৰহণ কৰা অগ্ৰণী ভূমিকাৰ অনবদ্য অৱদান অনস্বীকাৰ্য। যোৱা ইং ২৭-৯-২০০৪ তাৰিখে অনুষ্ঠিত হোৱা সাধাৰণ সভাত উপাধ্যায় মহোদয়ক মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতিৰ পদ অলংকৃত কৰা হৈছিল। সভা-সমিতিসমূহ পৰিচালনাৰ ক্ষেত্ৰত আৰোপিত নিয়মানুৱৰ্তিতা, কৌশলপূৰ্ণ চিন্তাধাৰা এক বুদ্ধিমত্তাৰ পৰিচয়। আওপাকে যাব খোজা বিতৰ্কিত বিষয়সমূহৰ তৎকালীন সমাধানৰ পথ উলিয়াই নিষ্পত্তি কৰিব পৰা গুণৰ অধিকাৰী এইজন মহান ব্যক্তি। মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতিত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ, পৰিচালনা সমিতিৰ সদস্যসকলক আগবঢ়োৱা গঠনমূলক দিহা-পৰামৰ্শ চিৰস্মৰণীয়। মহাবিদ্যালয়ত কৰ্মৰত শিক্ষক-কৰ্মচাৰীসকলৰ লগতো সুহাদ্যপূৰ্ণ আলোচনাৰ মাধ্যমেৰে উৎসাহ-উদ্দীপনাৰ যোগান ধৰিছিল। সভাপতি পদৰ কাৰ্যকাল অন্ত নৌহওতেই ইং ১৮ ফেব্ৰুৱাৰী, ২০১৩ তাৰিখে হঠাৎ আমাৰ মাজৰ পৰা চিৰবিদায় মাগিলে। ধন্য উপাধ্যায় ছাৰ— প্ৰণামো তোমাক।

## যোগেন চন্দ্ৰ নাথ

মায়ং অঞ্চলৰ লেখত লবলগীয়া গাঁও ৰজামায়ঙত যোগেন চন্দ্ৰ নাথ দেবৰ জন্ম হয় ১৯৩৩ চনৰ ২৮ ডিছেম্বৰত। তেখেতক অৱশ্যে সৰুৰ পৰা ডাঙৰলৈ যোগেন বাবাজী হিচাপে সহজতে চিনি পায়। পেচাত তেখেত এজন শিক্ষক। প্ৰথমে কমাৰপুৰ প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা জীৱন আৰম্ভ কৰি মাজভাগত ১৪৪ নং মায়ং প্ৰাথমিক বিদ্যালয়ত শিক্ষক হিচাপে সেৱা আগবঢ়াইছিল। শেষলৈ ৰজামায়ং বালিকা বিদ্যালয়ত শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি ২৮-০২-১৯৯৭ ত শিক্ষকতা বৃত্তিৰ পৰা অৱসৰ গ্ৰহণ কৰে।

আমাৰ সাধাৰণ জ্ঞানেৰে বাবাজী বুলি ক'লে গেৰুৱা বসন পৰিধান কৰি হাতত ত্ৰিশূল লৈ তীৰ্থস্থানসমূহত ভক্তসকলক আশীৰ্বাদ দিবলৈ সাজু হৈ থকা ব্যক্তিসকলকে বুজো। আমাৰ দৃষ্টিত তেখেতক কিন্তু তেনে পৰিবেশত থকা দেখা পোৱা নাছিলো। অৱশ্যে মূৰৰ চুলিকোছা কিছু দীঘল আৰু আগভাগত এটা গাঁঠি মাৰি থোৱা দেখা পাইছিলো। সাধাৰণ ব্যক্তিসকলৰ দৰে চলাফুৰা কৰিছিল। তেনেক্ষেত্ৰত কেনেকৈ তেওঁ বাবাজী নাম পালে। কৌতূহল উপজিল। নিজকে নিজে তথ্য উদঘাটনৰ চেষ্টা কৰিলো। পিছত নিজেই অনুমান কৰিবলৈ অথবা মানি লবলৈ বাধ্য হ'লো তেখেতক বাবাজী বোলাৰ কাৰণ। অৱশ্যে এইটো মোৰ নিজা অভিজ্ঞতাহে। অন্য কিবা কাৰণ যদি আছে মই অনজ্ঞ। তাৰ বাবে ক্ষমা কৰিব।

অঞ্চলৰ জীয়ৰীসকল পুষ্পিতা হ'লে প্ৰায় সংখ্যকে গণনাৰ বাবে যোগেন বাবাজীৰ ওচৰলৈ ঢাপলি মেলে। গৃহৰ শুভাৰম্ভৰ তাৰিখ সময় নিৰ্ধাৰণ, বেমাৰ আজাৰ হ'লেও যোগেন বাবাজীৰ ওচৰলৈ যোৱাৰ কথা মানুহৰ মুখে মুখে। মইও চেগ চাই আছিলো। সেই শুভ দিন সমাগত। ডাঙৰ ল'ৰাটোৰ জন্মৰ পিছত নাম গণনাৰ বাবে আৰু বিধি বিধান প্ৰস্তুত কৰণৰ বাবে সহধৰ্মিণীৰ আপত্তিমৰ্মে তেখেতৰ ওচৰলৈ গমন কৰিলো। সহজ সৰল আচৰণেৰে আসনৰ ব্যৱস্থা কৰি দিলে আৰু আগমনৰ উদ্দেশ্য জানিবলৈ বিচাৰিলে। আমাৰ উদ্দেশ্য ব্যাখ্যা কৰাত অলপো পলম নকৰাকৈ তেখেতৰ নিজ কৰ্তব্যত ব্ৰতী হ'ল। সুন্দৰ উদাহৰণ আৰু উপমাৰে নাম গণনা হ'ল আৰু আসন্ন বিঘিনী নাশৰ বাবে প্ৰতিকাৰৰ বিধান লিখিতভাৱে আগবঢ়ালে। সেইদিনাৰ পৰাই তেখেতৰ প্ৰতি থকা শ্ৰদ্ধা আৰু সন্মান দুগুণে বৃদ্ধি পালে আৰু ব্যক্তিগতভাৱে মানি লবলৈ বাধ্য। সঁচাকৈয়ে তেখেত এজন বাবাজীৰূপী জ্যোতিষশাস্ত্ৰৰ অৱতাৰী পুৰুষ।

জ্যোতিষশাস্ত্ৰৰ গভীৰ অধ্যয়ন আৰু সৰ্বসাধাৰণ লোকৰ আহ্কাল, বিপদ বিঘিনীৰ প্ৰতিকাৰত উপায় প্ৰদান আদি কাৰ্যত দিনটোৰ বেছিভাগ সময়ে ব্যস্ত থাকিব লগীয়া হোৱাত সামাজিক কাৰ্যসূচী অথবা অনুষ্ঠান প্ৰতিষ্ঠানসমূহৰ লগত বিশেষভাৱে জড়িত থাকিব পৰা নাছিল। তাৰোপৰি চৈতন্য ধৰ্মৰ গুৰু হিচাপে বাবাজী ছাৰৰ আসন সুকীয়া। বৰ্তমান ৰজামায়ং গাঁৱত তেখেতৰ ভক্তসকল বিৰাজমান। মুঠ কথাত সমাজত শান্তি স্থাপনৰ হকে আধ্যাত্মিক চিন্তা-চেতনা বিস্তাৰৰ ক্ষেত্ৰত শ্ৰদ্ধাৰ ছাৰৰ ভূমিকা অপৰিসীম।

অৱশেষত ৮১ বছৰ ৬ মাহ ১৫ দিন বয়সত ইং ১৩-০৭-২০১৫ ত আমাৰ মাজৰ পৰা তেখেতে বিদায় ল'লে। তেখেতৰ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো।

**লক্ষ্মীকান্ত মেধি ঃ**

হাতীমূৰীয়া গাঁৱৰ ʼফটিক চন্দ্ৰ মেধি আৰু স্বৰ্গীয়া হেমেশ্বৰী মেধিৰ ঔৰসত লক্ষীকান্ত মেধিৰ জন্ম হয় ১৯৪১ চনৰ ৩১ মাৰ্চ তাৰিখে। পিতৃদেবৰ জীৱিকা নিৰ্বাহৰ প্ৰধান উৎস কৃষি হোৱাৰ হেতুকে পৰিয়ালটি পোহপাল দিয়াত কিছু জটিলতাৰ সৃষ্টি হৈছিল। তথাপিতো মায়ং এম ই স্কুলৰ পৰা প্ৰাইমেৰি স্কুল পাছ কৰি ১৯৫৩ চনত বৰ্তমান মৰিগাঁও জিলাৰ ছোৱালী হাইস্কুলত ষষ্ঠ শ্ৰেণীৰ শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ সুখ্যাতিৰে উত্তীৰ্ণ হয়। পিছলৈ জাগী হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হৈ বুঢ়া-বুঢ়ী (ভেল্লাৰ) এম ই স্কুলত ১৯৫৯ চনত শিক্ষকতাৰ জীৱনৰ পাতনি মেলে। উক্ত বিদ্যালয়খনত শিক্ষক হিচাপে দায়িত্ব পালন কৰি থকাৰ সময়তে মেট্ৰিক আৰু পিউ পৰীক্ষাত উত্তীৰ্ণ হয়। শিক্ষাৰ মানদণ্ড আৰু উচ্চাকাংক্ষাই তেখেতৰ মনোবলক বাধা দিব পৰা নাছিল। বুঢ়া-বুঢ়ী এমই স্কুলৰ পৰা পদত্যাগ কৰি দৈপৰা মজলীয়া বিদ্যালয়ত প্ৰথমে ১৯৬৬ চনত সহঃ শিক্ষক হিচাপে নিযুক্তি লাভ কৰি পিছলৈ প্ৰধান শিক্ষক হিচাপে পদোন্নতি লাভ কৰে। একে সময়তে তেখেতে মৰিগাঁও মহাবিদ্যালয়ত নৈশ বিভাগত স্নাতক মহলাত নামভৰ্তি কৰি নিৰ্দ্ধাৰিত সময়ত উত্তীৰ্ণ হʼবলৈ সক্ষম হয়। মেধি ছাৰে বিএ পাছ কৰিয়েই ক্ষান্ত থকা নাছিল। তেখেতে এম এ মহলাতো পৰীক্ষাত অৱতীৰ্ণ হৈছিল। কিন্তু আৰ্থিক দুৰৱস্থাৰ বাবে কিতাপ বহী প্ৰয়োজন অনুসৰি যোগাৰ কৰিব নোৱৰাত ডিগ্ৰী লাভৰ পৰা বঞ্চিত হʼবলগীয়া হয়।

প্ৰয়াত লক্ষীকান্ত মেধি মহোদয়ে চাকৰি কালত তিতাবৰ উচচ বুনিয়াদী প্ৰশিক্ষণ মহাবিদ্যালয়ত প্ৰশিক্ষণ লোৱাৰ সুবিধা পাইছিল। প্ৰশিক্ষণ কালত অসম সাহিত্য সভাৰ তিতাবৰ অধিৱেশনৰ সাংস্কৃতিক অনুষ্ঠানত সমবেত গীত পৰিবেশন কৰি মায়ং অঞ্চললৈ এক গৌৰৱ কঢ়িয়াই আনিছিল। সাহিত্য সংস্কৃতিৰ পথাৰখন তেখেতৰ বাবে অচিনাকি নহয়। তেখেতে সাহিত্য সভাৰ অধিৱেশন সমূহত কবিতা আবৃত্তি, সংগীত আদি প্ৰদৰ্শন কৰি অগাধ ব্যক্তিত্বৰ পৰিচয় দাঙি ধৰিছিল। ১৯৮৪ চনত মায়ং আঞ্চলিক শাখা সাহিত্য সভাৰ সম্পাদকৰ দায়িত্ব অলংকিত কৰা হৈছিল। শ্ৰদ্ধেয় ছাৰৰ হাতৰ বুলনিত কবিতা পুথি "একোটা মাখোন জোৱাৰ" আৰু 'ঘাট-প্ৰতিঘাট' লিখিত অৱস্থাত আছে কিন্তু আৰ্থিক অভাৱ অনাটনৰ বাবে প্ৰকাশৰ ব্যৱস্থা কৰিব পৰা হোৱা নাই।

১৯৯৯ চনৰ ৩১ মাৰ্চত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰি পিৰালীৰ এচুকত হাত সাবটি বহি থকা নাছিল। পৰিয়ালৰ সদস্যসকলক তত্বাবধান লোৱাৰ লগতে নানা সামাজিক কাৰ্যটো জড়িত হৈ পৰিছিল। অসম গণ পৰিষদৰ মায়ং আঞ্চলিক সমিতিৰ সভাপতি, বিশ্ব হিন্দু পৰিষদৰ মায়ং স্থানীয় সমিতিৰ উপ সভাপতি পদ অলংকৃত কৰিছিল। তাতোকৈ অতি গুৰুত্বপূৰ্ণ কথা এইটো যে মায়ং অঞ্চলৰ যিকোনো অনুষ্ঠান প্ৰতিষ্ঠানৰ কাৰ্যসূচীসমূহত হয় বৃক্ষৰোপক নহয় বন্তিপ্ৰজ্বলক অথবা শ্বহিদ তৰ্পক হিচাপে আমন্ত্ৰণ ৰক্ষা কৰি নিৰ্ধাৰিত সময়ৰ আগতেই উপস্থিত থাকি আমাক উৎসাহ উদ্দীপনা যোগাইছিল।

মায়ং আঞ্চলিক মহাবিদ্যালয় স্থাপনৰ ক্ষেত্ৰত মেধি ছাৰৰ সহায়-সহযোগ চিৰস্মৰণীয়। মহাবিদ্যালয় পৰিচালনা সমিতিৰ এজন কাৰ্যকৰী সদস্য হিচাপে দায়িত্ব নাথাকিলেও মহাবিদ্যালয় খনৰ উন্নয়নৰ দিশত আগবঢ়োৱা অৱদান অবিস্মৰণীয়। মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱ উদযাপনৰ মূল সমিতিখনৰ এজন সক্ৰিয় সদস্য হিচাপে মেধি মহোদয়ৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। সভাৰ সিদ্ধান্ত মৰ্মে সদস্য বৰঙণি ১০০০.০০ (এহেজাৰ) টকা ধাৰ্য কৰা হৈছিল। এই সদস্য বৰঙণি আগবঢ়োৱা প্ৰথম জন সদস্য সন্মানীয় মেধি ছাৰেই আছিল। অতি দুৰ্ভাগ্য সদস্য বৰঙণি আগবঢ়োৱা সভাখনৰ পিচত আৰু এখনো সভাত ছাৰে উপস্থিত থাকিব নোৱাৰিলে। বাৰ্ধক্যজনিত কাৰণত ছাৰ অসুস্থ হৈ পৰাত উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰা হয়।

গুৱাহাটীৰ চিকিৎসালয়তো ছাৰে বেছিদিন চিকিৎসা সেৱা গ্ৰহণ কৰিব নাপালে। তিনি চাৰিদিনৰ পিছত অৰ্থাৎ ২০-৭-২০১৭ তাৰিখে দুজন পুত্ৰ, এজনী বোৱাৰী, ২ জন ভাতৃৰ হাতত গৃহ সংসাৰৰ দায়িত্ব অৰ্পণ কৰি চিৰ বিদায় লবলগীয়া হয়।

মায়ং অঞ্চলৰ একমাত্ৰ উচ্চশিক্ষাৰ অনুষ্ঠান মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰ উন্নতি কামনা কৰাৰ উপৰি অঞ্চলৰ বিভিন্ন শিক্ষানুষ্ঠান, ধৰ্মীয় অনুষ্ঠান, ক্ৰীড়া, কলা-সংস্কৃতিৰ পথাৰখনলৈ অনবদ্য অৱদান আগবঢ়াই দেশৰ আৰ্থসামাজিক দিশত অৰিহণা যোগান ধৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনি ইহলীলা সম্বৰণ কৰিলে তেওঁসবলৈ যাঁচিছো ভক্তিভৰা একাজলি অশ্ৰুঅঞ্জলি। পৰম পিতা পৰমেশ্বৰৰ ওচৰত কাতৰ প্ৰাৰ্থনা জনাইছো— তেওঁসবৰ কৰ্মৰাজি নীল আকাশৰ ধ্ৰুৱতৰাৰ দৰে জিলিকি ৰওক। এই কামনাৰে...। ♦♦

# সোণোৱালী মায়ঙৰ স্বপ্নদ্ৰষ্টা দিপন চন্দ্ৰ নাথ

দুলেন নাথ
প্ৰাক্তন ছাত্ৰ

বিশাল মহীৰুহৰ ৰূপত একো একোজন মহানুভৱ ব্যক্তিৰ ত্যাগ আৰু সাধনাৰ বাটেৰে আগবাঢ়ে প্ৰেম আৰু মানৱতাৰ আলোক ৰথ। তেনে ব্যক্তিৰ অতুলনীয় অৱদানেৰে জীৱন আৰু সমাজ ধন্য হৈ পৰে আৰু তেতিয়াই ব্যক্তি হৈ পৰে দেৱতাতকৈও শ্ৰেষ্ঠ।

১৯৩৫ চনত মৰিগাঁও জিলাৰ ঐতিহ্যমণ্ডিত মায়ং অঞ্চলৰ অন্তৰ্গত পবিতৰা অভয়াৰণ্যৰ নিচেই সমীপতে অৱস্থিত ৰজামায়ং গাঁৱত দিপন চন্দ্ৰ নাথৰ জন্ম হৈছিল। সেই সময়ৰ বহু ঘাত-প্ৰতিঘাত, নানা প্ৰতিকূলতাৰ মাজেৰে স্কুলীয়া শিক্ষা গ্ৰহণ কৰি শিক্ষক হিচাপে নিয়োজিত হৈছিল। শিক্ষকতাকে জীৱনৰ ব্ৰত হিচাপে লৈ যথা সময়ত এই পদৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। সমাজহিতৈষী মানুহজনে যুৱাৱস্থাৰে পৰা বিভিন্ন গঠনমূলক সামাজিক কামত নিজকে নিয়োগ কৰি আটাইৰে প্ৰিয়ভাজন হৈ পৰিছিল। অৱসৰৰ পাছতো জ্ঞানসাধনা আৰু শিক্ষা বিস্তাৰৰ সৃষ্টিশীল ক্ষেত্ৰখনত তেওঁ নিবিড়ভাৱে জড়িত হৈ থাকিল। বিভিন্ন শৈক্ষিক, সামাজিক, সাংস্কৃতিক আৰু অধ্যাত্মিক প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠা আৰু পৰিচালনাত তেওঁ কাণ্ডাৰীৰ ভূমিকাত অৱতীৰ্ণ হৈছিল। জীৱন আৰু সমাজৰ সাৰ্বিক উন্নয়নক জীৱনৰ উপাসনাৰূপে গ্ৰহণ কৰা নাথদেৱে বৃহত্তৰ মায়ং অঞ্চলত বহুকেইটা প্ৰতিষ্ঠানৰ জন্ম দিছিল। কেইবাটাও প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠাপকৰ গুৰুদায়িত্ব পালন কৰিছিল।

'মায়ং আঞ্চলিক মহাবিদ্যালয়' হ'ল মায়ঙৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান। এই মহান অনুষ্ঠানটি স্থাপনৰ এগৰাকী মূল নায়ক আছিল দিপন চন্দ্ৰ নাথ। মহাবিদ্যালয়খনৰ সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰিয়ে সহকৰ্মীসকলৰ সহযোগত মহাবিদ্যালয়খনৰ প্ৰাৰম্ভিক কৰ্মৰাজিৰ বাবে অঞ্চলবাসীৰ পদূলিয়ে পদূলিয়ে থেলা লৈ ধান সংগ্ৰহ কৰি তাৰ পৰা পোৱা ধনেৰে এই নতুন প্ৰতিষ্ঠানটোৰ অত্যাৱশ্যকীয় কামবোৰ আগবঢ়াই নিছিল। অনুষ্ঠানটিৰ প্ৰতিষ্ঠা আৰু অগ্ৰগতিৰ দিশত অহোপুৰুষাৰ্থ

কৰা নাথদেৱ আজীৱন কাণ্ডাৰীৰূপে মায়ঙবাসীৰ হৃদয়ত খোদিত হৈ থাকিব। তেওঁৰ বলিষ্ঠ নেতৃত্বতে মায়ং আঞ্চলিক উন্নয়ন সমিতিয়ে নতুন ৰূপ পোৱাৰ লগতে লুপ্তপ্ৰায় হ'ব ধৰা মায়ং কেন্দ্ৰীয় পুথিভঁৰালটোৱেও তেওঁৰ আপ্ৰাণ চেষ্টাৰ ফলত নকৈ প্ৰাণ পাইছে। শংকৰী কৃষ্টিৰ ৰজামায়ং মায়ং সাৰ্বজনীন শ্ৰীশ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱটিক নয়নাভিৰাম ৰূপ প্ৰদান কৰাৰ ক্ষেত্ৰত তেওঁৰ সৃষ্টিশীল, কল্পনা, বলিষ্ঠ ভূমিকা আৰু নান্দনিক চেতনা নিঃসন্দেহে প্ৰশংসনীয়। সাহিত্যৰ ক্ষেত্ৰতো নাথদেৱে উল্লেখনীয় অৱদান আগবঢ়াই থৈ গৈছে। সামাজিক কৰ্মব্যস্ততাৰ মাজতো তেওঁ কেইবাখনো গল্প সংকলন, গৱেষণামূলক গ্ৰন্থ, নেওতা আদি প্ৰকাশ কৰি মায়ঙৰ ইতিহাসত এক নতুন অধ্যায়ৰ সূচনা কৰিলে। ইয়াৰ ভিতৰত "পবিতৰা অভয়াৰণ্য ইতিবৃত্ত" আৰু "সহজ নেওতা" অন্যতম।

এজন কীৰ্তি শিক্ষকৰূপে ছাত্ৰ সমাজত সুনাম অৰ্জন কৰা নাথদেৱৰ কথাবতৰা আৰু ব্যৱহাৰে তেখেতক জনমানসত আৰু অধিক জনপ্ৰিয় কৰি তুলিলে। উজ্জ্বল আশাবাদ আৰু জীৱনৰসেৰে ভৰপূৰ নাথদেৱৰ স্নেহছায়াত সতীৰ্থসকলে সাহস আৰু যথেষ্ট কৰ্মপ্ৰেৰণা লাভ কৰিছিল। নিৰলস সাধনাত ব্ৰতী হৈ ওৰে দিন কামত নিবিষ্ট থাকি যোগী তপস্বীৰ দৰে জীৱন অতিবাহিত কৰিছিল।

জীৱন যুঁজৰ অক্লান্ত সৈনিক তেওঁ। এটাৰ পিছত এটাকৈ অনুষ্ঠান গঢ়িবলৈ, সমাজ জীৱনৰ জটিল সমস্যাবোৰ সঠিক চিন্তা আৰু উদ্যমেৰে সমাধান কৰিবলৈ তেওঁ যে সদা আগ্ৰহী— হেজাৰ ধুমুহা, শিলাবৃষ্টিৰ পিছতো তেওঁ ভীষ্মৰ দৰে স্থিতপ্ৰজ্ঞ। তেওঁৰ প্ৰশান্ত ব্যক্তিত্ব, নিৰপেক্ষ দৃষ্টিভংগী আৰু সততাৰ প্ৰতি প্ৰবল অনুৰাগ নৱপ্ৰজন্মৰ বাবে উজ্জ্বল আদৰ্শ। তেওঁৰ বৰ্ণিল ব্যক্তিত্বত জ্ঞান, সামাজিকতা আৰু আধ্যাত্মিকতাৰ 'ত্ৰিবেণী সংগম' ঘটিছিল।

জীৱন যাত্ৰাৰ প্ৰতিটো খোজতে তেওঁৰ উদাৰ আৰু কলাত্মক দৃষ্টিভংগী প্ৰতিফলিত হৈছিল। ৰাজনীতিৰ এলান্ধুৱে তেওঁক কলুষিত কৰিব পৰা নাছিল। মাটি আৰু মানুহৰ প্ৰতি গভীৰ অন্তৰংগতা আৰু জাতীয়তাবোধৰ শংখধ্বনি তেওঁৰ হৃদয় মন্দিৰৰ পৰা ভাঁহি আহিছিল। এই সুদীৰ্ঘ ছন্দময় পৰিক্ৰমাত সততা, সংগ্ৰাম আৰু জ্ঞানান্বেষণৰ সুন্দৰ ৰূপত প্ৰতিভাত হৈছে আৰু ইয়ে তেওঁক সমাজৰ সন্মুখত মাটিৰ দেৱতালৈ উত্তৰিত কৰি তুলিছে।

বৃহত্তৰ মায়ং অঞ্চলটোত সমগ্ৰ জীৱনজুৰি মৰম, বিশ্বাস আৰু অফুৰন্ত কৰ্মপ্ৰেৰণাৰ শীতল ছাঁ সঞ্চাৰ কৰা বটবৃক্ষসদৃশ দিপন চন্দ্ৰ নাথে বিগত ২০১৩ চনৰ এপ্ৰিল মাহৰ ৭ তাৰিখে ইহলোকৰ পৰা চিৰবিদায় ল'লে। এই মৃত্যু সমাজ আৰু দেশৰ বাবে অপূৰণীয় ক্ষতি। এই বিষাদ শূন্যতা মায়ঙবাসী ৰাইজৰ বহুদিনলৈ অনুভূত হ'ব, ই স্বতঃস্ফূৰ্ত। তেওঁৰ আলোকপিয়াসী আত্মাই অমৰধামত শান্তিৰে জিৰণি লওক এয়াই আমাৰ প্ৰাৰ্থনা। ◆◆

# মুক্তিযোদ্ধা মহদা গোসাঁইৰ সোঁৱৰণত

নীলিমা দেৱী
প্ৰাক্তন ছাত্ৰী

১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ এগৰাকী বিপ্লবী মুক্তিযোদ্ধা, স্বভাৱশিল্পী, সাহিত্যিক, সমাজসেৱক তথা এগৰাকী আধ্যাত্মিক চিন্তানায়ক আছিল প্ৰয়াত মহদানন্দ দেৱগোস্বামীদেৱ। তেখেতে সদায় নিজকে মায়ঙীয়া বুলি গৌৰব অনুভৱ কৰিছিল। আগৰ মায়ং আছিল ভাৰত ভূখণ্ডৰ ভিতৰতে এখন কলীয়াপানী ঃ অটব্য জংঘলেৰে ভৰা, অৰণ্যৰ মাজে মাজে দূৰ-দূৰণিত পাতল জনবসতিৰ একোখন গাঁও; সেই গাঁওবোৰলৈ পথৰ সংযোগ সমূলি নাছিল। হাবিতলীয়া বাটেৰে মানুহে অহা-যোৱা কৰিছিল। বাঘ, ভালুক, ঘোং, গঁড়, হাতী আদি অজস্ৰ হিংস্ৰ জন্তুৰ প্ৰকোপত দিন দুপৰতে ফুৰা-চকা কৰিবলৈ প্ৰাণৰ সংশয় আছিল। বাৰিষা বোকা-পানী না জল, না থল অৱস্থা। শিক্ষা-দীক্ষাৰ ব্যৱস্থা প্ৰায় নাছিল বুলিবই পাৰি।

এনে এখন মায়ঙত জন্মগ্ৰহণ কৰি অভাৱনীয় প্ৰতিকূল পৰিস্থিতি সত্ত্বেও প্ৰয়াত গোস্বামীদেৱে সৃষ্টিশীল এক বিৰল বহুমুখী প্ৰতিভাৰ পৰিচয় দিব পাৰিছিল। ওখ আনুষ্ঠানিক শিক্ষা ব্যতিৰেকেও যে প্ৰতিভাৰ পূৰ্ণ বিকাশ ঘটিব পাৰে তাৰ প্ৰত্যক্ষ প্ৰমাণ হ'ল প্ৰয়াত মহদানন্দ গোস্বামীদেৱ।

তেওঁ নাম-সংকীৰ্ত্তন, নৃত্য-গীত, যাত্ৰা-ভাওনা, ঢোল-খোল, মৃদঙ্গ, তবলা, হাৰমনিয়াম আদি বাদ্যযন্ত্ৰ সকলোতে সমানে পাৰদৰ্শী আছিল। একালত গৃহত্যাগী সন্ন্যাসী হৈ সাধু-সন্তৰ সান্নিধ্যত শাস্ত্ৰ-ভাগৱতৰ পৰমাৰ্থ জ্ঞান আহৰণ কৰিছিল, তপস্যা কৰিছিল, মৌনী হৈ শ্মশানত এটা গাঁতত কেইবামাহো কটাইছিল। সন্ন্যাসশ্ৰমৰ পিছত গৃহাশ্ৰমী হৈ বিয়া-বাৰু কৰাইছিল, শিক্ষকতাও কৰিছিল। মহাত্মাৰ অনুগামী অহিংসাৰ পূজাৰী হৈও ভাৰত মাতাৰ উদ্ধাৰৰ হকে ব্ৰিটিছৰ ৰে'লগাড়ী বগৰোৱাৰ দৰে ধ্বংসাত্মক কাম কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল।

দেশৰ, ৰাইজৰ, জনগণৰ কল্যাণ সাধন তেওঁৰ জীৱনৰ ব্ৰত আছিল। তেওঁ মায়ঙীয়া তন্ত্ৰ-মন্ত্ৰ, যাদু, বেজালি আদি বহুতো কিবাকিবি জানিছিল। তেওঁৰ ব্যক্তিত্বই ল'ৰা-বুঢ়া, ডেকা-গাভৰু সকলোকে সমানে আকৰ্ষণ কৰিছিল। সমগ্ৰ মায়ং অঞ্চলৰ কি হিন্দু, কি মুছলমান, কি অসমীয়া, কি বঙালী, কি দেছোৱালী— সকলো ৰাইজৰ বাবে তেওঁ আছিল 'গোচাই বাবা' বা 'বুঢ়া বাবা', আকৌ কাৰোবাৰ বাবে আছিল 'বাবাজী প্ৰভু' বা 'বাবাজী গোসাঁই'।

দৈপড়া বিলৰ পূব পাৰতে দলঙৰ কাষত প্ৰয়াত মহদানন্দ গোস্বামীদেৱৰ ঘৰ আছিল। তাতেই শান্তিপুৰ আশ্ৰম

প্ৰয়াত মহদানন্দ দেৱগোস্বামীদেৱ এক বিচিত্ৰ চৰিত্ৰৰ লোক আছিল। তেখেতৰ জীৱনৰ বুনিয়াদ যথেষ্ট সংঘাতপূৰ্ণ। আনুষ্ঠানিক শিক্ষা উচ্চস্তৰৰ নহয়, অথচ তেখেত এজন কবি, এজন নাট্যকাৰ। আনফালে আকৌ তেখেত এজন সাধক, সন্ন্যাসী অথচ সংসাৰী আৰু নিজা পন্থৰ আধ্যাত্মিক গুৰু। তেখেত গান্ধীবাদী মুক্তিযোদ্ধা কিন্তু দেশৰ প্ৰয়োজনত আততায়ীক বধ কৰিবলৈকো প্ৰস্তুত। এনে এজন লোকৰ জীৱন দৰ্শন অনুধাৱন কৰা নতুন পুৰুষৰ কাৰণে নিশ্চয় প্ৰয়োজন। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত পাণবাৰীত ৰে'লগাড়ী বগৰোৱাৰ ঘটনাৰ মূল নায়ক আছিল এইজনা মহদানন্দ গোস্বামীদেৱ। খ্যাতনামা সাহিত্যিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই মহদানন্দ দেৱগোস্বামীৰ সৈতে এই ৰে'ল বগৰোৱাৰ ঘটনাটোৰ বিষয়ে আলোচনা কৰিয়েই 'মৃত্যুঞ্জয়' নামৰ উপন্যাসখন লিখিছিল। এই 'মৃত্যুঞ্জয়' উপন্যাসখনে 'জ্ঞানপীঠ' পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। প্ৰয়াত মহদানন্দ গোস্বামীদেৱৰ লেখীয়া এজন মনোচিতে প্ৰকৃত গান্ধীবাদীয়ে যে ৰে'ল বগৰোৱাৰ দৰে এটা দুঃসাহসিক আৰু হিংসাত্মক কাৰ্যত লিপ্ত হ'ব পাৰিছিল তাক কল্পনাই কৰিব নোৱাৰি। কিন্তু গোস্বামীদেৱৰ দেশপ্ৰেম ইমান উগ্ৰ আছিল যে ভাৰত ত্যাগ বিপ্লৱৰ আহ্বানত মৰসাহেৰে তেওঁ এই লোমহৰ্ষক ঘটনা সফলতাৰে সম্পন্ন কৰিছিল, তাৰ বাবে গোস্বামীদেৱে কোনো খেদ কৰা নাছিল, বৰং তেওঁ গৌৰৱান্বিতহে হৈছিল। সাজি তেওঁ বাস কৰিছিল। মহদানন্দ গোস্বামীদেৱ আছিল এজন সুলিখক। তেখেতে যাত্ৰাৰ নাটকৰ পৰা আৰম্ভ কৰি গভীৰ আধ্যাত্মিক তত্ত্ব বিষয়ক গীত-মাত আৰু অন্যান্য পুথি-পাঁজি প্ৰায় ত্ৰিশখনমান লিখিছিল। তাৰে মাত্ৰ চাৰিখনহে প্ৰকাশ পাইছে। সেইকেইখন হ'ল— 'মায়ং প্ৰসঙ্গ', 'ভাৰতৰ মুক্তি যুদ্ধত পাণবাৰীৰ ৰে'ল বগৰোৱাৰ ইতিবৃত্ত', 'পৰমাৰ্থ কথা' আৰু 'ঠাকুৰ ব্ৰহ্ম', 'হৰিদাস চৰিত' আদি। তেওঁ কৈছিল— 'সত্য স্বপ্ৰকাশক, যি এই সত্য উপলব্ধি কৰিছে তেওঁ তাক প্ৰকাশ নকৰাকৈ থাকিব নোৱাৰে। মই লিখি থাকিম, লিখি যাম, সেইবোৰ তোমালোকে যি কৰা কৰিবা।'

তেখেতৰ প্ৰকাশিত পুথি চাৰিখনৰ উপৰিও বহুতো অপ্ৰকাশিত লেখা আছে। তাৰে ভিতৰত 'প্ৰেমাৱতাৰ শ্ৰীশ্ৰীকৃষ্ণ চৈতন্য', পুথিখন ২৪,০০০ পদত ৰচিত বৃহৎ আকাৰৰ গ্ৰন্থ। তাৰোপৰি সচিত্ৰ ব্ৰহ্মতত্ত্ব, ব্ৰহ্ম সংজ্ঞা, ব্ৰহ্ম জ্যোতি কল্প সংজ্ঞা, মায়হীয়া সন্তান, মায়ঙীয়া যাদুকৰ মই আদি তত্ত্ব বিচাৰৰ ওপৰত প্ৰস্তুত কৰা বহুতো পাণ্ডুলিপি অপ্ৰকাশিত অৱস্থাতে আছে। এই পাণ্ডুলিপিসমূহ ছপা হৈ ওলালে অসমীয়া সাহিত্যৰ পৰমাৰ্থৰ তত্ত্ব বিষয়ক আৰু মায়ং অঞ্চলৰ ইতিহাসৰ বহুতো লুপ্ত সম্পদ উদ্ধাৰ আৰু সংৰক্ষিত হ'ব বুলি আমাৰ বিশ্বাস। তেখেতৰ মনে, বিবেকে উদ্‌গনি যোগোৱা ৰচনাসমূহ বিশেষভাৱে ভাৱগধুৰ। সেইখিনি অসম আৰু অসমীয়াৰ বাবে এটি আপুৰুগীয়া সম্পদ। সেয়ে জাতীয় কৃতজ্ঞতাৰ চানেকী হিচাপে যিকোনো ৰাজ্যিক অনুষ্ঠানে তেখেতৰ ৰচনাসমূহ প্ৰকাশৰ কাম হাতত ল'ব বুলি আমাৰ আন্তৰিক কামনা থাকিল।

একো একোটা সময়ত একোটা পুণ্যাত্মাক একোটা অঞ্চলৰ সুনাম অৰ্জন কৰিবলৈ ভগৱানে কোনো এটা পৰিয়ালত জন্মগ্ৰহণ কৰিবলৈ প্ৰেৰণ কৰে। অবিভক্ত নগাঁও জিলাৰ ভাৰত বিখ্যাত মায়ং অঞ্চলৰ দৈপড়া সত্ৰত ১৯০৭ চনতে জন্মগ্ৰহণ

কৰা তেনে এজন সাত্বিক, প্ৰচাৰবিমুখ, ভাৰত মাতৃৰ সুসন্তান, প্ৰবীণ মুক্তিযোদ্ধাই আছিল প্ৰয়াত মহদানন্দ দেৱগোস্বামীদেৱ।

বাল্যকালৰ পৰাই তেওঁৰ অন্তৰত সুপ্ত হৈ থকা মানব সত্বাটিৰ বিষয়ে সজাগ আছিল। সেয়ে সময়ৰ লগে লগে তেওঁৰ বিনয়, নম্ৰতা, পিতা-মাতা, গুৰুভক্তি, লগৰীয়াসকলৰ প্ৰতি সদ্ব্যৱহাৰ, নিয়মানুবৰ্তিতা, ত্যাগ, সংযম, পবিত্ৰতা, উদাৰতা, দেশপ্ৰেম, ভগৱৎ-ভক্তি, সততা, পাৰমাৰ্থিক সত্য লাভ আদিত মনোনিৱেশ কৰা পৰিলক্ষিত হৈছিল। সময়ত এই সুপ্ৰবৃত্তিসমূহে আত্মপ্ৰকাশ কৰিছিল আৰু তেওঁ মায়ং অঞ্চলৰ এজন সন্ন্যাসী, বাবা, সাধু, কৰ্মযোগী, দেশসেৱক, দীন-দুখীয়াৰ ত্ৰাণকৰ্তাৰূপে সৰ্বগুণৰ অধিকাৰী হৈ সাধনাত সিদ্ধি লাভ কৰিছিল।

গোস্বামীদেৱৰ পূৰ্বপুৰুষ মহাপ্ৰভু চৈতন্যদেৱৰ পন্থৰ আছিল। তেখেতৰ পিতৃ স্বৰ্গীয় পৰমানন্দ গোস্বামী আৰু মাতৃ স্বৰ্গীয় দময়ন্তী দেৱী। ৮-৯ বছৰ বয়সত মোমায়েক ধৰ্মনাথ বৰঠাকুৰৰ ঘৰত থাকি জাগী গাঁৱত স্কুলীয়া শিক্ষা আৰম্ভ কৰিছিল। প্ৰাইমাৰী শিক্ষাৰ পিছত ক্ৰমে নগাঁৱৰ দচন এম ই স্কুল, গুৱাহাটীৰ সোণাৰাম হাইস্কুল আৰু কামৰূপ একাডেমী স্কুলত পঢ়িছিল। পিছত দশম শ্ৰেণীলৈ পঢ়িও টকা-পইছাৰ অভাৱত পৰীক্ষা দিব নোৱাৰি শিক্ষা জীৱন সমাপ্ত কৰিবলগাত পৰিছিল। মোমায়েকৰ উৎসাহ আৰু প্ৰেৰণা লাভ কৰি ১৯৩৯ চনত দৈপড়াত এল পি স্কুল এখন স্থাপন কৰি তাতে তেওঁ আৰম্ভণিৰে পৰা ৩২ বছৰ খ্যাতি আৰু মান-যশেৰে শিক্ষকতা কৰিছিল।

প্ৰয়াত মহদানন্দ দেৱগোস্বামীদেৱ এক বিচিত্ৰ চৰিত্ৰৰ লোক আছিল। তেখেতৰ জীৱনৰ বুনিয়াদ যথেষ্ট সংঘাতপূৰ্ণ। আনুষ্ঠানিক শিক্ষা উচ্চস্তৰৰ নহয়, অথচ তেখেত এজন কবি, এজন নাট্যকাৰ। আনফালে আকৌ তেখেত এজন সাধক, সন্ন্যাসী অথচ সংসাৰী আৰু নিজা পন্থৰ আধ্যাত্মিক গুৰু। তেখেত গান্ধীবাদী মুক্তিযোদ্ধা কিন্তু দেশৰ প্ৰয়োজনত আততায়ীক বধ কৰিবলৈকো প্ৰস্তুত। এনে এজন লোকৰ জীৱন দৰ্শন অনুধাবন কৰা নতুন পুৰুষৰ কাৰণে নিশ্চয় প্ৰয়োজন।

১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত পাণবাৰীত ৰেলগাড়ী বগৰোৱাৰ ঘটনাৰ মূল নায়ক আছিল এইজনা মহদানন্দ গোস্বামীদেৱ। খ্যাতনামা সাহিত্যিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই মহদানন্দ দেৱগোস্বামীৰ সৈতে এই ৰে'ল বগৰোৱাৰ ঘটনাটোৰ বিষয়ে আলোচনা কৰিয়েই 'মৃত্যুঞ্জয়' নামৰ উপন্যাসখন লিখিছিল। এই 'মৃত্যুঞ্জয়' উপন্যাসখনে 'জ্ঞানপীঠ' পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। প্ৰয়াত মহদানন্দ গোস্বামীদেৱৰ লেখীয়া এজন মনোচিতে প্ৰকৃত গান্ধীবাদীয়ে যে ৰে'ল বগৰোৱাৰ দৰে এটা দুঃসাহসিক আৰু হিংসাত্মক কাৰ্যত লিপ্ত হ'ব পাৰিছিল তাক কল্পনাই কৰিব নোৱাৰি। কিন্তু গোস্বামীদেৱৰ দেশপ্ৰেম ইমান উগ্ৰ আছিল যে ভাৰত ত্যাগ বিপ্লৱৰ আহ্বানত মৰসাহেৰে তেওঁ এই লোমহৰ্ষক ঘটনা সফলতাৰে সম্পন্ন কৰিছিল, তাৰ বাবে গোস্বামীদেৱে কোনো খেদ কৰা নাছিল, বৰং তেওঁ গৌৰৱান্বিতহে হৈছিল।

শেষত লোকমানসত মহদা গোসাঁইৰ প্ৰভাৱ কিমান গভীৰ আছিল সেই কথা উপলব্ধি কৰাৰ বাবে মানুহৰ মুখে মুখে প্ৰচলিত হৈ অহা নিম্নলিখিত প্ৰবাদ দুফাঁকি উল্লেখ কৰিলো—

১/ পাণবাৰীত বাগৰিল গাড়ী
বাবাজীয়ে খুৱালে দাড়ি।
(বাবাজী শব্দই মহদা গোসাঁইক বুজাইছে।)

২/ মায়ঙত লাগিল ধৰ-পাকৰ
মহদা গোসাঁইৰ উঠিল জ্বৰ,
মায়ঙৰ লুংলুঙীয়া বাট,
মহদা গোসাঁই পলাল ফাট।

প্ৰয়াত মহদানন্দ গোস্বামীদেৱ সঁচা অৰ্থত আছিল মায়ঙৰ সু-সন্তান। তেখেতৰ কৰ্ম আৰু আদৰ্শ মায়ংবাসীৰ বাবে সদায় স্মৰণীয় আৰু অনুকৰণীয় হৈ ৰ'ব। সৰ্বশেষত তেখেতৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিলোঁ। ♦♦

# বিষয়

# গ্ৰন্থ শিতান

মায়ঙৰ ঐতিহ্য গৌৰৱক উপস্থাপন কৰা তিনিগৰাকী
মায়ঙীয়া লেখকৰ পূৰ্বতে প্ৰকাশিত তিনিখন
সৰু গ্ৰন্থ এই শিতানত পুনৰ
মূদ্ৰণ কৰা হৈছে।



# পবিতৰা অভয়াৰণ্যৰ ইতিবৃত্ত

মায়ং খনিকৰ ঃ দিপন চন্দ্ৰ নাথ

**নামৰ উৎপত্তি**

পুৰণি কালত "মায়ং ৰাজ্য" নামে এখন ৰাজ্য আছিল। এই ৰাজ্যখনৰ ১ ম জনা ৰজাৰ নাম আছিল ৰজা শূইনত সিংহ। এখেত ১৫২৯ শকাব্দ (১৬০৭) মায়ং ৰাজ্যৰ ৰাজপাটত বহি ২০ বছৰকাল ৰাজত্ব কৰিছিল। কিম্বদন্তি অনুসৰি মায়ং ৰাজ্যৰ ১ ম জনা ৰজা এই শূইনত সিংহৰ ১ ম জনা জীয়াৰীৰ নাম আছিল "ৰাজকুমাৰী পবিত্ৰা সিংহ"। এই ৰজাজনেই তেওঁৰ বৰ মৰমৰ আৰু আদৰৰ জীয়াৰীৰ অকাল বিয়োগত তেওঁৰ নাম চিৰস্মৰণীয় কৰি ৰাখিবৰ বাবেই হেনো পূৰ্ব কালৰ পৰা থকা হাবি জংঘল, গছ-গছনিৰে ভৰা এই হাবিডৰাৰ নাম 'পবিত্ৰা' ৰাখিছিল। কালক্ৰমত এই পবিত্ৰা নামটোৰ পৰাই কোমল ৰূপত "পবিতৰা" হোৱা বুলি জনা যায়। আন এটা প্ৰবাদ মতে ওপৰত উল্লেখ কৰা হাবি জংঘল ডৰাত পাতিদৈয়া আৰু তৰা আদিৰে ভৰপূৰ আছিল। পাতিদৈয়া আৰু তৰা আদি বেছি পৰিমাণে আছিল বাবেই এই হাবিডৰাৰ নাম পাতিতৰা হৈ পিচলৈ পবিতৰা হোৱা বুলি শুনা যায়। তদুপৰি হাদুগ বিলৰ উত্তৰ পাৰে থকা পুৰণিকলীয়া হাদুগপাৰা গাওঁখনে বিলখনৰ দক্ষিণপাৰে থকা বিশাল জংগলডৰা জুৰি কাটি চাফা কৰি খেতিৰ মাটি উলিয়াই লৈছিল। খেতিৰ মাটিত হালবাবলৈ যাব লগা হ'লে বিলখনৰ পূব মূৰেদি ঘূৰি ভালেখিনি দূৰ যাব লগা হৈছিল। সেইবাবেই পুৰতীতৰা ওলোৱা সময়তেই সকলো হালুৱৈ শোৱা পাটিৰ পৰা উঠি হালৰ গৰুবোৰ লৈ বিলৰ মূৰেদি ঘূৰি সকলো একেটা ঠাইতে লগ হৈ নিজৰ মাটিয়ে মাটিয়ে হাল বাবলৈ গৈছিল। তেওঁলোকে আহু, মৰাপাট, সৰিয়হ আদি খেতি কৰি জীৱিকা নিৰ্বাহ কৰিছিল। পুৰতী তৰা ওলোৱা সময়তেই সকলো খেতিয়ক লগ লাগে বাবে এই খেতিৰ পথাৰখনৰ নাম ৰাখিছিল "পুৰতী তৰা"। কালক্ৰমত এই পুৰতী তৰাৰ পৰাই পবিতৰা হোৱা বুলি শুনা যায়। ইয়াৰ বাহিৰে কোনো প্ৰমাণিত তথ্য পোৱা নাযায়।

**অৱস্থিতি ঃ**

অবিভক্ত নগাওঁ জিলাৰ আৰু বৰ্তমান মৰিগাঁও জিলাৰ মায়ং মৌজাত মহাবাহু ব্ৰহ্মপুত্ৰ নদী আৰু কলং সুতীয়ে যি বিস্তীৰ্ণ এলেকাৰ ভূমিখণ্ড জকাইচকুৰ সৃষ্টি কৰিছে তাৰ মাজ-মজিয়াত এই পবিতৰা অভয়াৰণ্য অবস্থিত। এই অভয়াৰণ্যখন নগাঁও সদৰৰ পৰা ৮৩ কি.মি. আৰু মৰিগাঁও সদৰৰ পৰা ৩৮ কি.মি. দূৰত অবস্থিত আৰু গুৱাহাটী মহানগৰ তথা দিছপুৰ ৰাজধানীৰ পৰা ৪০ কি.মি. দূৰত অৱস্থিত। পবিতৰা অভয়াৰণ্য দ্ৰাঘিমাংশ ২৬°১২ ডিগ্ৰী উত্তৰৰ পৰা ২৬°১৫ ডিগ্ৰী উত্তৰলৈ আৰু অক্ষাংশ ৯০°২ ডিগ্ৰী পূবৰ পৰা ৯০°৫ ডিগ্ৰী পূবলৈ এই অংশৰ ভিতৰত পৰে।

**জলবায়ু**

পবিতৰাৰ জলবায়ু সৰ্বাধিক ৯০° চেন্টিগ্ৰেড। ইয়াৰ জলবায়ু নাতিশীতোষ্ণ। গ্ৰীষ্মকালত সূৰ্য্যৰ উত্তাপত উত্তৰ সীমাতে থকা মহাবাহু ব্ৰহ্মপুত্ৰ নদীৰ ফালৰ পৰা অহা এচাটি মলয়া বতাহ আৰু চাৰিওফালে থকা বিশাল বড়োখেতিৰ পথাৰৰ উপৰি ভাগত থকা পানী, ডোভাডলনি আৰু মুকলি পথাৰবোৰৰ পৰা অহা বতাহে পবিতৰা অভয়াৰণ্যখন নাতিশীতোষ্ণ কৰি তোলে। গ্ৰীষ্মকালত পবিতৰা অভয়াৰণ্যত ওখ ওখ গছ-গছনিবোৰেও বৰষুণৰ মেঘ আকৰ্ষণ কৰি প্ৰচুৰ পৰিমাণে ইয়াত বৰষুণ দিয়ায়। বৰষুণৰ মাত্ৰা অত্যধিক ৭০ ৰপৰা ৯০ শতাংশ বৰষুণ হয়। শীতকালত বৰষুণৰ মাত্ৰা স্বাভাৱিকভাৱে কমি যায়।

**খাচ পবিতৰাত স্থানীয় গাঁওবাসীৰ কৃষি কৰ্ম ঃ**

পূৰ্বকালত ৰাজামায়ং গাঁওখন হাদুগ বিলৰ উত্তৰ পাৰত আছিল। সেই সময়ত গাঁওখনৰ নাম আছিল হাদুগৰ পাৰ। এতিয়া য'ত ৰেঞ্জ অফিচ, পৰিদৰ্শন বঙলা, বাসভৱন, ফৰেষ্ট লজ আদি নিৰ্মাণ হৈছে, এই হাদুগ বিলৰ পাৰে পাৰে পূবৰ পৰা পশ্চিমলৈ হাদুগৰ পাৰ নামে গাঁওখন পাতি আমাৰ ককাদেউতাসকলে বসবাস কৰিছিল বুলি আমাক কৈছিল। কালক্ৰমত নানা মহামাৰী বেমাৰৰ কবলত পৰি ভয়পাই গাঁওখন ভাঙি তাৰ পৰা সকলো গাঁওবাসী উঠি আহি নাতিদূৰতে থকা মুৰবৰী নামৰ আটিটোলৈ আহি গাওঁপাতি বহিছিল। হাদুগৰ পাৰ গাঁৱত বসবাস কৰি থকাৰ সময়তে বিলখনৰ দক্ষিণপাৰে হাবিজংঘল কাটি মুকলি কৰি লৈ গোটেই গাঁওবাসীয়ে পবিতৰা বনাঞ্চলত আহুধান, মৰাপাট, সৰিয়হ, বাওধান আদিৰ খেতি কৰিছিল। পৰ্যাপ্ত পৰিমাণে এইবোৰ খেতি উৎপাদন হৈছিল। একেৰাহে একেডৰা মাটিটো ৩/৪ বছৰতকৈ বেছি দিন খেতি নকৰিছিল। বনজংঘল বেছি হ'লেই সেইডৰা মাটি ইস্তফা দি আন এডৰা মাটি ভাঙি লৈ খেতিবাতি কৰি খাইছিল। আগৰ দিনত গৰু-ম'হৰ গাড়ী নথকাৰ কাৰণে কান্ধেৰে ভাৰ কঢ়িয়াই কঢ়িয়াই ধান, মাহ, সৰিয়হ, মৰাপাট আদি ঘৰলৈ চপাই আনিছিল। দিনটোত কান্ধেৰে তিনি চাৰিভাৰহে ধান কঢ়িয়াই আনিব পাৰে বুলি ককাদেউতাই আমাক কৈছিল। পবিবতৰা বনাঞ্চলত ককাদেউতাই খেতিবাতি কৰোতে পট্টাও পাইছিল। তেনে পট্টা এখন ককাদেউতাৰ পুৰণা চুটকেচ এটাত মই দেখাও পাইছিলো। সংৰক্ষণৰ অভাৱত ককাদেউতাৰ দিনৰ পুৰণা সেই নথি পত্ৰ ক'ত হেৰাই গ'ল আৰু মই ধৰিব নোৱাৰিলো। ককাদেউতাহঁতে মাটি ভোগ দখল কৰা একচনা পট্টা গ'লেও কেইবছৰমানৰ পিছতেই পট্টা ইস্তফা দি বেলেগ এডৰা নতুন মাটি ভাঙি লোৱাৰ নিয়ম আছিল। বহু বছৰ ধৰি হাদুগৰ পাৰ গাঁৱত বসবাস কৰি থকাৰ পিছত যেই সেই মহামাৰী ৰোগে পোনকোৱেই আহি গাঁওখনত ধৰে আৰু বহুতো মানুহৰ প্ৰাণহানি হৈ থকা দেখি ভয় পাই নাতিদূৰতে থকা মুৰবীৰ আটিলৈ সকলো গাঁওবাসী উঠি আহিছিল। গাঁওখন স্থানান্তৰ হ'ব লগা হোৱাত গাঁওবাসী সকলো ৰাইজেই পবিতৰা বনাঞ্চলত ভোগ দখল কৰি থকা একচনা পট্টাৰ মাটিবোৰ ইস্তফা দি গুচি আহিছিল। পবিতৰা বনাঞ্চলৰ বাহিৰেও বুঢ়া-বুঢ়ী, কোৱানীবৰী, কুকুৰাবী আটিটোত মনহা কছাৰীগাঁও অঞ্চলৰ অসমীয়া লোকসকল আহি পাম সাজি বহি লৈ হাতীগড় আৰু পবিতৰাত মাটি ভাঙি খোতবাতি কৰিছিল। এখেতে সকলেও পট্টাপত্ৰ পাইছিল। এটা সময়ত এওঁলোকেও মাটি ইস্তফা দি গুচি গৈছিল। অসমীয়া লোকসকলে পাম পথাৰ এৰি গুচি যোৱাৰ পিছত দেশে স্বাধীনতা লাভ কৰাৰ আগতে আৰু পিছতো মৈমন সিং আদি জিলাৰ পৰা বহুতো পমুৱা মুছলমান লোক আহি মনহা কছাৰী গাঁৱৰ ৰাইজে ইস্তফা দি যোৱা খেতিৰ মাটিবোৰৰ লগতে ঘৰ-সাজি পাম ধৰা আটিবোৰত গাঁওপাতি বসবাস কৰিবলৈ ধৰে।

**গাঁৱলীয়া চৰণীয়া পথাৰ হিচাপে ভাগ বিতৰণ ঃ**

পূৰ্বতে বিট্ৰিছ চৰকাৰৰ শাসন কালত নগাঁও জিলাৰ উপায়ুক্ত সকলে অঞ্চলৰ গাঁওবুঢ়াসকলৰ সহায়ত একো একোটা অঞ্চললৈ আহি ঘৰ-দুৱাৰ সাজি অস্থায়ীভাৱে কাৰ্যালয় একোটা পাতি ৰাইজৰ সকলো ধৰনৰ কাম-কাজ স্থানীয় ভাৱেই সমাধা কৰি দি থৈ যোৱাৰ নিয়ম আছিল।

ৰাস্তা, পদূলি, যাতায়তৰ কোনো সা-সুবিধা নাছিল যদিও হাতী নাইবা ঘোঁৰাৰ পিঠিত উঠিয়েই জিলাৰ সদৰৰ পৰা দূৰদূৰণিৰ বিভিন্ন অঞ্চল বিলাকলৈ আহি ১০-১৫ দিনৰ বাবে এনে একোটা শিবিৰ পাতিছিল। ইং ১৯০২ চনত নগাঁও জিলাৰ উপায়ুক্ত "মাৰ চাহাবে" মায়ঙৰ কালশিলা পাৰ গাঁৱতো এনে এটা শিবিৰ পাতিছিল। সেই সময়ত ককাদেউতাৰ মুখে শুনামতে এই মাৰ চাহাবেই হেনো ৰজামায়ঙৰ বামুনা (বাওনা) বাৰিকাক হাতীৰ পিঠিত তুলি লৈ এই সুবৃহৎ পবিতৰা বনাঞ্চলৰ চাৰিওফালে ঘূৰিপকি চাই-চিন্তি লৈ ৰাইজৰ গৰু ম'হ চৰোৱাৰ সুবিধাৰ কাৰণে এই বনাঞ্চলখন তিনিটা ভাগত ভগাই পূব-দক্ষিণ খণ্ডত কৰ্বীয়া হাতীধৰা মাটিৰ গড় এটা আছিল বাবেই হাতীগড় গাঁৱলীয়া চৰণীয়া পথাৰ নামেৰে নামকৰণ কৰিছিল। এই চৰণীয়া পথাৰখন পূবে কুকুৰাৰী গাঁৱলৈকে বিস্তৃত আছিল। দেশ বিভাজনৰ আগে আগে মৈমন সিং জিলাৰ পৰা কিছুমান পমুৱা মুছলমান লোক আহি হাতীগড় ভি জি আৰৰ পূব খণ্ডত অস্থায়ীভাৱে ঘৰ-দুৱাৰ সাজি বসবাস কৰিবলৈ লোৱাত তেওঁলোকৰ আবেদন মৰ্মে মৰিগাঁও সমষ্টিৰ এম.এল.এ. স্বাধীন অসমৰ বিত্তমন্ত্ৰী প্ৰয়াত মতিৰাম বৰাদেৱে হাতীগড় ভি. জি. আৰৰ পৰা ২৫০ বিঘা (দুশ পঞ্চাশ বিঘা) মাটি কৰ্তন কৰি তেওঁলোকক দি থৈ যায়। দক্ষিণ অঞ্চলটো ঠেং ভাঙ্গা গাঁৱলীয়া চৰণীয়া পথাৰ নামেৰে আৰু মধ্যখণ্ডটো পবিতৰা ব্যৱসায়িক চৰণীয়া পথাৰ (P.G.R) নামেৰে নামকৰণ কৰি ৰাইজক দি থৈ যায়। পবিতৰা পি. জি. আৰত ঘাঁহ পানীৰ সুবিধাৰ কাৰণে যিসকল লোকে ম'হ-গৰু স্থায়ীভাৱে ৰাখি পালন কৰে সেইসকল লোকে প্ৰতিজনী গাখীৰতী ম'হৰ বাবদ প্ৰতিবছৰে ২ টকা আৰু প্ৰতিজনী গাখীৰতী গাই গৰুৰ বাবদ ১ টকাকৈ টেক্স দিব লাগিছিল। আমি জনাত এই পবিতৰা পি. জি. আৰত দৰং আৰু কামৰূপ জিলাৰ ম'হ গৰু পালকসকলে পালে পালে ম'হ, গৰু লৈ আহি ইয়াত ম'হ গৰুৰ খুটী দিছিল। আমাৰ মায়ং অঞ্চলৰ ম'হ গৰু পালক সকলেও ঘৰ দুৱাৰ সাজি এই পবিতৰাতে খুটী ৰাখিছিল। প্ৰতি বছৰে নগাঁও সদৰৰ পৰা টেক্স কালেক্টৰ আহি সপ্তাহ দহদিন থাকি এই টেক্সবোৰ সংগ্ৰহ কৰি লৈ যোৱা আমি নিজে প্ৰত্যক্ষ কৰিছিলো। তদুপৰি সুদূৰ নেপাল দেশৰ পৰা কিছুমান নেপালী সম্প্ৰদায়ৰ লোক আহি বৰ্তমান য'ত "এলিফেন্ট ৰাইদিং পইন্ট' আছে তাৰ পৰা প্ৰায় আধামাইল দক্ষিণলৈ থকা আটিটোত স্থায়ীভাৱে ঘৰ-দুৱাৰ সাজি ম'হ গৰুৰ খুটী দি পবিতৰা বনাঞ্চলত ঘাঁহপানী খুৱাই-বুৱাই ৰাখি গাখীৰ, ঘিউ, মাখন, ক্ৰীম আদিৰ ৰমৰমীয়া ব্যৱসায় কৰি একো একোখন ঘৰ গৃহস্থী পোহপাল দিছিল। এই নেপালী খুটিয়াল লোকসকল দৰং আৰু কামৰূপৰ পৰা অহা খুটীয়াল লোক সকলৰ উপৰিও মায়ং অঞ্চলৰ ম'হ, গৰু পালকসকলে বৃহত্তৰ মায়ং অঞ্চলৰ ৰাইজক বিয়াই-সবাহে, বিহুৰে-সংক্ৰান্তিয়ে পৰ্যাপ্ত পৰিমাণে গাখীৰ, ঘিউ, মাখন, ক্ৰীম আদিৰ যোগান ধৰিছিল। ককাদেউতাৰ দিনতো আমাৰ এনে ম'হৰ খুটি আছিল। আমি শিশু কালতে আমাৰ চুবুৰীৰে কেইবাঘৰৰো এনে ম'হৰ খুটি দেখিছিলো। আমাৰ ৰজামায়ং গাঁওখনৰ লগতে পশ্চিমফালে থকা পথাৰত আৰু ভেকেনী আটিতো এই খুটিবোৰ ৰাখিছিল। ককাদেউতাই কোৱামতে আমাৰ জন্মৰ আগতে হেনো গাখীৰ খাওতাই নাছিল। গাখীৰবোৰ ভলুকা বাঁহৰ ডাঙৰ ডাঙৰ চোঙাবোৰতহে ভৰাই ৰাখিছিল। চুঙাৰ গাখীৰবোৰ বোলে চুঙাতেই পোক লাগি লাগি গৈছিল। সেই সময়ত বৃহত্তৰ মায়ং অঞ্চলত গাখীৰৰ উভৈনদী আছিল। গাখীৰ বিচাৰি খুটীলৈ গলে চিনাকী-অচিনাকী বুলি কথা নাই, ২-৪ সেৰ গাখীৰ বিনা পইচাই আনিব পৰা গৈছিল। দামো খুব কম আছিল, সেৰ ৩/৪ অনা (৩ অনা, ৪ অনা)। ওপৰত উল্লেখ কৰি অহা নেপালী আৰু অসমীয়া খুটীৰ গাখীৰ, ঘিউ, মাখন, ক্ৰীম আদি বিয়াই সবাহে বিহুৰে-সংক্ৰান্তিয়ে বাইনা ৰাখি কলং আৰু ব্ৰহ্মপুত্ৰ নদীয়েদি পাইকাৰীৰ নাৱেৰে সুদূৰ গুৱালকুছি, পলাশবাৰী, গুৱাহাটী আদি ঠাইলৈ চালান দি খুটীয়াল সকল লাভৱানো হৈছিল। হাদুগ খুটীৰ গাখীৰবোৰ আকৌ ভাৰবান্ধি পবিতৰা পি. জি. আৰৰ মাজেৰে থকা হাবিতলীয়া লুংলুঙীয়া বাটেৰে হাতীগড় খুটীলৈ নিছিল আৰু তাৰ পৰা হাতীগড় খুটীৰ গাখীৰৰ সৈতে কলঙেদি নাৱেৰে লৈ গৈছিল। ঘাঁহ পানীৰ সুবিধাৰ কাৰণে খৰালিৰ দিন পৰিলেই নেপালী খুটীয়ালসকলে তেওঁলোকৰ ম'হ গৰুৰ খুটীবোৰ গৰঙা বিলৰ উত্তৰ পাৰলৈ লৈ গৈছিল আৰু দীঘল দীঘলকৈ ঘৰবোৰ সাজি ম'হ গৰুবোৰ ৰাখি পালন কৰিছিল। কিন্তু বাৰিষা আহিলেই তাৰ পৰা খুটীবোৰ ভাঙি আনি পূৰ্বৰ হাদুগ বিলৰ পাৰলৈ লৈ আহিছিল। স্থায়ীভাৱে বসবাস কৰা হাদুগ বিলৰ দক্ষিণ পাৰে নেপালীসকলে ঘৰৰ আগফালে পিছফালে গোবৰ সাৰ ব্যৱহাৰ কৰি পৰ্যাপ্ত পৰিমাণে সৰিয়হ, মৰাপাট, মাকৈ আদিৰ খেতিও কৰিছিল। অলপ অচৰপ ধানখেতিও কৰিছিল। মৰাপাট আৰু সৰিয়হ বিক্ৰী কৰি বহু ধন উপাৰ্জনো কৰিছিল। হাতীগড় ভি.জি. আৰতো বহুতো লোকে এনেদৰে

ম'হ, গৰুৰ খুঁটী ৰাখিছিল।

**বনৰীয়া জীৱ-জন্তুৰ বাসস্থান**

পূৰ্বৰ পৰা বৃহত্তৰ পবিতৰা বনাঞ্চলত বনৰীয়া হাতী, বাঘ, গাহৰি, পহু, শিয়াল, আদি নানাবিধ বনৰীয়া জন্তু, বগলী, কামচৰাই, কৈৰা (হয়কলি) খৈ চৰাই, টিঞ্ৰা, ভাটৌ, চুটীয়া শালিকা, পানী কাউৰী, বৰটোকোলা, শগুণ, কণামুছৰি, উলুমৈৰা, বুঢ়ীকুকুৰা, হুদু, ফেঁচা, চিলনী, কুৰুৱা, মাছৰোকা, শেন আদি নানাবিধ চৰাই, সাপ আদিৰ বাসভূমি আছিল। বনৰীয়া হাতীবোৰে দলবান্ধি গাঁৱলৈ আহি পথাৰৰ শস্য খাই তহলিং কৰি ফুৰিছিল। আনকি মানুহৰ ঘৰলৈ সোমাই আহি বাৰীৰ কলগছবোৰ ভাঙি খাই যোৱাৰ উপৰিও কোনো কোনো গৃহস্থৰ ভঁৰাল ভাঙি ধানবোৰো খাই থৈ গৈছিল। সেই সময়ত আমাৰ জীৱনতো দেখিছিলো সন্ধ্যা হলেই কৰো মানুহ ক'লৈকো ওলাব নোৱাৰিছিল। পদূলি মুখৰ জপনাখন মাৰি নাইবা নঙলা মাৰিৰে (হৰকলা) বন্ধ কৰি ঘৰৰ ভিতৰত কোনো মাতবোল নকৰাকৈ মনে মনে থাকি কাম-কাজ কৰিব লগাত পৰিছিল। কেনেবাকৈ মানুহৰ মাত শুনিলেই হিল-দল ভাঙি ঘৰত সোমাই হাতীৰ পালে ভঁৰাল ভাঙি ধানবোৰ খাই যোৱাৰ উপৰিও ঘৰ দুৱাৰো ভাঙি থৈ গৈছিল। কুৰি শতিকাৰ পাঁচ দশকলৈ বৃহত্তৰ মায়ং অঞ্চলটোত বনৰীয়া হাতীৰ এনে উপদ্ৰৱ চলি আছিল। আনহাতে পবিতৰাত আৰু গাঁও অঞ্চলৰ আশে পাশে থকা ডাঠ হাবিবোৰত বাঘবোৰে স্থায়ীভাৱে বাসস্থান পাতি লৈছিল। গাঁৱৰ গৰুবোৰ আগতে পালপাতি চৰিবলৈ নিয়াৰ নিয়ম আছিল। কেতিয়াবা কেতিয়াবা গৰখীয়াবোৰে গৰুবোৰ চৰি থাকোতে হঠাতে হাবিৰ মাজৰ পৰা চোঁ মাৰি আহি পালৰ গৰু মাৰি ওচৰতে থকা হাবিৰ মাজলৈ টানি নি খাইছিল। বাঘ আহিলেই ওচৰৰ হাবিডৰাৰ পৰা ৰাতিও বাঘ আহি গোহালিবোৰৰ পৰা গৰু মাৰি টানি নি ওচৰৰ হাবিডৰাতে খাইছিল। অকল সেয়ে নহয় ছেগ বুজি অঞ্চলটোত ২-৪ জন মানুহো খাইছিল। বাঘৰ এই উপদ্ৰৱো ছয় দশকলৈ চলি আছিল। কালৰ সোঁতত এটা সময়ত পবিতৰা আৰু আন জংঘলবোৰত থকা হাতীৰ জাক ওচৰৰ পানবাৰী অঞ্চলৰ হাতীশিলা পাহাৰলৈ গুচি গৈছিল। এতিয়াও তাত এনে হাতীৰ পাল দেখিবলৈ পোৱা যায়। কেতিয়াবা কেতিয়াবা তাৰ পৰা পাল হাতী কলং পাৰ হৈ মায়ং অঞ্চললৈ আহি ঘৰ দুৱাৰ ভাঙি থৈ ৰাতিয়েই গুচি যোৱাও দেখা পোৱা গৈছে। বৰ্তমান পবিতৰাত দুই চাৰিটা নাহৰফুটুকী বাঘৰ বাহিৰে হাত আৰু বাঘ পবিতৰা বনাঞ্চলত দেখিবলৈ পোৱা নাযায়। বানপানী হ'লে পবিতৰা বনাঞ্চলত বসবাস কৰা জীৱ-জন্তুবিলাক ওখ ওখ আটিবিলাকত আশ্ৰয় লৈ আছিল। তাৰ কিছুমান সাগৰ সদৃশ বানপানীত সাতুৰি গৈ দূৰৰ মায়ং পৰ্বতত উঠিছিল গৈ। পবিতৰা বনাঞ্চলৰ ভিতৰতে ওখ ওখ আটিবোৰত আশ্ৰয় লৈ থকা পহু-গাহৰি মাৰি আনিবৰ কাৰণে গাঁৱৰ মানুহবিলাক দলে দলে একো একোখন নাও লৈ হাতে হাতে যাঠি লৈ পহু মাৰিবলৈ যোৱাৰ নিয়ম আছিল। পবিতৰাৰ পৰা একেদিনাই চাৰি পাঁচোটাকৈ পহু মাৰি মাৰি আনি খাইছিল। শৰ-ভেলেঙী, সুগুৰী পহু ধৰি আনি বাৰীৰ তামোল গছত বান্ধি বান্ধি ৰখাও আমি দেখিছিলো। বানপানীৰ সময়ত পবিতৰা বনাঞ্চলত পহু মাৰিবলৈ যাওঁতে আমাৰ ৰজামায়ঙৰ বিপ্ৰ নাথক বাঘে কামুৰি মৰাও আমি দেখিবলৈ পাইছিলো। বাঘে পানীত সাতুঁৰি গ'লে বোলে আগছোৰা পানীৰ ওপৰতে ওলাই যায়। আঁতৰৰ পৰা চিনি নাপাই পহু বুলি নাও লৈ খেদি গ'লেই যদি বাঘহে তেন্তে পদে পদে বিপদৰ সম্ভাৱনা বেছি। কাৰণ বাঘ হ'লে উলটি ধৰি নাওখনত থকা মানুহ কামুৰি মাৰাৰ ভয় আছে। সেইবাবে নাৱৰীয়া বোৰে বানপানীত সাতুৰি গৈ থকা পহু মাৰিবলৈ গ'লে নাৱত কলদাহি (কলগছৰ টুকুৰা) এডোখৰ লৈ ফুৰে। পহু নহৈ যদি বাঘ হে হয় তেন্তে নাৱলৈ খেদি আহিলে বাঘৰ মুখত কলগছৰ টুকুৰা পেলাই দিয়ে। সেই মুহূৰ্তত বাঘে কলগছৰ টুকুৰাক কামুৰি ধৰে। কলগছৰ টুকুৰাত দাঁত সোমাই পৰিলে বাঘে দাঁত উলিয়াব নোৱাৰে। সেই অৱস্থাতে নাৱৰ হানৰু বিলাকে বাঘ হানি মাৰে। পহু মাৰি খোৱাৰ বাহিৰেও বানপানীৰ সময়তেই পবিতৰা বনাঞ্চলৰ মধ্যখণ্ডত থকা ছুটীয়া দলনিখনৰ পাৰৰ গিৰজনী মৰা নলনীডৰাত স্থায়ীভাৱে বসবাস কৰা (বাহ সাজি) ৰৰবগলী, সৈ চৰাই, কৈৰা, কণামুছৰি, বুঢ়ীকুকুৰা, আদি চৰাইৰ বাহবোৰত থকা উৰণ ঢেকীয়া পোৱালিবোৰ গাঁৱৰ মানুহবোৰে নাও লৈ গৈ জুটাজুটিকৈ বান্ধি নাও ভৰাই লৈ আহি জীয়াই জীয়াই ৰাখি বহু দিনলৈকে ভাজি ৰান্ধি খাইছিল। এবছৰ বানপানীৰ সময়ত পবিতৰা বনাঞ্চলৰ মাজেদি নাও লৈ সিপাৰৰ গাঁও এখনলৈ যাওঁতে আমি গছ-গছনিবিলাকত ৩-৪ ডালকৈ সাপ উঠি প্ৰাণৰক্ষা কৰি থকা দেখিবলৈ পাইছিলো। সেই দৃশ্য দেখি সাপে খুটাৰ ভয়ত আমাৰ চুলিৰ আগে জীৱ উৰি গৈছিল। নিচেই ওচৰেদি নাওখন পাৰ হৈ যোৱাৰ পিছতো সাপবোৰ কেতকুট নকৰাও আমি প্ৰত্যক্ষ কৰিছিলো।

**পবিতৰা বনাঞ্চলত অসম সম্পদ এশিঙীয়া গঁড়ৰ বাসস্থানৰ আৰম্ভণী ঃ**

ইং ১৯৪০ চন; বাৰিষা কাল। বজামায়ঙৰ পোনে পোনে মায়ং পৰ্বতৰ গাতে লাগি থকা বুঢ়ামায়ং গাঁৱৰ পৰা ৪ কি.মি. দূৰত্বৰ বহল পথাৰখনত সাগৰ সদৃশ বানপানী। এদিন কৰপৰা জানো বানপানীত উটি ভাঁহি আহি গঁড় এটা বজাচুবাৰ গোসাঁই উলিওৱা মেলা আৰু গড়ভঙা উৎসৱ থলীৰ গাতে লাগি থকা তৰা আৰু বেত আদিৰে ভৰা ঝাৰণীটোত সোমাল। ৰাতিপুৱা শুই উঠিয়েই চুবুৰীটোৰ মানুহে গঁড়টো দেখি ভয়ত বিতত হ'ল। চুবুৰীটোৰ ৰাইজে গঁড়টো তাৰ পৰা খেদি পঠোৱাৰ বাবে আলোচনা কৰি মায়ং অঞ্চলৰ সকলো গাঁৱৰ ৰাইজকে খবৰ দিবলৈ বামুণা বাৰিকাক পাছিলে। বামুণা বাৰিকা আছিল বাৰোবাৰী বাৰিকা। বামুনা বাৰিকাই তৎক্ষণাৎ মায়ং অঞ্চলটোৰ চুকে-কোণে হাবিতলীয়া বোকা পানীৰ বাটেৰে খোজকাঢ়ি ঘূৰি ঘূৰি অঞ্চলটোৰ গাঁওসমূহৰ ৰাইজক জাননী দি আহিলগৈ যে গঁড়টো খেদি পঠিয়াব লাগে। নহ'লে আমি ওলাব সোমাব নোৱাৰা হ'ম বুলি ৰাইজক যাঠি জোং লৈ আহিবলৈ বোলন দি আহিল। বাৰোবাৰী বাৰিকাৰ পৰা এই খবৰ পাই গাঁৱৰ মানুহবোৰে একো একোখন নাঁৱত ৮-১০ জনকৈ মানুহ যাঠি জোঙেৰে সজ্জিত হৈ আহি তৎক্ষণাৎ গঁড়টো ঘেৰি পেলালে। এটা সময়ত ঝাৰণীটোৰ পৰা গঁড়টো উলিয়াই আনি সাগৰ সদৃশ বানপানীত পেলাই লৈ চাৰিওফালৰ পৰা নাৱেৰে ঘেৰিধৰি দ পানীৰ মাজত পেলাই লৈ যাঠিবোৰেৰে হানি হানি গঁড়টো মাৰি পেলালে আৰু মাজ পানীৰ পৰা টানি টানি আনি বজাচুবুৰীৰ জুৰীয়া আঁহত গছৰ মাজত থকা বামুণ গোসাঁই থানৰ খোলাখনত উঠাই লৈ গঁড়টোৰ ছালবোৰ বখলিয়াই মাংসবোৰ কাটিবলৈ ধৰিলে। গোটেই গঁড়টোৰ মাংসবোৰ কটা হোৱাত গাঁৱে গাঁৱে মাংসবোৰ ভাগ কৰিবলৈ ধৰিলে। অবিভক্ত মায়ং মৌজাটোৰ সকলো গাঁৱৰ মুখিয়াল মুখিয়াল লোকসকললৈ মাংসৰ ভাগবোৰ পঠাবলৈ ধৰিলে। ওচৰ চুবুৰীয়া গাঁওসমূহৰ ৰাইজে মাংসবোৰ ভাগ কৰি নিলে। মই তেতিয়া আগৰ ২ য় শ্ৰেণীত পঢ়িছিলো আৰু খুৰাদেউ লক্ষ্মীৰাম নাথে মোক হাতত ধৰি গঁড় দেখুৱাবলৈ লৈ গৈছিল আৰু মই সেই গঁড়টো দেখা পাইছিলো। গঁড়ৰ মাংস খালে বোলে পুণ্য হয়। আৰু মুক্তিলাভ কৰিব পাৰে বুলি মানুহৰ এটা অন্ধবিশ্বাস আছিল সেইবাবেই খাবৰ কাৰণে মাংসবোৰ ৰাইজে ভাগ কৰি লৈ গৈছিল। আমি কিছু সময় চাই গুচি আহিছিলো। ককাদেউতাই আমাৰ ঘৰলৈকো মাংসৰ ভাগ এটা লৈ আহিছিল। আইতাই বৰ ধুনীয়াকৈ বান্ধি দিছিল আৰু পৰিয়ালটোৰ ভিতৰত পিতাইদেউ আৰু মইহে খাইছিলো। কিন্তু গোন্ধত খাব নোৱাৰি গোটেই পেলাই দিছিলো। খড়গটো ৰাইজে কি কৰিলে গম নাপালো। কাৰণ গঁড়টো দেখুৱাই খুড়ালোদেউৱে মোক তাৰ পৰা লৈ আহিছিল। এই ঘটনাৰ দুই তিনি বছৰমানৰ পিছত গম পাইছিলো গঁড়টো মাৰি কাটি খোৱাৰ বাবে অবিভক্ত মায়ং মৌজাৰ ৰাইজক চৰকাৰে পাইকাৰী জৰিমনা কৰিছিল আৰু প্ৰতিবিঘা মাটিৰ খাজনাৰ লগত চাৰিঅনাকৈ জৰিমনা আদায় কৰি লৈ গৈছিল। এই গঁড়টো কৰ পৰা কেনেকৈ আহি ইয়াত সোমাইছিল সেই কথা আৰু কোনেও জনা নাছিল। তাৰ পিছৰ কেইবছৰমানলৈ কোনেও মায়ঙত গঁড় দেখা নাছিল।

ইং ১৯৪৫ চনৰ কথা। মই মায়ং এম ই স্কুলৰ ৫ ম শ্ৰেণীৰ ছাত্ৰ। ডুবতলী ওচৰৰ বিলৰ মাজু আটিটোত আমাৰ আহুধানৰ খেতি কৰিছিল। ধান বিন্ধোৱা আলিবোৰত বাঙি পেলাইছিল। আহু তলীত এখন টঙীও সাজিছিল। কিন্তু চালিখন দিয়া হোৱা নাছিল। মায়ঙৰ ম'হ গোৱালবোৰে সদায়ে মূৰৰ হোলাটোত ম'হবোৰ এৰি দি আমাৰ আহুতলীৰ মাজত লাগি থকা পকা পকা বাঙিবোৰ চিঙি আনি দহে বাৰই টঙীখনত উঠি লৈ গুৱালবোৰে খাই খাই থৈ আহিছিল। একেখন টঙীতে ১০-১২ টাকৈ মানুহ উঠি উঠি টঙীখনৰ খুটাবোৰ বুঢ়াগৰুৰ দাঁত নৰাৰ নিচিনাকৈ নৰাই থৈছিল। আহুধান পকিছিল। হোলা কেইটাত বানপানী হৈছিল আৰু পূবৰ ফালে আহুধানতো বানপানী উঠিছিল। ধানবোৰ কাটিবলৈ নাও লৈ যাব লগা হৈছিল। নাৰো পোনে পোনে নিব নোৱাৰি ভেৰভেৰী জানেদি ঘূৰাই নি মূৰৰ হোলা সোমাই হোলাই হোলাই দক্ষিণলৈ গৈ আমাৰ আহুধান তলীলৈ যাব লাগিছিল। সেইদিনা আমাৰ ডাঙৰ চামকাঠৰ নাওখন লৈ ককাদেউতা, আইতা আৰু পিতাদেউ আহুধান কাটিবলৈ গৈছিল। ময়ো তেওঁলোকৰ লগত ধান কাটিবলৈ গৈছিলো। নাওখন ধাননিডৰাৰ পূবত টঙীখনৰ পৰা ১ নল মান দূৰতে বামত লগাই থৈ আমি চাৰিওটাই ধান কাটি আছো। সেইবছৰ হোলাটোৰ মাটি ভাঙি উলিওৱাৰ কাৰণে হাবিজংঘলবোৰ জুৰি কাটি থোৱা আছিল। গোটেই হোলাটো মুকলি। বানপানী হোৱাৰ কাৰণে কটা জংঘলবোৰ উপঙি উঠিছে। কিছু সময় পিছত শব্দ এটা কাণত পৰাত কিহৰ শব্দ বুলি পিতাদেৱে টঙীখনত উঠি চাবলৈ ক'লে। মই টঙীখনত উঠিলো, কিন্তু একো নেদেখিলো। লাহে লাহে

পানীত হোৱা হলৌহলৌ শব্দ আহিবলৈ ধৰাত পিতাদেউৰ গা নৰ'ল আৰু তুৰন্তে নিজে আহি টঙীখনত উঠি যি দেখিলে ভয়ত তত হেৰুৱাই লৰালৰিকৈ আমাৰ তিনিওটাকে টঙীখনত উঠি আহিবলৈ ক'লে আৰু আমি আটাইকেইটা দৌৰি আহি টঙীখনত উঠিলো। টঙীখনে ক'লে যাও গোপাল, ক'লৈ যাওঁ কৃপাল লগালে। অৰ্থাৎ টঙীখন ঘটঘটাই লৰি থাকিবলৈ ধৰিলে। চালি নথকা নঙঠা টঙীখন ম'হ গোৱাল সোপাই সেই অৱস্থা কৰি থৈছে। আমি চাৰিওটাই ভগৱানকে চিন্তা কৰিবলৈ ধৰিলো। চাই থাকোতেই চকুৰ পচাৰতে হোলাটোৰ পানী ভাঙি জুৰি কাটি থোৱা হাবিবোৰৰ কিছুমান বুকুৰ মাজত সুমুৱাই লৈ আমাৰ নাওখনৰ দ পানীৰ ফালে থকা নাৱৰ টিঙাটোৰ মূৰেদি টঙীখনৰ পৰা ৮-১০ হাতমান ওচৰেদি তৰা নৰাছিঙি দৌৰি দৌৰি মাইকী গঁড়জনী খাৰ খোৱা হোলাই দি পবিতৰা বনাঞ্চল মুৱাকৈ গুচি গ'লে। বৰজানৰ পাৰ আৰু খাৰ খোৱা হোলাৰ আহুধানৰ পথাৰত ধান কাটি থকা মতা-তিৰোতা মানুহবিলাকে গঁড়জনী দৌৰি যোৱা দেখি চিঞৰ-বাখৰ লগাই দৌৰাদৌৰি কৰি হাতৰ ধান দলিয়াই নিৰাপদ স্থানলৈ গুচি গ'ল। কিছুসময়ৰ পিচতেই ধান কাটি থকা মানুহবিলাকৰ ফাঁকে ফাঁকে সৰকি গঁড়জনী পবিতৰা বনাঞ্চললৈ দৌৰি গৈ থাকিল। ইপিনে আমি টঙীত উঠি থাকোতেই কিছু সময়ৰ পিচতেই মতা গঁড়টো আহি হোলাটোৰ মাজতেই মাইকী গঁড়জনী অহাৰ পজাল হেৰুৱাই আমাৰ পৰা এবিঘামান মাটিৰ আঁতৰেদি দৌৰি আহি আমাৰ সীমাতে থকা ৰসধৰ দাদাৰ মাটিদাগৰ ওখ ঘন কঁহি বন এডৰাৰ মাজ পাওতেই বৰহোলা আৰু খাৰখোৱা হোলাত ধান কাটি থকা মানুহবিলাকৰ চিঞৰ বাখৰ শুনি কঁহিবন ডৰাতে গঁড়টো থমকি ৰ'ল আৰু তাতে প্ৰায় আধাঘণ্টামান সময় গজঙা পিটি থাকিল। ইপিনে কিন্তু আমাৰ কণ্ঠত ধাতু নোহোৱা হল। ভাগ্যে যেনিবা আধাঘণ্টামান পিচতেই মাইকী গঁড়জনী যোৱাৰ দিশে মতা গঁড়টোও বিশ্বাশৰদে দৌৰি গুচি গ'ল। এটা সময়ত মতা মাইকী দুয়োটা গঁড় পবিতৰা বনাঞ্চলত সোমাই পৰিল। বুজিবলৈ বাকী নাথাকিল এয়া পালখোৱাৰ সময়। সেইবাবেহে এনেদৰে সিহঁতে ঘূৰি ফুৰিছে। এই গঁড় দুটা ক'ৰপৰা আহিছিল জানিব পৰা নগ'ল। বন-জংঘল ঘাঁহ পানীৰে ভৰা পবিতৰা বনাঞ্চল (পি জি আৰ) সুযোগ সুবিধা পাই ইয়াতেই সেই দুটা গঁড়ে প্ৰথম প্ৰথমে বসতি কৰিবলৈ লৈছিল। ইয়াৰ আগতে পবিতৰা বনাঞ্চলত গঁড় থকা কোনো ৰাইজে আমি দেখা পোৱা নাছিলো।

ওপৰত উল্লেখ কৰি অহা ইং ১৯৪৫ চনৰ পৰা পবিতৰা পি. জি আৰত স্থায়ীভাৱে অসম সম্পদ গড়ে বাসস্থান লয়। তেতিয়াৰ পৰা গঁড়ৰ সংখ্যা ক্ৰমে ক্ৰমে বৃদ্ধি হৈ আহিবলৈ ধৰে। ইং ১৯৭০ চন মানলৈ গঁড়ৰ সংখ্যা বৃদ্ধি হৈ আহি ১১০ মান হৈছিল গৈ। এই গঁড়বোৰ পবিতৰা পি জি আৰৰ পৰা দলবান্ধি বাহিৰলৈ ওলাই আহি ওচৰৰ গাঁওসমূহৰ খেতিয়ক ৰাইজে অশেষ পৰিশ্ৰমেৰে কৰা আহু, বাও, মৰাপাট, কুঁহিয়াৰ, শালিধানৰ কঠিয়া, শালিধান, বৰোধানৰ কঠিয়া আৰু বৰোধানবোৰ খচি ঘোডালি খাই বহুতো ক্ষতিসাধন কৰিছিল আৰু আজিলৈ ক্ষতি কৰিয়ে আছে। বৃহত্তৰ মায়ং অঞ্চলটোতে বৰ্তমান গঁড়ৰ বিচৰণথলী হৈ পৰা দেখা গৈছে। খেতি-বাতি অনিষ্ট কৰাৰ উপৰিও ঠায়ে ঠায়ে মানুহো মাৰিছিল। মাইকীগঁড়ৰ পালখোৱা সময় আহিলে মাইকী গঁড়জনীৰ ওচৰত দুটা মতা গঁড় লগ লাগিলেই সিহঁতৰ ভিতৰত যুদ্ধ-বিগ্ৰহ লাগি বলী গঁড়টোৱে দুৰ্বলী গঁড়টোক পিছে পিছে খেদি খড়গৰে হনা-খোচা কৰি বহুত দূৰলৈ খেদি লৈ যায়। হনা-খোচা লাগিলে বেছি জখমী গঁড়টোৰ গাত ডাঙৰ ডাঙৰ পোক লাগে। এনেদৰে পোক লগা গঁড়ো মৰে। চোৰাং চিকাৰীবোৰেও গঁড় মাৰে। ইং ১৯৭৯ চনৰ বছৰটোত চোৰাং চিকাৰীয়ে অগা-পিছাকৈ সৰু ডাঙৰ ছটা গঁড় মাৰিছিল। নগাঁও জিলা বন বিভাগে আৰু ধৰমতুল বনাঞ্চলিক বিষয়াই যুটীয়াভাৱে অভিযান চলাই কিছুমান চোৰাং চিকাৰীক কৰায়ত্ব কৰাৰ উপৰিও ছেগো-চোৰোকাকৈ ৪ টা মান খড়গ উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল।

**বেদখল আৰু উচ্ছেদ অভিযান ঃ**

হৰিণাৰ গাৰ মঙহেই বৈৰী হোৱাৰ দৰে হাতীগড় ভি জি আৰ ঠেংভাঙ্গা ভি জি আৰ পবিতৰা পি জি আৰ বিশাল বনাঞ্চল খনৰ প্ৰতি বাহিৰৰ ভূমিহীন লোকৰ লোলুপ দৃষ্টিত বছৰৰ পিছত বছৰ ধৰি এই তিনিওখন বনাঞ্চল বেদখলৰ কবলত পৰি আহিছিল। ইং ১৯৫৭ চনত পোন প্ৰথমে কামৰূপ জিলাৰ হাজো অঞ্চলৰ পৰা ২৫০ ঘৰ মানুহ আহি হাতীগড় ভি জি আৰ পৰা আৰম্ভ কৰি পবিতৰা পি জি আৰলৈকে জংঘল চাফা কৰি পাম ঘৰ সাজি হালকোৰ বাই বেদখল আৰম্ভ কৰিছিল। আমাৰ বৃহত্তৰ মায়ং অঞ্চলৰ মুখিয়াল লোকসকল যথাক্ৰমে কমাৰপুৰ গাঁৱৰ প্ৰয়াত ৰসধৰ ডেকা গাঁওবুঢ়া, মাণিক ডেকা, ধামখুন্দা গাঁৱৰ প্ৰয়াত ললিত ডেকা, নৱকান্ত ডেকা, চন্দ্ৰ ডেকা, গৰুবান্ধা গাঁৱৰ প্ৰয়াত জাৰমন ডেকা, তপোৰাম ডেকা, মিটনীগাঁৱৰ প্ৰয়াত দেৱ ডেকা মণ্ডল, হাতীগড় খুটীৰ বৌদ্ধমান শৰ্মা, ৰজামায়ং

গাঁৱৰ প্ৰয়াত মেদাৰাম নাথ, ফটিক চন্দ্ৰ নাথ, গাঁওবুঢ়া ৰঘুবৰ নাথ, গঙ্গাৰাম নাথ, প্ৰেমানন্দ নাথ, শ্ৰীদিপন চন্দ্ৰ নাথ, (লিখক নিজে) হাতীমূৰীয়া গাঁৱৰ প্ৰয়াত ধিৰ চিং বিষয়া গাঁওবুঢ়া মহেন্দ্ৰ বিষয়া, লোন মাটি গাঁৱৰ প্ৰয়াত পদোৰাম শইকীয়া গাঁওবুঢ়া ৰত্নকান্ত হাজৰিকা, হৰিচন্দ বৰা (মণ্ডল) দেবেশ্বৰ হাজৰিকা (মণ্ডল) সতীভেটী গাঁৱৰে প্ৰয়াত হংসৰাম শইকীয়া, দধি শইকীয়া, ভূবন পিয়ন, শিলডুবি গাঁৱৰ মণিৰাম মেধী, গাঁওবুঢ়া কুচীয়ানী পাম গাঁৱৰ প্ৰয়াত আহিনা কোঁৱৰ (ঘিণ কোঁৱৰ) হাদুগ খুটীৰ নেপালী প্ৰয়াত পদ্মমাৰা, বাউলুঙৰ, ধুলে আদি লোকসকলৰ যত্নত মৰিগাঁও ৰাজহ চক্ৰৰ (চাৰ্কোল অফিচ) চক্ৰ বিষয়াৰ (এচডিচি) ওচৰত আবেদন কৰি পুলিচৰ সৈতে এচ ডি চি লৈ আহি এই বেদখলকাৰী সকলৰ ঘৰ দুৱাৰ ভাঙি উচ্ছেদ কৰি দিয়া হৈছিল। উচ্ছেদৰ সময়ত ওপৰত নাম উল্লেখ কৰি অহা মায়ং অঞ্চলৰ লোক সকলো উপস্থিত আছিল। এই উচ্ছেদ অভিযানত বেদখলকাৰী সকলৰ ২৫০ খন নাঙল, যুঁৱলি একেঠাইতে দমাই জুই লগাই পুৰি পেলোৱা হৈছিল। এই ঘটনাৰ পিচতে ভয়পাই বেদখলকাৰীসকল ঘূৰি যাবলৈ বাধ্য হয়। ইয়াৰ কেইবছৰমান পিছতেই ইং ১৯৬৭ চনত নগাঁও জিলাৰ ৰূপহী আৰু জুৰীয়া অঞ্চলৰ পৰা প্ৰায় ৭৫০ ঘৰ মান মুছলমান সম্প্ৰদায়ৰ লোক আহি হাতীগড় ভি জি আৰৰ পৰা আৰম্ভ কৰি পবিতৰা পি জি আৰটো জুৰি পশ্চিমৰ হাদুগজান দলঙলৈ ওচৰৰ কৰৈ বাৰীলৈকে ব্যাপি জুপুৰী পঁজা সাজি ব্যাপকভাৱে বেদখল আৰম্ভ কৰি দিছিল। সেইবছৰো বৃহত্তৰ মায়ং অঞ্চলৰ তথা কথিত মুখিয়াল লোকসকলে নগাঁও জিলাৰ উপায়ুক্ত মহোদয়ৰ ওচৰত জোৰদাৰ আবেদন কৰি জৰুৰীভাৱে উচ্ছেদৰ হুকুম কৰাই মৰিগাঁও চাৰ্কোল অফিচৰ এচডিচি মাননীয় শ্ৰীযুত জীতেন্দ্ৰনাথ গোস্বামী দেৱৰ দ্বাৰা উচ্ছেদ অভিযান আৰম্ভ কৰা হৈছিল। এচ ডি চি মহোদয়ে ধৰমতুল বনাঞ্চলৰ পৰা হাতী এটা আৰুটন লৈ কমাৰপুৰ গাঁৱত শিবিৰ পাতি গাঁওবুঢ়া প্ৰয়াত ৰসধৰ ডেকাৰ তত্বাৱধানত একেলেথাৰিয়ে চাৰিদিন ধৰি উচ্ছেদ অভিযান চলোৱা হৈছিল। এচ ডি চি মহোদয়ে মায়ং অঞ্চলৰ আমাৰ নিচিনা ডেকা ল'ৰা সকলৰো সহায় লৈছিল। তেখেতৰ অনুৰোধত উক্ত উচ্ছেদ অভিযানত আমি অঞ্চলটোৰ সকলো ডেকা ল'ৰা জঁপিয়াই পৰিছিলো। প্ৰতিদিনে দিনৰ দিনটো ৰাতিপুৱাৰ পৰা গধূলিলৈকে এচ ডি চি মহোদয়ে হাতীৰ পিঠিত উঠি এফালৰ পৰা বেদখলকাৰীসকলৰ পঁজাঘৰবোৰ হাতীৰে ভাঙি থৈ গৈছিল আৰু আমি ডেকা ল'ৰা বোৰে হাতীলগাই ভাঙি থৈ যোৱা পঁজাঘৰবোৰ দাই দি কাটি টুকুৰা-টুকুৰ কৰি জুই লগাই দি এফালৰ পৰা পুৰি পুৰি থৈ গৈছিলো। ডেকাসকলৰ ভিতৰত আছিলো বজামায়ং গাঁৱৰ লিখক মই নিজে সৰ্বশ্ৰী যোগেন কোঁৱৰ, হেম কোঁৱৰ, কনক ডেকা, প্ৰয়াত নৰেন ডেকা, পদো ডেকা, নৰেন নাথ, প্ৰেমানন্দ নাথ, ভালমান নাথ, হোমেশ্বৰ নাথ, গোবিন নাথ, চন্দ্ৰ নাথ, প্ৰেমা নাথ, শ্ৰীকামেশ্বৰ নাথ হাতীমূৰীয়া প্ৰয়াত ভদ্ৰেশ্বৰ মেধী, ধৰ্মেশ্বৰ বিষয়া, গোবিন্দ বিষয়া, চন্দ্ৰকান্ত ডেকা, শ্ৰীলক্ষ্মীকান্ত মেধী, শ্ৰীনৰেন ডেকা, কালশিলাপাৰ গাঁৱৰ প্ৰয়াত ফুলচিং ডেকা, মনিয়া ডেকা, শ্ৰীযোগেন ডেকা, লোনমাটি গাঁৱৰ প্ৰয়াত ভদ্ৰেশ্বৰ শইকীয়া, শ্ৰীৰতিকান্ত শইকীয়া আদি কৰি অঞ্চলটোৰ জ্ঞাত-অজ্ঞাত বহুতো ডেকা ল'ৰাই উক্ত উচ্ছেদ অভিযানত অংশগ্ৰহণ কৰিছিলো। এইদৰে একেবাহে চাৰিদিন ধৰি উচ্ছেদ অভিযান চলাই সম্পূৰ্ণৰূপে ৭৫০ ঘৰ মুছলমান সম্প্ৰদায় লোক হাতীগড় ভি জি আৰ আৰু পবিতৰা পি জি আৰৰ পৰা খেদি পঠোৱা হৈছিল। স্থানীয় অঞ্চলবাসী মুখিয়াললোক তথা ডেকা শক্তিৰ সহযোগত উচ্ছেদ অভিযানৰ সফল সামৰণি মাৰি এচ ডি চিৰ মহোদয়ে হাতীত উঠি মৰিগাঁও কাৰ্যালয়লৈ উভটি গৈছিল। সেইবাৰলৈ ৰাইজেও স্বস্তিৰ নিশ্বাস পেলাইছিল।

**অবিভক্ত পবিতৰা সুৰক্ষা সমিতি গঠন ঃ**

বনাঞ্চল কেইখনৰ প্ৰতি সময়ে সময়ে বাহিৰৰ পৰা অহা বেদখলকাৰীসকলৰ ভাবুকি তথা স্থায়ীভাৱে বসবাস কৰা অসম সম্পদ গড় আদি বনৰীয়া জীৱজন্তুবিলাকৰ সংৰক্ষণৰ কাৰণে চিন্তা চৰ্চা ইং ১৯৬৭ চনত বৃহত্তৰ মায়ং অঞ্চলৰ মুখিয়াল লোকসকলক লৈ হাতীগড়, ঠেংভাঙ্গা ভি জি আৰ আৰু পবিতৰা পি জি আৰ সামৰি অবিভক্ত "পবিতৰা বনাঞ্চল সুৰক্ষা সমিতি" এখন গঠন কৰা হৈছিল। সমিতিখনৰ সভাপতি আছিল অবিভক্ত নগাঁও জিলাৰ পশ্চিম অঞ্চলটোৰ ভিতৰতেই একমাত্ৰ প্ৰভাৱশালী মুখিয়াল লোক তথা মন্ত্ৰী, এম এল এ জিলা উপায়ুক্ত আৰু বিষয়াসকলৰ চিৰ পৰিচিত কমাৰপুৰ গাঁও নিবাসী প্ৰয়াত ৰসধৰ ডেকা গাঁওবুঢ়া। বনাঞ্চল কেইখন ৰক্ষণাবেক্ষণৰ ক্ষেত্ৰত তেৱেঁই আছিল একমাত্ৰ অত্যুসাহী সাহসী আৰু বুদ্ধিয়ক ব্যক্তি। এই সুৰক্ষা সমিতিখনৰ সম্পাদক আছিল এই ইতিবৃত্তৰ লিখক নিজেই। আমি এই সুৰক্ষা সমিতিখনে চাৰিওফালে বেদখলৰ ওপৰত চোকা নজৰ ৰাখিব লগাত পৰিছিলো। ওপৰত উল্লেখ কৰা বনাঞ্চল কেইখনত খুটী দিয়া ম'হ, গৰু পালক সকলৰ

মুক্তভাৱে চৰিফুৰা ম'হ, গৰুৱে অকস্মাত বনাঞ্চলৰ পৰা ওলাই আহি ৰাইজৰ খেতিপথাৰ খোৱাৰ বাবে গঞা ৰাইজৰ লগত গুৱাল গৰখীয়াবোৰৰ হোৱা কাজিয়া পেচালবোৰো এই সমিতিখনে মীমাংসা কৰি দিব লগাত পৰিছিল। তদুপৰি বনাঞ্চল কেইখনত স্থায়ীভাৱে বসবাস কৰি থকা বনৰীয়া জীৱ-জন্তু তথা অসম সম্পদ গঁড়বোৰৰ হানি-বিঘিনি হ'লে উঁহঁৰ বাতৰি উঁহঁৰে নগাওঁ জিলাৰ বনবিভাগৰ ডি এফ এ মহোদয়ক জনাই উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰোৱাই থাকিব লগাত পৰিছিলো। ইয়াৰ পিছতো কামৰূপ জিলাৰ চাংসাৰী অঞ্চলৰ পৰা প্ৰায় ১৫০ ঘৰ মানুহ পবিতৰা বেদখল কৰিবলৈ আহিছিল। তেওঁলোকে পোনপ্ৰথমে ৰজামায়ং গাঁৱতে আশ্ৰয় লৈ দুই এজন লোকৰ সহায়ত পবিতৰা পি জি আৰত বেদখল কৰিবলৈ যো-জা কৰি থাকোতেই আমাৰ সুৰক্ষা সমিতিখনে গম পাই জৰুৰীভাৱে এখন ৰাজহুৱা সভাপাতি বেদখলকাৰীসকলক এইবাৰ জীয়ন্তে পুৰি মাৰিব বুলি সভাই চাৰিওফালে প্ৰচাৰ কৰি দিয়া হ'ল। অঞ্চলবাসী ৰাইজৰ এনে ভাবুকি পাই ভীতিগ্ৰস্ত হৈ ৰজামায়ং গাঁৱৰ পৰাই বে-দখলকাৰী সকলে ঘূৰি গুচি গৈছিল।

**বনাঞ্চল কেইখন তথা অসম সম্পদ গঁড় আদি বনৰীয়া জীৱ-জন্তু বিলাকৰ ভৱিষ্যত সুৰক্ষাৰ বাবে চৰকাৰৰ লগত যোগাযোগ ঃ**

মায়ং মৌজাৰ এই অবিভক্ত বৃহৎ বনাঞ্চলখনৰ প্ৰতি অসমৰ বিভিন্ন ঠাইৰ লোকসকলৰ লোলুপ দৃষ্টিৰ বাবেই সময়ে সময়ে হৈ থকা বেদখল বৃহত্তৰ মায়ঙবাসীৰ পক্ষে ক্ৰমান্বয়ে অসহনীয় হৈ আহিছিল। সেইবাবেই বনাঞ্চলখনত স্থায়ীভাৱে বসবাস কৰিবলৈ লোৱা গঁড় আদি বনৰীয়া জীৱ-জন্তুবিলাকৰ ভৱিষ্যত নিৰাপত্তাৰ বাবে বিশেষভাৱে চিন্তা-চৰ্চা কৰিবলৈ অবিভক্ত পবিতৰা বনাঞ্চল সুৰক্ষা সমিতিৰ এখন সাধাৰণ সভা অনুষ্ঠিত কৰা হ'ল। উক্ত সভাত বিভিন্নজনে বিভিন্ন ধৰণে নানা দিহা পৰামৰ্শ আগবঢ়ায়। সৰ্বশেষত নানা চিন্তা-চৰ্চা কৰি বনাঞ্চল কেইখন অসম চৰকাৰৰ বন আৰু বন্যপ্ৰাণী বিভাগক চমজাই দিয়াটোকেই থিটাং কৰি সঁজাতী দল পঠিয়াই চৰকাৰৰ ওচৰত আবেদন-নিবেদন কৰি থকা হ'ল। কেইবাবছৰ ধৰি উপৰ্য্যুপৰি আবেদন নিবেদন কৰি থকাৰ উপৰিও বাতৰি কাকত যোগেও অসম চৰকাৰৰ চোকা দৃষ্টি আকৰ্ষণ কৰা হ'ল। নগাঁও সংমণ্ডলৰ বন বিষয়া, অসমৰ মুখ্যমন্ত্ৰী, বনমন্ত্ৰী, কমিচনাৰ ছেক্ৰেটৰী, কনজাৰভেটৰ মহোদয়ৰ ওচৰত অবিভক্ত পবিতৰা বনাঞ্চল সুৰক্ষা সমিতিৰ তৰফৰ পৰা অবিৰত ভাৱে হেঁচা প্ৰয়োগ কৰি থকা হ'ল। আবেদন লিখা, বাতৰি কাকতত দিয়া আদি সকলো কাম কৰাৰ ভাৰ পৰিছিল ৰজামায়ং গাঁও পঞ্চায়তৰ ছেক্ৰেটৰী প্ৰয়াত ৰত্নকান্ত হাজৰিকাৰ সৈতে সুৰক্ষা সমিতিৰ সম্পাদক এই ইতিবৃত্তৰ লিখকৰ ওপৰত। আমি দুয়ো ৰজামায়ং গাঁও পঞ্চায়তৰ কাৰ্যালয়তে বহি প্ৰায়ে পবিতৰা বনাঞ্চলখন অভয়াৰণ্য হিচাপে ঘোষণা কৰিবলৈ অসম চৰকাৰৰ বন বিভাগলৈ আবেদনসমূহ লিখা খবৰ কাগজলৈ বাতৰি পঠোৱা আদি কাম কৰাৰ বাহিৰেও অত্যুৎসাহী মুৰব্বী মুখিয়াল প্ৰয়াত ৰসধৰ ডেকা গাঁওবুঢ়াৰ সৈতে আলোচনা কৰি সঁজাতী দল হিচাপে আমি তিনিজন অসম চৰকাৰৰ বন বিভাগৰ উৰ্দ্ধতম কৰ্তৃপক্ষৰ ওচৰলৈ যাব লগা হৈছিল। আমাৰ এই কামত ৰাজহুৱা সভাত উপস্থিত নথকা মায়ঙৰ কিছু সংখ্যক লোকে বিৰোধিতাও কৰিছিল আৰু বাটে পথে আমাৰ লগত প্ৰতিবাদো কৰিছিল আৰু বাধাও দিছিল। আমি কিন্তু নাছোৰবান্দা আছিলো। কোনো কাৰণতে ক্ষান্ত থকা নাছিলো।

**পবিতৰা সংৰক্ষিত বনাঞ্চল ঘোষণা ঃ**

কেইবাবছৰ ধৰি অসম চৰকাৰৰ ওচৰত উপৰ্য্যুপৰি নানাভাৱে আবেদন নিবেদন কৰি খবৰ কাকতৰ জৰিয়তে হুলস্থূল লগাই চৰকাৰৰ ওচৰলৈ বাটকুৰি বাই থকাৰ মূৰত অৱশেষত বাধ্য হৈ যোৱা ইং ১৯৭১ চনৰ ১৮-১১-৭১ তাৰিখ Govt. Notification No/4 Settlement/ 542/65/54/Memo No. মৰ্মে অসম চৰকাৰে গেজেট নটিফিকেচন যোগে সীমাখুটী নিৰূপন কৰি মাটিকালিৰে সৈতে পবিতৰা পি জি আৰ খন সংৰক্ষিত বনাঞ্চল হিচাপেহে ঘোষণা কৰে। ইয়াৰ কপি ৰজামায়ং গাঁও পঞ্চায়ত কাৰ্যালয়লৈ আহিছিল। ইয়াৰ মাটিকালি আছিল ১৫৮৪.৭৬ হেক্টৰ বা ১২,০০০ বিঘা। হাদুগ বিলৰ দক্ষিণ পাৰত পি জি আৰ হৈ থকা দিনৰ পৰাই দেশ বিভাজনৰ আগৰে পৰা কিছুমান নেপালী সম্প্ৰদায়ৰ ম'হ, গৰুপালকে ঘৰমূৰি মাটি ভগাই লৈ স্থায়ীভাৱে ঘৰ দুৱাৰ সাজি গৰু, ম'হৰ খুটী দি গাখীৰৰ ব্যৱসায়ো কৰি আছিল। পবিতৰাৰ দক্ষিণ সীমাত আন কিছুমান নেপালী লোকেও গৰু, ম'হৰ খুটী দি তেওঁলোকেও গাখীৰৰ ব্যৱসায় কৰি আছিল। এই দুয়োটা খুটী যথাক্ৰমে হাদুগৰ খুটী আৰু হাতীগড় খুটী নামে জনাজাত আছিল। এই দুয়ো ঠাইৰ নেপালী খুটীয়াল সকলৰ মিলাপ্ৰীতিও আছিল আৰু তেওঁলোকে এৰা গাখীৰ দৈ আৰু ক্ৰীম আদিৰ ব্যৱসায় একেলগেই কৰিছিল। কলং সুঁতিয়েদি নাৱেৰে গাখীৰৰ পৰা উৎপাদিত সকলো সামগ্ৰীৰ

দূৰ-দূৰণিলৈ চালান দিছিল। বনৰীয়া হাতীধৰা মাটিৰ গঁড়টো ঠেংভাঙ্গা ভি জি আৰৰ অন্তৰ্গত। অসম চৰকাৰে বনাঞ্চল ঘোষণা কৰাৰ সময়তে এই ঠেংভাঙ্গা নকৰি ভি জি আৰ হিচাপে কৰ্তন কৰি ৰাখিছিল। এই কথা জানিব পাৰি আমি সংৰক্ষণ সমিতিৰ সভাপতি আৰু সম্পাদক দুয়ো নগাঁও ডি এফ অ' মহোদয়ৰ ওচৰলৈ গৈ উক্ত কৰ্তন কৰি ৰখা ২৫০ বিঘা মাটিও সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্ভুক্ত কৰিব লাগে বুলি আবেদন কৰিছিলো। কিন্তু দুঃখৰ বিষয় কোনো লাভ নহ'ল। কাৰণ মোটা অংকৰ বিনিময়ত প্ৰভাৱশালী কোনো ৰাজনৈতিক নেতাৰ হস্তক্ষেপত কৰ্তন কৰি ৰখা এইখিনি মাটি সংৰক্ষতি বনাঞ্চলৰ অন্তৰ্ভুক্ত নহ'ল।

অসম চৰকাৰে পবিতৰা পি জি আৰটো সংৰক্ষিত বনাঞ্চল ঘোষণা কৰি হাদুগ খুটীৰ নেপালী খুটীয়ালসকলক তাৰ পৰা উচ্ছেদ কৰি হাতীগড় ভি জি আৰৰ উত্তৰ সীমাৰফালে ১৫০ বিঘা মাটি পুনৰ সংস্থাপনৰ কাৰণে আবণ্টন কৰি দিছিল। কেইবাবছৰ ধৰি চৰকাৰে বাৰে বাৰে জাননী জাৰি কৰি থকাটো আবণ্টন পোৱা স্থানলৈ তেওঁলোক স্থানান্তৰ নহৈ সৰ্বশেষত উপায়ান্তৰ হৈ ১৫ ঘৰ নেপালী খুটীয়াল লোক ৰজামায়ং গাঁৰৰ ওচৰত বাৰংবাৰ আবেদন নিবেদন জনাই আহাৰ পিছত তেওঁলোকৰ দুৰ্দশা দেখি দয়া পৰবশ হৈ মুৰব্বী ভি জি আৰ দক্ষিণ মূৰৰ বৰী এটা তেওঁলোকক এৰি দিয়ে আৰু তাতে আহি ঘৰমুৰি ভগাই লৈ স্থায়ীভাৱে ঘৰ দুৱাৰ সাজি খুটী দি ম'হ গৰু পালন কৰি থাকিবলৈ লয়। বাকী ১২ ঘৰমান খুটীয়াল ঠেংভাঙ্গা ভি জি আৰত গৈ সংস্থাপিত হয়। হাদুগ খুটীত স্থায়ীভাৱে বসবাস কৰি থকা কালত এই নেপালী সম্প্ৰদায়ৰ খুটীয়াল লোকসকলে অসমীয়া মাধ্যমৰ এখন বিদ্যালয় স্থাপন কৰিছিল আৰু বিদ্যালয়খন চৰকাৰীও হৈছিল। পবিতৰা সংৰক্ষিত বনাঞ্চলৰ পৰা গাঁওখন উঠিব যাব লগা হোৱাত ঠেংভাঙ্গা ভি জি আৰত গৈ বহু খুটীয়ালসকলে বিদ্যালয়খনো তালৈ উঠাই লৈ গৈছিল।

**হাদুগ বিল আৰু তামুলীডুবাৰ চৰকাৰী ডাক উঠাই দিয়াৰ প্ৰচেষ্টা ঃ**

অসম চৰকাৰে পবিতৰা পি জি আৰটো সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰিলেও এই সংৰক্ষিত বনাঞ্চলখনৰ গাতে লাগি থকা হাদুগ বিলখন আৰু তামুলীডুবাটো বহু বছৰলৈকে ৰাজহ বিভাগে চৰকাৰীভাৱে ডাক যোগে বিক্ৰী কৰিয়েই আছিল। এই বিষয়ে বিশদভাৱে চিন্তা কৰা হ'ল যে যিহেতু বনাঞ্চলখন সংৰক্ষিত হ'ব, বনাঞ্চলখনৰ গাতে লাগি থকা হাদুগ বিলখন আৰু তামুলীডুবাটো যদি ৰাজহ বিভাগৰ ডাক চলিয়েই থাকে তেন্তে ভৱিষ্যতে ইয়াৰ দ্বাৰা নিশ্চয় বনবিভাগ আৰু মীন মহলদাৰ সকলৰ মাজত সংঘাতৰ সৃষ্টিহে হ'ব আৰু ফলস্বৰূপে বন্যজন্তু বিলাকৰ বিপদ আহিব। এই চিন্তা চৰ্চা কৰি চৰকাৰৰ ওচৰত আবেদন নিবেদন কৰি হলেও চৰকাৰী ডাক উঠাই দি বিলখন আৰু ডুবাটো সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্ভুক্ত কৰি দিয়াটোহে ভাল হ'ব বুলি বিবেচনা কৰা হ'ল। এই উদ্দেশ্য আগত ৰাখি আমাৰ সংৰক্ষণ সমিতিৰ তৰফৰ পৰা সভাপতিৰ পৰামৰ্শক্ৰমে মই আৰু আমাৰ ৰজামায়ং গাঁও পঞ্চায়তৰ চেক্ৰেটাৰী প্ৰয়াত ৰত্নকান্ত হাজৰিকাৰ লগত লগ লাগি একাণপতীয়াভাৱে লাগি থাকিব লগাত পৰিছিলো। চৰকাৰৰ ওচৰত আবেদন কৰা, বাতৰি কাকত যোগে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰা আদি লিখা মেলা কাম বিলাক আমি দুয়ো প্ৰায়ে পঞ্চায়ত কাৰ্যালয়তে বহি বহি কৰিছিলো। এই ক্ষেত্ৰত অসমৰ বনমন্ত্ৰী, ৰাজহমন্ত্ৰী, মীনমন্ত্ৰী, আয়ুক্ত সচিব, বন সংপালক, উপায়ুক্ত মহোদয়ৰ ওচৰত সঁজাতী দল লৈ গৈ আবেদন দাখিল কৰাৰ বাহিৰেও হাদুগ বিলৰ পাৰতে নিৰ্মাণ কৰা বন বিভাগৰ পৰিদৰ্শন বঙলালৈ (Forest I.B.) বিভাগীয় উৰ্দ্ধতম কৰ্তৃপক্ষ কোনোবা অহাৰ খবৰ পোৱা মাত্ৰকেই ওপৰত কৰি অহা হাদুগ বিল আৰু তামুলীডুবাৰ চৰকাৰী ডাক উঠাই দিয়াৰ বাবে আবেদন লৈ দুই চাৰিজন লোকক লগত লৈ মই পৰিদৰ্শন বঙলালৈ যাব লগাও হৈছিল। তেওঁলোকৰ ওচৰত লিখিত আবেদন দিয়াৰ বাহিৰেও মৌখিকভাৱেও জোৰ দাব আলোচনা কৰিছিলো। এইদৰে প্ৰায় চাৰি বছৰ কাল নানাভাৱে চেষ্টা কৰি থকাৰ মূৰত অৱশেষত চৰকাৰে বনাঞ্চলৰ অন্তৰ্ভুক্ত কৰি দিছিল। হাদুগ বিলখন প্ৰায় ১.৫ কি.মি. দীঘল আৰু বৰ দ। পানী গভীৰ হোৱা হেতুকে বৰ্তমান এই বিলখন মাছ কাছৰ ভঁৰাল স্বৰূপ হৈ পৰিছে। ভাৰপ্ৰাপ্ত ৰেঞ্জাৰ জনৈক ডেকা উপাধিধাৰী বিষয়া এজন থাকোতে বিলখনৰ পাৰতে থকা ঘন হিদল গছবোৰ কটাই হাতীৰে টানি টানি বহু গছ বিলখনৰ মাজত পেলাই দিয়াৰ পিছৰে পৰা এই বিলখন বৌ, চিতল, আঁৰি, বৰালি, ভকুৱা, শাল, শল, কুঢ়ি আদি নানা জাতিৰ মাছৰ ভঁৰাল হৈ পৰে। মাছৰ লোভ সামৰিব নোৱাৰি ওচৰ চুবুৰীয়া কিছুসংখ্যক লোক আৰু চোৰাং মাছ ব্যৱসায়ীবোৰে সংৰক্ষিত এলেকাত প্ৰৱেশ নিষেধ থকা স্বত্বেও আইন উলংঘা কৰি আন্ধাৰৰ সুযোগ লৈ বনৰক্ষীসকলক চকুত ধূলি মাৰি

চোৰাংভাৱে মাছ মাৰি নিজে খোৱাৰ বাহিৰেও ব্যৱসায় কৰি থকা বুলিও বৰ্তমান শুনা যায়। এনে চোৰাং ব্যৱসায়ীবোৰৰ লগত বনৰক্ষীসকলৰ মাজে সময়ে সংঘাতৰ সৃষ্টি হৈ থাকে। বনবিভাগে বহু চেষ্টা কৰিও এনে চোৰাং ব্যৱসায় নিৰ্মূল কৰিব পৰা নাই বুলি শুনা যায়। এই হাদুগ বিলখন মায়ং অঞ্চলৰ অন্য বিলসমূহৰ লগত কোনোমতেই তুলনা নহয়। আমি সৰুৰে পৰাই দেখি আছো বিলখনত প্ৰতিবছৰে নতুনকৈ বানপানী সোমাই মাছবোৰ ইয়াৰ জানেদি বাহিৰলৈ ওলাইযায়। আৰু পানী শুকাব ধৰিলেই বাহিৰৰ পৰা মাছবোৰ আহি ঠাহি ঠাহি সোমাই থাকে। সেই বাবেই বিলখন মাছৰ বাবে উৰ্ভৰনদী হৈ থাকে। কেৱল মাছৰ চোৰাং চিকাৰীবোৰেই নাহে কেতিয়াবা কেতিয়াবা চোৰাং চিকাৰীয়ে বনবিভাগৰ চকুত ধূলি মাৰি আন্ধাৰৰ সুযোগ লৈ গড় নিধন কৰি খড়্গবোৰ কাটি লৈ যায়। এনেবোৰ চোৰাং চিকাৰী বনকৰ্মীসকলৰ তৎপৰতাত ধৰাই পেলাই আদালতলৈ চালান দিয়াৰ আৰু খড়্গবোৰ উদ্ধাৰ কৰাও দেখা গৈছে। অৱশ্যে ইয়াৰ ভিতৰতে দুই এক চোৰাং চিকাৰী ধৰা নপৰাকৈ থাকি যোৱাও গম পোৱা যায়।

**পবিতৰা অভয়াৰণ্য ঘোষণা ঃ**

ৰাইজৰ উপৰ্য্যুপৰি আবেদনৰ ফলস্বৰূপে ইং ১৯৭১ চনত পবিতৰা পি জি আৰখন সংৰক্ষিত বনাঞ্চল হিচাপে অসম চৰকাৰে ঘোষণা কৰিলেও ইয়াত স্থায়ীভাৱে বসবাস কৰি থকা গঁড় আদি বনৰীয়া জীৱ-জন্তুবোৰৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি আহিব পাৰে বুলি নাইবা বনবিভাগৰ সাধাৰণ বিভাগ এটাই কি ভূমিকা লৈ বন্য জীৱ-জন্তুবোৰক কেনে ধৰণে ৰক্ষণাবেক্ষণ দিব তাক লৈ মায়ংবাসী ৰাইজে বিশেষভাৱে চিন্তা ভাবনা কৰা হ'ল। সংৰক্ষিত বনাঞ্চল হৈ থাকিলেই নহ'ব, বনৰীয়া জীৱ-জন্তুবোৰৰ বাবে ই হ'ব লাগিব এখন অভয়াৰণ্য। ইং ১৯৭২ চনৰ পৰা এই সংৰক্ষিত বনাঞ্চল খন অভয়াৰণ্য হিচাপে ঘোষণা কৰি গঁড় আদি বন্য জীৱ-জন্তুবোৰক ৰক্ষণাবেক্ষণ দি অবাধে বিচৰণ কৰিব পৰাকৈ সুবিধা কৰি দিব লাগে বুলি অসম চৰকাৰৰ ওচৰত সঁজাতী দল গৈ আবেদন নিবেদন কৰা, খবৰ কাকতৰ যোগে চৰকাৰৰ চোকা দৃষ্টি আকৰ্ষণ কৰা কাম পূৰ্ণ উদ্যমে চলি থাকিল। এই কামতো আমাৰ পঞ্চায়ত ছেক্ৰেটাৰী প্ৰয়াত ৰত্নকান্ত হাজৰিকা আৰু লিখক নিজে একাণপতীয়কৈ লাগি থাকিবলগীয়াত পৰো। মায়ং অঞ্চলৰ অধিক সংখ্যক ৰাইজে আমি সেই সময়ত কি কৰিছিলো তাৰ কোনো ভ্ৰূক্ষেপ নলৈছিল। মাত্ৰ শতকৰা ৫ ভাগ মান মুখিয়াল লোকে সকলো ক্ষেত্ৰতো চিন্তা ভাবনা কৰি যি কাম কৰিছিল গৰিষ্ঠ সংখ্যক লোকে সমৰ্থন কৰি আহিছিল। এই কামত মায়ং অঞ্চলটোৰ দুই চাৰিজন মানুহে বিৰুদ্ধাচৰণ কৰিছিল যদিও মুখ খুলি একো ক'ব নোৱাৰিছিল। যোৱা ইং ১৯৭১ চনৰ পৰা ইং ১৯৮৬ চনলৈ সুদীৰ্ঘ ১৫ বছৰ কাল ধৰি বিভাগীয় উৰ্দ্ধতম কৰ্তৃপক্ষৰ ওচৰত আবেদন কৰা সঁজাতী দল পঠোৱা কাৰ্য চলাই থকা হৈছিল। এই সঁজাতী দলৰ ওৰি ধৰি ইতিবৃত্তৰ লিখকো নিজে গৈ নানানভাৱে আবেদন নিবেদন চলাই থকাৰ অন্তত যোৱা ইং ১৯৮৭ চনৰ No.F.W.R./19/87/39 নং গেজেট নটিফিকিচেন মৰ্মে অসম চৰকাৰে পবিতৰা সংৰক্ষিত বনাঞ্চল খন অভয়াৰণ্য হিচাপে ঘোষণা কৰিছিল। অভয়াৰণ্য ঘোষণাৰ লগে লগে হাদুগ বিলৰ উত্তৰ পাৰতে এটা বনাঞ্চলিক কাৰ্যালয় আৰু কেইবাটাও বাসভৱন নিৰ্মাণ কৰাই দিছিল। গড়কাপ্তানী বিভাগৰ ৰাস্তাৰ পৰা হাদুগ বিলৰ পাৰলৈ যোৱা পূৰ্বৰ যিটো গো-বাট আছিল সেই গো-বাটটোৰ ওপৰেদি পৰিদৰ্শন বঙলা, বনাঞ্চলিক কাৰ্যালয় আৰু বাসভৱন সমূহলৈ অহা যোৱা কৰাৰ সুবিধাৰ কাৰণে ৰাস্তা এটাও নিৰ্মাণ কৰা হ'ল যদিও আজিলৈকে ৰাস্তাটো যাতায়তৰ বাবে উপযোগী হৈ নুঠিল। বন বিভাগৰ কাৰ্যালয় পৰিদৰ্শন বঙলা আৰু বাসভৱন আদি নিৰ্মাণৰ ক্ষেত্ৰত স্থানীয় কেইবাজনো পট্টাদাৰ ভোগ দখল কৰি থকা মাটিকেই কোনো ক্ষতিপূৰণ নাপালে। মুঠতে এনে বেদখল কৰি লোৱা মাটিৰ পৰিমাণ ৮-১০ বিঘাৰ কম নহ'ব বুলি অনুমান কৰা হৈছে।

**পবিতৰা অভয়াৰণ্যৰ মাটিকালি ঃ**

পূৰ্বে সংৰক্ষিত বনাঞ্চলত অন্তৰ্ভূক্ত কৰা মাটিকালি লৈয়েই ইং ১৯৮৭ চনত পবিতৰা অভয়াৰণ্য ঘোষণা কৰে। সেই সময়ত মুঠ মাটিকালিয়েই আছিল ০১৫৮৪.৭৬ হেক্টৰ বা ১২০০ বিঘা। এই মাটিকালি পবিতৰা অভয়াৰণ্যৰ মাটিকালি। পৰৱৰ্তীসময়ত পূবে আৰু পশ্চিমে দুটা কৰিডৰৰ প্ৰস্তাৱ কৰি পবিতৰা অভয়াৰণ্যৰ সম্প্ৰসাৰণৰ নামত মায়ং অঞ্চলটোৰ ৰাইজৰ ৩০-৪০ বছৰ আগৰে পৰা দখল কৰি বৰোখেতি কৰি জীৱিকা নিৰ্বাহ কৰা তৌজি একচনা, ম্যাদি পট্টাৰ মাটিকালি ১১০৬ হেক্টৰ মাটিও চৰকাৰীভাৱে পবিতৰা অভয়াৰণ্যত ধৰা হৈছে যদিও খেতিয়কসকলৰ পৰা বিভাগীয় কৰ্তৃপক্ষই চমজি লব পৰা নাই। খেতিয়কসকলে মাটি এৰি নিদিব বুলি চৰকাৰক খাটাং ভাৱে জনাই দিছে। আনহাতে শেহতীয়াভাৱে ৰজামায়ং সংৰক্ষিত বনাঞ্চলখনো (মায়ং পৰ্বত) পবিতৰা অভয়াৰণ্যৰ লগত চৰকাৰে সংযোজিত

কৰিছে। ইয়াৰ মাটিকালি আছিল ১১৯১.৮৬ হেক্টৰ। এই সংযোজনত ৰাইজৰ কোনো অভিযোগ নাই। বৰ্তমান পবিতৰা অভয়াৰণ্যৰ প্ৰকৃততে মুঠ মাটিকালি হ'ল ২৭৭৬.৬২ হেক্টৰ।

**পবিতৰা অভয়াৰণ্যৰ চাৰিসীমা ঃ**

পবিতৰা অভয়াৰণ্যৰ উত্তৰে- ৰজামায়ং, মূৰকটা আৰু শিলডুবি ৰাজহ গাঁও, দক্ষিণে— হাতীগড় আৰু ঠেংভাঙ্গা ভি জি আৰ। পূবে— নখোলা ভকতগাঁও, মনহা, ৰজামায়ং, কাজলিচকী গড়কাপ্তানী পথ বিভাগৰ ৰাস্তা (ৰাজ্যিক পথ)। পশ্চিমে— গৰঙা বিল আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈ ৰোড।

**পবিতৰা অভয়াৰণ্যৰ বন জংঘল ঃ**

পবিতৰা অভয়াৰণ্যত হিদল, শিমলু, এজাৰ, কৰৈ, বগৰি, ক্ম বেঙেনা আদি গছ-গছনিৰ উপৰিও নল, খাগৰি, ইকৰা, বিৰিণা, উলু, সুহুপি, দীঘলতী, মাখিলতী, ভেদাইলতা, বাঘ আঁচোৰা আদি নানা তৰহৰ লতা জাতীয় গছ-গছনিৰ বাহিৰেও অভয়াৰণ্যৰ মাজতে থকা ডোবা দলনিবোৰত দল, হুগল আদি নানা ঘাঁহ বনেৰে ভৰা। দক্ষিণ পূব খণ্ডৰ দ অঞ্চল সমূহত গছ-গছনি নাই। কিন্তু হাবি জংঘল ঘাঁহ বন পৰ্যাপ্ত পৰিমাণে ভৰা। মাজভাগত এলিফেন্ট চাফাৰি আৰম্ভ কৰা স্থানৰ পৰা টুভলুং বনশিবিৰলৈ দীঘে প্ৰায় ২ কি.মি. আৰু বহলে আধা কিলোমিটাৰ জুৰি এখন ডাঠ কাঠনি আছে। এই কাঠনি ডৰাৰ তলত কোনো ঘাঁহ বন নগজে। পশ্চিম প্ৰান্তত হাদুগ বিলৰ পাৰৰ পৰা গৰঙা বিলৰ পাৰলৈ প্ৰায় ২ কি.মি. দৈঘ্যৰ কৰৈ এজাৰ আৰু হিদল আদি গছৰ ডাঠ কাঠনি এডৰা আছে। এই ডাঠ কাঠনি ডৰাৰ তলতো এডালো ঘাঁহ বন নগজে। ইয়াৰ মাজে মাজে দুই চাৰিজোপা জাপি যেন হৈ থকা সাউৰা গছ দেখিবলৈ পোৱা যায়। এই সাউৰা গছৰ জোপোহা বোৰৰ তলত নাইবা আন গছবোৰৰ তলত বনৰীয়া ম'হৰ পালবোৰে ৰাত্ৰি যাপন কৰে। সউৰা গছৰ জোপোহাবোৰৰ তলত ঠাই বিশেষে বৰষুণো নপৰে। পশ্চিম খণ্ডত থকা ডাঠ কাঠনি ডৰাৰ পৰা অভয়াৰণ্যৰ পশ্চিম সীমাত থকা লোকপ্ৰিয় গোপীনাথ বৰদলৈ ৰোডৰ সীমালৈকে তামুলী ডুবা দলনিখন পৰিবেষ্টিত হৈ আছে। এই দলনিখনত কাতি আঘোন মাহলৈ পানীৰে ভৰি থাকে।

টুভলুং বনশিবিৰৰ পৰা পূব সীমাৰ খোলাভুঞা আৰু কুকুৰাবী বনশিবিৰলৈকে প্ৰায় ৪ বৰ্গ কি.মি. এটা সুবৃহৎ অঞ্চলত এডালো গছ-গছনি আৰু বন জংঘল নাই। এই অঞ্চলটো বৰ্তমান চৰণীয়া পথাৰলৈ পৰ্যবেক্ষিত হোৱা দেখা যায়। পূৰ্বতে বন জংঘলেৰে ভৰা আছিল আৰু বনৰীয়া জীৱ-জন্তুবোৰ থকা মেলাৰ সুবিধাও হৈছিল। বৰ্তমান পবিতৰা অভয়াৰণ্যৰ এই খণ্ডটোত গঁড়, গাহৰি, ম'হ আদি বনৰীয়া জীৱ-জন্তুবোৰ আশ্ৰয়লৈ থকা দূৰৈৰ কথা শিয়াল এটাও লুকাই সাৰিব নোৱাৰা হৈ পৰিছে। পবিতৰা অভয়াৰণ্যখনত প্ৰৱেশ নিষেধ সত্বেও ওচৰ চুবুৰীয়া গাঁওবাসীয়ে চৰণীয়া পথাৰলৈ ৰূপান্তৰ কৰি লোৱা দেখা গৈছে। এই খণ্ডৰ পূব সীমাত তিনিটাকৈ বনৰক্ষী শিবিৰ আছে। গুৱাল গৰখীয়াবোৰক বনৰক্ষীসকলে সততে বাধা প্ৰদান কৰি থাকে বাবে ওলোটাই বনৰক্ষীসকলক ৰাজহুৱা ভাবে দম দি জোৰ পূৰ্বক গৰু-ম'হবোৰ পবিতৰা অভয়াৰণ্যৰ ভিতৰলৈ সোমাই দি হাবি জংঘল তথা ঘাঁহবোৰ খুৱাই টকলা কৰি পেলোৱাৰ ফলত বনৰীয়া জীৱ-জন্তুবোৰে ঘাঁহ পানী খোৱা দূৰৈৰ কথা গা লুকাই থাকিবলৈও ঠাই নাইকিয়া হৈ পৰিছে। গৰু মহ চৰোৱাক লৈ আজি কেইবছৰমান আগতে বনৰক্ষী আৰু গুৱাল গৰখীয়া ৰূপী ৰাইজৰ মাজত এখন ডাঙৰ সংঘৰ্ষ হৈছিল। এই সংঘৰ্ষৰ খবৰ পাই মায়ং থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই তৎক্ষণাৎ আৰক্ষী লোক লগত লৈ সংঘৰ্ষ স্থলীত উপস্থিত হোৱাত গুৱাল গৰখীয়া ৰূপী ৰাইজে বোজাই বোজাই বাঁহৰ জোং লৈ আহি পুলিচৰ লোকসকলকো আক্ৰমণ কৰিবলৈ ধৰে। নিৰুপায়ত পৰি পুলিচৰ লোকে ৰাইজক ছত্ৰভংগ দিয়াবৰ কাৰণে ফায়াৰিং কৰিব লগাত পৰে। এই সংঘৰ্ষৰ ফলত মায়ং থানাৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকী গুৰুতৰভাৱে জখম হৈছিল আৰু গৰখীয়া ল'ৰা এজন মৃত্যু মুখত পৰিছিল। এই ঘটনাত সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়া ডাঙৰীয়াই নিজে চৰজমিন তদন্ত কৰি পবিতৰা অভয়াৰণ্য টকলা স্বৰূপটো স্ব-চক্ষে দেখিও বন আইন সম্পৰ্কে ৰাইজক কোনো ধৰণৰ বুজনি নিদি ওলোটাই বনাঞ্চলিক বিষয়া তথা বনৰক্ষীসকলক গাঁওবাসী ৰাইজৰ লগত মিলিজুলি থাকিবলৈহে নিৰ্দেশ দি যায়। সেই দিন ধৰি গাঁওবাসীসকলে অভয়াৰণ্যৰ বন আইন আৰু বনৰক্ষীসকলক বৃদ্ধাংগুষ্ঠ দেখুৱাই পবিতৰা অভয়াৰণ্যৰ এই খণ্ডটোত এখন অঘোষিত চৰণীয়া পথাৰ পাতি লোৱাহে দেখা গৈছে। এই বাবে পবিতৰা অভয়াৰণ্যখন দিনে দিনে সংকুচিত হ'বলৈ ধৰিছে। মায়ং অঞ্চলবাসী ৰাইজে এই টকলা হৈ যোৱা খণ্ডটোত ঘাঁহ বন গছ-গছনি ৰুই বন্য জীৱ-জন্তুৰ ঘাঁহ পানী খোৱা আৰু থকা মেলাৰ সুবিধা কৰি দিব লাগে বুলি মন্ত্ৰী বিষয়াকে ধৰি বিভাগীয় উৰ্দ্ধতম কৰ্তৃপক্ষৰ

ওচৰত উপৰ্য্যুপৰি আবেদন নিবেদন কৰি থকাৰ ভিতৰতো চৰকাৰে কাৰ্যকৰী ব্যৱস্থা ল'ব নোৱাৰাটো অতি পৰিতাপৰ বিষয় হৈ আছে। দক্ষিণ খণ্ডটোতো খেতিয়ক ৰাইজৰ দ্বাৰা শ শ বিঘা মাটিত বেদখল চলি আছে। কৰ্তৃপক্ষই আজিলৈকে বেদখল মুক্ত কৰিব পৰা নাই। এই খণ্ডটোতো হাবি জংঘল বুলিবলৈ এডালো নাই।

বৰ্তমান হাদুগ বিলৰ দক্ষিণ পাৰৰ পৰা ধৰি গৰভা বিলৰ পাৰলৈকে ডাঠ কাঠনি আৰু কিছু পৰিমাণে থকা খেৰ ইকৰা আৰু বিৰিণাৰে ভৰা বন জংঘল থকা খণ্ডটোৰেই পবিতৰা অভয়াৰণ্য হৈ আছে আৰু তাকেই লৈয়েই অসম চৰকাৰৰ তথা বিভাগীয় কৰ্তৃপক্ষ গৌৰববোধ কৰি থকাহে দেখা গৈছে। তাৰ লগে লগে এচাম কোনো দিনে বন্যপ্ৰাণী সংৰক্ষণৰ ভূ-ভা নোলোৱা স্বাৰ্থপৰ ৰাইজেও বাঃ বাঃ লৈ আছে। আমি বৰ্তমানৰ সংকোচন ৰূপত কেতিয়াও পবিতৰা অভয়াৰণ্য প্ৰতিষ্ঠা কৰোৱা নাছিলো। এই অভয়াৰণ্যখন সংকুচিত হৈ গৈ আছে যদিও তাৰ প্ৰতি চৰকাৰৰ কোনো ভ্ৰূক্ষেপ নাই। মায়ংবাসী প্ৰকৃতিপ্ৰেমী ৰাইজৰ পক্ষে ই অতি মৰ্মান্তিক বেদনাৰ বিষয় হৈ আছে।

**পবিতৰা অভয়াৰণ্যৰ জীৱ-জন্তু ঃ**

বৰ্তমানলৈ বিভাগীয় কৰ্তৃপক্ষৰ জৰীপ অনুযায়ী পবিতৰা অভয়াৰণ্যৰ জীৱ-জন্তু এনে ধৰণৰ এশিঙীয়া গঢ় ৮১ টা, গাহৰি ৮৩ টা, বনৰীয়া ম'হ-১০১ টা, হৰিণ ৫০ টা, নাহৰফুটুকী বাঘ ১৩ টা, নানাবিধ সৰীসৃপ কাছ, সাপ, অজগৰ, উলুমৰা, নানাবিধ থলুৱা আৰু পৰিভ্ৰমী চৰায়ে পবিতৰা অভয়াৰণ্যৰ শোভা আৰু প্ৰাকৃতিক সৌন্দৰ্য্য বিকশাই তুলিছে। আহিন মাহৰ পৰা পবিতৰা অভয়াৰণ্য লৈ সুদূৰ চাইবেৰীয়া অঞ্চলৰ পৰা লাখ লাখ পৰিভ্ৰমী চৰাই (হাঁহ) চৰিবলৈ আহে। পবিতৰাৰ অৰ্ন্তভাগৰ বাহিৰেও পশ্চিম সীমাত থকা তামুলীডুবা (দলনি) লাখ লাখ পৰিভ্ৰমী হাঁহ আহাৰ অন্বেষণত জাক পাতি চৰি থকা দেখিবলৈ পোৱা যায়। বনৰীয়া জীৱ-জন্তুবিলাকৰ বাবে তামুলীডুবা দলনিখন এখন আকৰ্ষণ থলীলৈ পৰ্য্যবেক্ষিত হৈ পৰিছে। পুৱতি নিশাৰ পৰা মায়ঙৰ আকাশত জাকে জাকে ইজাকৰ পিছত সিজাক পৰিভ্ৰমী হাঁহবোৰৰ কলৰৱ শুনা যায়। ৰাতিপুৱা ৭-৮ বজাতো কুঁৱলিয়ে আবৰি ৰখা মায়ঙৰ আকাশত গাঁওবোৰৰ ওপৰে ওপৰে জাকে এই পৰিভ্ৰমী হাঁহবোৰ উৰি ফুৰাৰ দৃশ্য অতি মনোৰম। এইবাবে পবিতৰা অভয়াৰণ্য এতিয়া হৈ পৰিছে দেশী-বিদেশী পৰ্যটকসকলৰ এটা আকৰ্ষণথলী। মায়ঙৰ পৰা কমাৰপুৰলৈ অহা যোৱা কৰা পথিকসকলেও তামুলীডুবাৰ এই অভূতপূৰ্ব দৃশ্যৰে প্ৰতি আকৰ্ষিত হৈ ক্ষন্তেক সময় পথছোৱাতে ৰৈ এই অপৰূপ সৌন্দৰ্য উপভোগ কৰি অহা দেখা যায়।

**পবিতৰা অভয়াৰণ্য সম্প্ৰসাৰণ ঃ**

বিভাগীয় উৰ্দ্ধতম কৰ্তৃপক্ষই অসম সম্পদ গড়ৰ বৃদ্ধি আৰু ঘনত্ব উপলব্ধি কৰি যোৱা ইং ১৯৮০ চনতে উত্তৰ পূবে আৰু পশ্চিমত থকা মায়ং পৰ্বতলৈ দুটা কৰিডোৰ সৃষ্টিৰ কাৰণে চৰকাৰী ভাবে প্ৰস্তাৱ লৈছিল। দুয়োটা কৰিডোৰৰ বাবে আৱশ্যকীয় জৰীপ আদি কৰি মাটিকালিও পবিতৰা অভয়াৰণ্যৰ লগতে সংযোজিত কৰিছিল। সেই অনুপাতে পূৰ্বৰ মাটিকালিৰ লগত নতুনকৈ সংযোজিত কৰা মাটিকালিৰ সৈতে মুঠ মাটিকালি ৩৮৮১ হেক্টৰ কৰি ৰাখিছে যদিও দুয়োটা কৰিডোৰত ধৰা মাটি স্থানীয় বৰোধানৰ খেতিয়ক সকলৰ বৰাবৰ দখলত থকা তৌজিবাহী আৰু একচনা পট্টাৰ ৩০-৪০ বছৰ ধৰি ভোগদখল কৰি জীবিকা নিৰ্বাহ কৰি থকা বিভাগীয় কৰ্তৃপক্ষৰ প্ৰস্তাবিত মাটিবোৰ খেতিয়কসকলে এৰি নিদিয়াত কৰ্তৃপক্ষই আজিলৈকে চমজি ল'ব পৰা নাই। প্ৰস্তাবিত এই খেতিৰ মাটিবোৰ কৰিডোৰৰ পৰা কৰ্তন কৰিবৰ কাৰণে মায়ং অঞ্চলবাসী খেতিয়ক ৰাইজে অসম চৰকাৰৰ ওচৰত উপৰ্য্যুপৰি আবেদন নিবেদনো কৰি আহিছে। খেতিয়ক ৰাইজৰ অভিযোগ হ'ল খেতিৰ মাটিবোৰ পবিতৰাৰ অন্তৰ্ভুক্ত হ'লে একমাত্ৰ আশা ভৰষা তথা জীবিকা নিৰ্বাহৰ থল নাইকিয়া হৈ গ'লে খেতিয়কসকলে কি খাই বাচি থাকিব। এইবাবে খেতিয়কসকলে মাটি এৰি নিদিব বুলি বদ্ধ পৰিকৰ হৈ জীৱন গ'লেও খেতিৰ মাটিবোৰ এৰি নিদিব বুলি চৰকাৰক খাটাংভাৱে জনাই দিছে বুলি জানিব পৰা গৈছে। ইয়াৰ মাজতে বিভাগীয় উৰ্দ্ধতম কৰ্তৃপক্ষই পূৰ্বৰ ৰজামায়াং সংৰক্ষিত বনাঞ্চল তথা মায়ং পৰ্বত এলেকাটো বিনা বাধাই ইং ১৯৮৭ চনৰ ১৬-৭-৮৭ তাৰিখৰ FWR/১৯-৮৭-৩৯ নং গেজেট নটিফিকেচন মতে বন্যপ্ৰাণী বিভাগলৈ হস্তান্তৰিত হৈছে বুলি জানিব পৰা গৈছে।

**পবিতৰাৰ গঁড় অন্য ৰাজ্যৰ অভয়াৰণ্যলৈ স্থানান্তৰ ঃ**

যোৱা ইং ১৯৮৩ চনত অসম চৰকাৰে কৰা চুক্তি অনুসৰি পবিতৰা অভয়াৰণ্যৰ পৰা উত্তৰ প্ৰদেশৰ "দুধৱা" অভয়াৰণ্যলৈ ৫ টা গঢ় স্থানান্তৰ কৰি লৈ যোৱাৰ ঠিৰাং কৰে। সেই মৰ্মে বিভাগীয় কৰ্তৃপক্ষই বনাঞ্চলিক কাৰ্যালয়ৰ সন্মুখতে কাঠ

খাঁহেৰে ওখঁকৈ গড়াল এটা সাজি বিদেশী সুদক্ষ লোক আনি গাঁত খান্দি গাতত পেলাই নাইবা হাতীৰ ওপৰৰ পৰা ইনজেকচন প্ৰয়োগ কৰি অচেতন কৰি লৈ পিঞ্জৰাত ক্ৰেনেৰে ট্ৰাকত তুলি আনি ৩ টাকৈ গড় গড়ালত কেইবাদিন ধৰি ৰাখি সেই গঁড় ৩ টা ট্ৰাকত ভৰাই উত্তৰ প্ৰদেশৰ 'দুধৱা' অভয়াৰণ্যলৈ লৈ যোৱা দেখিবলৈ পোৱা গৈছিল। কাৰিকৰী বিজুতিৰ বাবে গাঁতত পেলোৱা ১ টা গঁড় গাতৰ ভিতৰতে মৰাও দেখা গৈছিল। সেই বছৰৰ পৰা চৰকাৰে পবিতৰা অভয়াৰণ্যৰ পৰা গঁড় স্থানান্তৰ কৰা কাৰ্য বন্ধ ৰখা গৈছে। গঁড় বিচৰণ কৰা স্থান আৱশ্যক মতে সম্প্ৰসাৰণ নোহোৱালৈ চাই আৰু গঁড়ৰ সংখ্যা অধিক হোৱালৈ চাই অসম চৰকাৰে অন্য ৰাজ্যৰ অভয়াৰণ্য সমূহলৈ স্থানান্তৰ কৰাৰ আঁচনি ল'লে অসম চৰকাৰো লাভবান হ'ব আনহাতে গঁড়ৰ সংখ্যা কম হ'লে খেতিয়ক ৰাইজৰো উপকাৰ হ'ব বুলি অনুমান কৰিব পাৰি।

**চোৰাং চিকাৰীয়ে মাৰা আৰু যুদ্ধ বিগ্ৰহ লাগি মৰা গঁড়ৰ সংখ্যা ঃ**

কেইবাদশক জুৰি অসম সম্পদ এশিঙীয়া গঁড়ৰ খড়গটোৰ ওপৰত এচাম দুষ্কৃতিকাৰী আৰু চোৰাং ব্যৱসায়ীৰ লোলুপ দৃষ্টি পৰিলক্ষিত হৈ অহা দেখা গৈছে। কাৰণ বিদেশত এই গঁড় খড়গটোৰ মূল্য হেনো কেইবালাখ টকা বুলি শুনা যায়। কিন্তু এই গঁড়ৰ খড়গটো কি কামত ব্যৱহাৰ হয় অসমৰ ৰাইজে নাজানে। তথাপি কোটিপতি হোৱাৰ ধান্দা লৈ কমিচন ভিত্তিত হেনো একশ্ৰেণীৰ দুষ্কৃতিকাৰীয়ে চোৰাং চিকাৰীৰ বিলাকৰ সহায়ত এই ৰাজকীয় সম্পদটো নিধন কৰি তাৰ খড়গটো কাটি লৈ যায় বুলি জনা যায়। আমাৰ পবিতৰা অভয়াৰণ্যৰ পৰাও বন শিবিৰ বিলাকত থকা বনকৰ্মচাৰী সকলৰ অলক্ষিতে আন্ধাৰৰ সুযোগ লৈ অস্ত্ৰ-শস্ত্ৰৰে সু-সজ্জিত হৈ নিচেই ওচৰৰ পৰা বন্দুকেৰে গুলিয়াই নাইবা মাজেদি যোৱা টাৱাৰ লাইনৰ পৰা তাৰ সংযোগ কৰি গঁড় অহা যোৱা কৰা বাটত বিদ্যুৎ পৰিবাহী তাৰ পেলাই থৈ গঁড় নিধন কৰাও দেখা গৈছে। এনে ব্যৱস্থাৰে গঁড় নিধন কৰিবলৈ যাওঁতে বিদ্যুৎস্পৃষ্ট হৈ চোৰাংচিকাৰীও মৃত্যু মুখত পৰাও দেখা গৈছে। প্ৰতিবছৰে পবিতৰা অভয়াৰণ্যত চোৰাং চিকাৰীও মৃত্যু মুখত পৰা দেখা গৈছে। প্ৰতিবছৰে পবিতৰা অভয়াৰণ্যত চোৰাং চিকাৰীয়ে এনেদৰে গঁড় মাৰি খড়গটো কাটি লৈ যোৱা ঘটনাঘটিয়ে আছে। চৰকাৰৰ বন্যপ্ৰাণী বিভাগে এনে চোৰাং চিকাৰী আজিলৈকে ৰোধ কৰিব পৰা নাই। তদুপৰি ৰাইজে আপত্তি বিপত্তি কৰি লাগি ভাগি ৰাজহ বিভাগৰ পৰা কৰ্তন কৰি আনি পবিতৰা অভয়াৰণ্যত অন্তৰ্ভুক্ত কৰি দিয়া "হাদুগ' বিলখনতো মাছ মাৰি লৈ যোৱা বুলি শুনা যায়। বিলখনত চোৰাং ব্যৱসায়ীয়ে মাছ মাৰি লৈ যোৱা ঘটনাও আজিলৈকে ৰোধ কৰিব পৰা হোৱা নাই। মায়ংবাসী ৰাইজৰ আপ্ৰাণ চেষ্টাত হোৱা পবিতৰা অভয়াৰণ্যখনত বসবাস কৰা বন্য জীৱ-জন্তু আৰু মাছ পুঠিবিলাক এনেদৰে দিনক দিনে হ্ৰাস হৈ যোৱা কথাটো মায়ংবাসী ৰাইজে সহজভাৱে লব পৰা নাই। পবিতৰা অভয়াৰণ্যখন সম্পদৰাজী লুটিপুতি নি লাখপতি হোৱাৰ কামনা বাসনা থকা এটা দুষ্টচক্ৰ থকা বুলি সন্দেহ কৰাৰ অৱকাশ আছে বুলি অনুমান কৰিব পাৰি। সেই হেতু চোৰাংচিকাৰী সোমোৱা বাটবোৰ চিনাক্ত কৰি বনৰক্ষীৰ সংখ্যা বৃদ্ধিৰ যোগেদি দিনৰ বা নিশাৰ ভাগত বলিষ্ঠ পহৰাৰ ব্যৱস্থা কৰিব পাৰিলে চোৰাং চিকাৰী ৰোধ কৰিব পৰা যাব বুলি আশা কৰিব পাৰি। তাকে কৰিবলৈ যাওঁতে এচাম স্থানীয় শিক্ষিত যুৱকক বনৰক্ষী হিচাপে নিযুক্তি দিব পাৰিলে সফল হ'ব পৰা যাব বুলিও আশা কৰিব পাৰি।

সি যি নহওক পবিতৰা অভয়াৰণ্যত চোৰাং চিকাৰীয়ে আজিলৈকে মাৰা গড়ৰ সংখ্যা চৰকাৰী হিচাপ মতে মুঠতে ৫২ টা হৈছেগৈ। ২-৪ টা খড়গৰ বাহিৰে সকলো খড়গ উদ্ধাৰ কৰা হৈছে বুলি জনা গৈছে। বিভাগীয় কৰ্তৃপক্ষৰ যত্নত প্ৰায়বোৰ চোৰাং চিকাৰীও ধৰা পৰিছে। অন্যহাতে চোৰাং চিকাৰীবোৰ চালান দিয়াৰ পিছতো জামিনত মুক্তি লাভ কৰি সেই চোৰাংচিকাৰীবোৰেই পুনৰ এই ব্যৱসায়ত নামে বুলিও শুনা যায়। এই ক্ষেত্ৰত চৰকাৰী সম্পদ লুটি-পুতি খোৱা লোকক জামিনত মুক্তি দিয়াটো কোৰ্টে বন্ধ কৰি যদি প্ৰমাণিত হয় তেন্তে তেনে লোকক পোনপটীয়াভাৱে দীৰ্ঘদিনীয়া সশ্ৰম কাৰাদণ্ড বিহাৰ ব্যৱস্থা থাকিব লাগে। এইবাবে বন আইন সংশোধন কৰাৰ প্ৰয়োজন আছে বুলি ভাবিবৰ থল আছে।

অন্যহাতে কেতিয়াবা কেতিয়াবা ঋতু কালৰ সময়ত এজনী মাইকী গঁড়ৰ ওচৰত দুটা মতা গঁড় লগ লাগিলে দুয়োটা মতা গঁড়ৰ মাজত প্ৰচণ্ড যুদ্ধ-বিগ্ৰহ হোৱা দেখা যায়। যুদ্ধ হ'লে কেইবা কিলোমিটাৰ লৈকে খেদা খেদি লাগে আৰু খড়গটোৰে দুয়ো দুয়োকে হনা খোচা কৰে। বেচি জখম হ'লে হোলোকাহোলোকে তেজ বাহিৰ হয়। আমি নিজে এনে ঘটনা আজি কেইবা বছৰ আগতে নিজ চকুৰে দেখিছিলো। সেইদিনা অমৰামূল নামে ঠাইত মই আৰু মোৰ পৰিবাৰ এনে খেদাখেদি কৰা গঁড় এহালৰ মুখতে

পৰিছিলো। ভাগ্য ভাল যে আমি দুয়ো পামঘৰ এটাত সোমাইহে কোনোমতে ৰক্ষা পৰিছিলো। খড়গৰ হানখোৱা গঁড়টো পামঘৰটোৰ কাষেদিয়ে দৌৰি গৈছিল। বেৰৰ জোলোঙাৰে মই চাই আছিলো। দেখিলো গড়টোৰ গাৰ পৰা হোলোকা হোলোকে তেজ ওলাই গৈছে। মৰণোত্তৰভাৱে বিঁয়ে সম্বন্ধ হোৱা খেতিয়ক প্ৰয়াত প্ৰেমানন্দ নাথে হালতলীলৈ নিয়া হাতুীৰ এটা লৈ পামঘৰটোৰ দুৱাৰ মুখতে আছিল। তেওঁৰ কথা হ'ল কেনেবাকৈ ঘৰটোৰ দুৱাৰ মুখলৈ আহিলে হাতুৰীটোৰে মুখখনতে এটা কোব দিব। ঘৰটোৰ দুৱাৰেই নাছিল। মই পৰিবাৰক লগত লৈ যোৱাৰ কাৰণটো আছিল মৰিগাঁও নটবুা গাঁৱৰ শাহু আইৰ বিপদৰ খবৰ পাই লৰালৰিকৈ বুঢ়াবুঢ়ীত যাত্ৰীবাহী বাছ ধৰিবৰ কাৰণে পোনবাটেদি অমৰামূল হৈ খোজকাঢ়ি বুঢ়াবুঢ়ীলৈ গৈছিলো। ভাগ্যে যেনিবা সেইদিনাৰ বাবে আমি উভয় দম্পত্তি বাচি গৈছিলো। ইতিমধ্যে পিচত খেদি অহা গঁড়টো হালৈ পথাৰ বোৰৰ চিএৰ বাখৰত বহু দূৰতে একে ঠাইতে বহু সময় থৰ পৰি থাকি পিছত পবিতৰালৈ উলটি গ'লগৈ। আনহাতে জখমী গঁড়টো দৌৰি দৌৰি গৈ দুৱৰীতলী বিলৰ নলনী ডৰাত সোমালগৈ।

এনেদৰে যুদ্ধ-বিগ্ৰহ লাগি দুয়োটা গঁড়ে খোচাখুচী কৰিলে জখম হোৱা ঠাইত ডাঙৰ ডাঙৰ পোক লাগে আৰু কেতিয়াবা খোৰা হৈ যায় চলিব নোৱাৰাও হয়। ঘাঁহ পানী খাবলৈ মন নকৰে আৰু শুকাই ক্ষীণাই যায়। জাকপাতি ফুৰিব নোৱাৰা হ'লেই এপাল গঁড়ে আগুৰি ধৰি তাক খুচি খুচি মাৰে। এনেভাৱে গঁড় এটা মাৰি পেলোৱা আমাৰ ওচৰৰ চুতলী দলনিখনৰ পাৰতে ঘটিছিল। সকলো ৰাইজে দেখাও পাইছিল।

যোৱা ইং ২০০৩ চনৰ পৰা ২০০৬ চনলৈ এই চাৰিবছৰৰ ভিতৰতে এনেকৈয়ে আৰু বেমাৰ-আজাৰ হৈ স্বাভাৱিক ভাৱে মৃত্যুমুখত পৰা গঁড়ৰ সংখ্যা চৰকাৰী হিচাপমতে মুঠ ৪২ টা আৰু চোৰাং চিকাৰী বোৰে মাৰা গঁড়ৰ সংখ্যা হ'ল ৫২ টা।

উদ্ধাৰ হোৱা খৰ্গৰ সংখ্যাৰ চৰকাৰী হিচাপ অৱশ্যে পোৱা নগ'ল।

**গুৱাহাটী চিৰিয়াখানলৈ দিয়া গঁড়ৰ সংখ্যাঃ**

পবিতৰা প্ৰফেচনেল গ্ৰেজিং ৰিজাৰ্ভ (P.G.R) হৈ থকা কালতে যোৱা ইং ১৯৬২ চনৰ ব্ৰহ্মপুত্ৰ আৰু কলং সুঁতিৰ প্ৰলয়ংকৰী বানপানীত মাকহঁতৰ পৰা কেনেবাকৈ এৰাপৰি দুটা এবছৰীয়া গঁড়ৰ পোৱালি কাঞ্জুলী বিলত দলফলীয়াকৈ ফুলি থকা মকুৰা-ভেটাইৰ লতিবোৰৰ মাজত আটকী ৰৈছিল। বুঢ়া মায়ঙত থকা ৰজামায়ং ফৰেষ্ট ৰিজাৰ্ভৰ নিজেই ওচৰতে গঁড়ৰ পোৱালি দুটা ভেটাইৰ মাজতে এনেদৰে আবদ্ধ হৈ থকা দেখি বিট অফিচাৰৰ তত্বাৱধানত ফৰেষ্ট গাৰ্ড আৰু ৰাইজৰ সহায়ত পোৱালী দুটা উদ্ধাৰ কৰি বিট অফিচলৈ লৈ আহে। বিট অফিচতে কেইবাদিন ধৰি বান্ধি ৰাখি গৰুৰ গাখীৰকে খুৱাই পালন কৰিব লগাত পৰিছিল। পিছত যেনিবা বিভাগীয় কৰ্তৃপক্ষৰ তৎপৰতাত পোৱালী দুটা গুৱাহাটী চিৰিয়াখানা কৰ্তৃপক্ষক চমজি দিছিল। চিৰিয়াখানাত দিয়াৰ পিছত চিৰিয়াখানা কৰ্তৃপক্ষই মতা গঁড়ৰ পোৱালীটোৰ নাম দিছিল "ৰাজকুমাৰ" আৰু মাইকী পোৱালীটোৰ নাম দিছিল "ৰাজকুমাৰী"। উক্ত পোৱালী দুটাৰ বাহিৰে আজিলৈকে কোনো গঁড় চিৰিয়াখানালৈ দিয়া হোৱা নাই।

**পবিতৰা অভয়াৰণ্যৰ বন শিবিৰৰ সংখ্যা ঃ**

পবিতৰা অভয়াৰণ্যৰ চাৰিওফালে পহৰা দিয়াৰ বনৰক্ষীসকল থকা-মেলাৰ সুবিধাৰ কাৰণে ২২ টা শিবিৰ স্থাপন কৰা হৈছে। বনশিবিৰ সমূহ হ'ল — ১/ কমাৰপুৰ ২/ ঠেংভঙ্গা ৩/ তুপলং ৪/ কুকুৰাৰী ৫/ খলাভুএগ্ৰ ৬/ শিলডুবী ৭/ বৰদিয়া ৮/ হাতীমূৰিয়া ৯/ নলতলী ১০/ হাঁহচৰা ১১/ নেকেৰা ১২/ দিপ্ৰাং ১৩/ বকুলজান ১৪/ মুৰকাটা ১৫/ হিলৈখুন্দা ১৬/ বুঢ়ামায়ং ১৭/ কুচীয়ানী ১৮/ ঢেকীয়াবাৰী ১৯/ পগলাডোবা ২০/ বৰবিলা ২১/ হাদুগ আৰু ২২/ নেকেৰা হাবি। প্ৰত্যেকটো শিবিৰতে ২ জনৰ পৰা ৪ জনলৈ বনৰক্ষী আছে। তেখেতসকলে পাৰ্যমানে গঁড় আদি বনৰীয়া জীৱ-জন্তুবিলাকৰ ওপৰত চোকা দৃষ্টি ৰাখি সুৰক্ষা দিয়ে। কিন্তু দুঃখৰ বিষয় চোৰাংচিকাৰী বিলাকৰ লগত সমানে ফেৰ মাৰিব পৰা তেনে কোনো অত্যাধুনিক অস্ত্ৰ শস্ত্ৰ বিভাগীয় উৰ্দ্ধতম কৰ্তৃপক্ষই বনৰক্ষীসকলক যোগান ধৰা নাই। শিবিৰত থকা ২/৪ জন বনৰক্ষীয়ে নানা অস্ত্ৰ শস্ত্ৰৰে সুসজ্জিত হৈ দলপাতিক অহা চোৰাং চিকাৰীবোৰক বাধা দিয়া মুঠেই সম্ভৱ নহয়। এইবাবে কেতিয়াবা কেতিয়াবা আন্ধাৰৰ সুযোগ লৈ শিবিৰৰ নাতি দূৰৈদি পবিতৰা অভয়াৰণ্যত সোমাবলৈ চোৰাং চিকাৰীবোৰে সাহস গোটাব পাৰিছে। এনে ঘটনা মাজে সময়ে ঘটি থকা বুলি জানিব পৰা গৈছে।

**পবিতৰা অভয়াৰণ্যৰ যান-বাহন ঃ**

পবিতৰা অভয়াৰণ্যৰ যান-বাহনৰ সংখ্যা এনেধৰণৰ ১/পুৰণা জিপচী এখন, ২/ মটৰ চাইকেল ২ খন, ৩/ মটৰ বোট ১ খন, ৪/ হাত নাওঁ ২২ খন, ৫/ বিভাগীয় হাতী ৮ টা।

ইয়াৰ বাহিৰে অন্য কোনো যান-বাহন নাই। অভয়াৰণ্যখন সুৰক্ষা দিয়াৰ ক্ষেত্ৰত কৰ্মচাৰী সংখ্যালৈ চাই যান-বাহন বৃদ্ধি কৰাৰ আৱশ্যক আছে। প্ৰতিটো শিবিৰৰ কাৰণে বনৰক্ষীসকলে বানপানীৰ সময়ত অভয়াৰণ্যৰ জীৱ-জন্তু বিলাকৰ ওপৰত চোকা নজৰ ৰাখি সুৰক্ষা প্ৰদান কৰাৰ স্বাৰ্থত তহলদাৰী হাতনাওঁ একোখনকৈ ৰখাৰ ব্যৱস্থা কৰিছে। তদুপৰি জনকল্যাণমূলক আঁচনি হিচাপে বানপানীৰ সময়ত ৰাইজক সহায় কৰিবৰ কাৰণেও এখন হাতনাওঁ সাজু কৰি ৰখা বুলি জনা গৈছে।

পবিতৰা অভয়াৰণ্যত নিয়োজিত কৰ্মচাৰী সংখ্যা ঃ

পবিতৰা অভয়াৰণ্যৰ বনৰীয়া জীৱ-জন্তু বিলাকক সুৰক্ষা দিয়াৰ বাবে আৱশ্যকীয় সকলো ব্যৱস্থা লোৱাৰ উদ্দেশ্য চৰকাৰে এটা ৰেঞ্জ অফিচ স্থাপন কৰি এজন ৰেঞ্জাৰ আৰু এজন বিট অফিচাৰ নিয়োগ কৰিছে। ৰেঞ্জ অফিচটোৰ উপৰিও অভয়াৰণ্যখনৰ চাৰিওফালে বন্য জীৱ-জন্তুৰ তদাৰক কৰিবৰ কাৰণে বাইশটা বন শিবিৰ আছে। উক্ত শিবিৰসমূহৰ বনৰক্ষীৰ সংখ্যা মুঠ ৭৪ জন। এখেতসকলে দিনে ৰাতিয়ে বন্য জীৱজন্তুবিলাকৰ ওপৰত চোকা নজৰ ৰাখে। আনহাতে চোৰাং চিকাৰীবিলাকৰ প্ৰতিও তীক্ষ্ণ দৃষ্টি ৰাখিব লগাত পৰে। তথাপিও বনৰক্ষীসকল কৰ্তব্যত কেতিয়াবা কোনোবাফালে ওলাই গ'লেই সুযোগ বুলি অভয়াৰণ্যত সোমাই গঁড় নিধন কৰি খৰ্গ কাটি আন্ধাৰৰ সুযোগ লৈ চোৰাং চিকাৰীবোৰ পলাই গুচি যায়। এনেধৰণৰ ঘটনা নতুন নহয়। ইয়াৰ বাহিৰেও অভয়াৰণ্যৰ পৰা বাহিৰলৈ ওলাই যোৱা গঁড়বোৰ পবিতৰালৈ ঘূৰি নাহিলে তেনে গঁড়বোৰ হাতী লৈ গৈ অৱস্থান কৰা স্থানৰ পৰা অশেষ যত্নেৰে ঘূৰাই অনা কামো এখেতসকলে কৰিব লগা হয়। এনে অৱস্থাত ৰেঞ্জাৰ (আঞ্চলিক বনবিষয়া) আৰু বিট অফিচাৰজনে অশেষ কষ্ট স্বীকাৰ কৰিব লগাত পৰে।

**পবিতৰা অভয়াৰণ্য কৰ্তৃপক্ষৰ জনকল্যাণমূলক আঁচনি ঃ**

অভয়াৰণ্যৰ চাৰিওফালে থকা গাঁও-ভূঁই সমূহৰ সৰ্বাংগীন উন্নতিৰ কাৰণে কৰ্তৃপক্ষই যোৱা ইং ১৯৯৪ চনৰ পৰা জনকল্যাণমূলক আঁচনি প্ৰৱৰ্তন কৰিছে। জনকল্যাণ মূলক আঁচনিবোৰ হ'ল—

১। গাঁওভূঁই সমূহৰ খোৱা পানীৰ বাবে কুঁৱা, দমকল আদি বহুৱাই দিয়া ২। কৃষিৰ বাবে পাম্পচেট দিয়া, ৩। খেতিবাতি সুৰক্ষাৰ বাবে টৰ্চ লাইট দিয়া ৪। যাতায়তৰ সুবিধাৰ বাবে থকা ৰাস্তা-পদূলি বিলাকৰ ঠায়ে ঠায়ে কালভাৰ্ট নিৰ্মাণ কৰি দিয়া। ৫। শিক্ষাৰ সুবিধাৰ কাৰণে চাৰিওফালে থকা প্ৰাথমিক বিদ্যালয়, নিম্ন মাধ্যমিক বিদ্যালয়বোৰত আলমীৰা, আচবাব, আৰু লাইব্ৰেৰী সমূহত কিতাপ পত্ৰ দিয়া আদি কাম হাতত লোৱা দেখা গৈছে। আনহাতে গাঁও অঞ্চলত থকা ঘৰচীয়া জন্তুবোৰৰ পৰা ওচৰতে থকা পবিতৰা অভয়াৰণ্যৰ বনৰীয়া জন্তুবোৰলৈ যাতে যেই কোনো বেমাৰ আজাৰ বিয়পিব নোৱাৰে তাৰ বাবে গাঁওসমূহৰ মাজত একোটা একোটা কেন্দ্ৰ পাতি অভিজ্ঞ ডাক্তৰ সকলক মাতি আনি বিভাগীয় কৰ্তৃপক্ষই গাঁও অঞ্চলৰ গৰু, ম'হ, ছাগলীবোৰক প্ৰতিষেধক বেজী আদি দিয়া কামো হাতত লোৱা দেখা গৈছে। বিভাগীয় কৰ্তৃপক্ষৰ বাহিৰেও দুই এটা প্ৰকৃতিপ্ৰেমী স্বেচ্ছাসেৱী সংগঠনেও গৰু, ম'হৰ ৰোগ প্ৰতিষেধক বেজী দিয়াৰ বাবে ঠায়ে ঠায়ে শিবিৰ পতাও দেখা গৈছে। তদুপৰি চাৰিওফালে থকা গাঁওসমূহৰ সৰ্বাংগীন উন্নতিৰ কাৰণে বিভাগীয় আৰু অভয়াৰণ্যৰ জীৱ-জন্তুবোৰ সুৰক্ষা দিয়াৰ ক্ষেত্ৰত যথাবিহিত কাৰ্য্য ব্যৱস্থা গ্ৰহণৰ কাৰণে বিভাগীয় কৰ্তৃপক্ষৰ দায়িত্বত বহুতো ইকু-ডেভেলপমেণ্ট কমিটিও গঠন কৰি দিছে। বৰ্তমানলৈ এই ইকু-ডেভেলপমেণ্ট কমিটিবোৰ আৱশ্যকীয় কাম কাজৰ বাবে আঁচনিসমূহ দাখিল কৰাৰ পাছতো বিভাগীয় উৰ্দ্ধতম কৰ্তৃপক্ষৰ পৰা কোনোধৰণৰ আৰ্থিক অনুদান পোৱা নাই বুলি জানিব পৰা গৈছে।

**পৰিদৰ্শন বঙলা আৰু বনাঞ্চলিক কাৰ্য্যালয় ঃ**

ইং ১৯৭১ চনত পবিতৰা প্ৰফেচনেল গ্ৰেজিং ৰিজাৰ্ভটো (P.G.R) সংৰক্ষিত বনাঞ্চল ঘোষণাৰ লগে লগে হাদুগ বিলখনৰ উত্তৰ পাৰতে বিভাগীয় কৰ্তৃপক্ষই বন পৰিদৰ্শন বঙলা (Forest I.B) এটা নিৰ্মাণ কৰে। পৰিদৰ্শন বঙলাটো নিৰ্মাণ হৈ উঠাৰ পিছৰ পৰা সময়ে সময়ে বন বিভাগৰ উৰ্দ্ধতম কৰ্তৃপক্ষ, মন্ত্ৰী, দৌতা, ডাঙৰীয়াসকল ইয়ালৈ আহিবলৈ ধৰে। এনেকৈ মৰিগাঁও, মঙলদৈ, তেজপুৰ, গুৱাহাটীৰ পৰা বিভাগীয় বিষয়া, উৰ্দ্ধতম কৰ্তৃপক্ষ আহিও বন্যপ্ৰাণী সংৰক্ষণ সম্পৰ্কে নানা আলোচনা কৰি যোৱাও দেখিবলৈ পোৱা গৈছিল।

সংৰক্ষিত বনাঞ্চল হ'লেও তাত আমি সন্তুষ্ট নাথাকি বন্য জীৱ-জন্তুৰ ভৱিষ্যত সুৰক্ষাৰ কথা চিন্তা কৰি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰাৰ বাবে নানা আবেদন নিবেদন কৰি থকাৰ বাহিৰেও

বাতৰি কাকত সমূহতো এই বিষয়ে লিখা মেলা কৰি থকাৰ পিছত সুদীৰ্ঘ পোন্ধৰৰ বছৰৰ মূৰত ইং ১৯৮৭ চনত পবিতৰা সংৰক্ষিত বনাঞ্চলখন অভয়াৰণ্য হিচাপে চৰকাৰীভাৱে ঘোষণা হয়। ইয়াৰ পিছতে এটা বনাঞ্চলিক কাৰ্যালয় নিৰ্মাণ হয়। লগে লগে ৪ টাকৈ বাসভৱনো নিৰ্মাণ হয়। এই কাৰ্যালয়ত এজন বনাঞ্চলিক বিষয়া নিযুক্তি দি অভয়াৰণ্যখন সংৰক্ষণৰ দায়িত্ব আৰু কৰ্তৃত্ব দিয়ে। এখেতৰ লগত বৰ্তমান এজন বিট অফিচাৰ আৰু ৭৪ জন বনৰক্ষী কৰ্মচাৰী আছে। এখেত সকলে চাৰিওফালে থকা শিবিৰ সমূহত থাকি দিনে ৰাতিয়ে বন্য জীৱ-জন্তুবিলাকৰ ওপৰত চোকা নজৰ ৰাখে।

বৰ্তমান পবিতৰা অভয়াৰণ্যৰ বনাঞ্চলিক কাৰ্যালয়ত ১ টা কম্পিউটাৰ, ১১ টা ওৱাৰলেচ যন্ত্ৰ, ১ টা, টাইপ ৰাইটাৰ আছে। ইয়াৰ বাহিৰেও কাৰ্যালয়টোৰ লাগতিয়াল আচবাব আৰু অন্যান্য সা-সঁজুলি সমূহ আছে।

**পৰ্যটক নিবাসী, দেশী-বিদেশী পৰ্যটকৰ আগমন আৰু যাতায়াতৰ সমস্যা ঃ**

পবিতৰা সংৰক্ষিত বনাঞ্চলখন ইং ১৯৮৭ চনত অভয়াৰণ্য ঘোষণাৰ কেইবছৰ মানৰ পিছতেই অসম চৰকাৰৰ পৰ্যটন বিভাগে পৰ্যটকসকলৰ থকা মেলাৰ সুবিধাৰ কাৰণে হাদুগ বিলৰ পশ্চিম খণ্ডত বিলখনৰ উত্তৰ পাৰে বৰ্তমান নামকৰণ কৰা লোকপ্ৰিয় বৰদলৈ ৰোডৰ কাষতে এটা পৰ্যটক নিবাস নিৰ্মাণ কৰায়। এই পৰ্যটক নিবাসতে কেইটামান বছৰ CRPF কোম্পানী এটা থাকিবলৈ লয়। CRPF কোম্পানীটো গুচি যোৱাৰ পিছত পৰ্যটক নিবাসটো চৰকাৰে আটক ধুনীয়াকৈ বাউণ্ডাৰী ওৱাল মাৰি যোৱা ইং ২০০৬ চনত চৰকাৰীভাৱে মুকলি কৰি গুৱাহাটী মহানগৰৰ জনৈক চৌধুৰী উপাধিধাৰী লোক এজনক ১০ বছৰৰ বাবে লিজত দিয়া বুলি জনা গৈছে। পৰ্যটক নিবাসটো মুকলি হোৱাৰ কেইবছৰমান আগৰ পৰাই বন্য জীৱ-জন্তু চাবলৈ বিশেষকৈ গঁড়, গাহৰি, বনৰীয়া ম'হ, পৰিভ্ৰমী হাঁহ আদি চাবলৈ পবিতৰা অভয়াৰণ্যলৈ দেশী-বিদেশী পৰ্যটকৰ আগমন ঘটি আছে। দুঃখৰ বিষয় যাতায়তৰ অসুবিধাৰ বাবে বহু পৰ্যটক অশেষ দুখ কষ্টৰ মাজেদি খোজ কাঢ়িহে পবিতৰা অভয়াৰণ্যলৈ আহে। বৰ্তমান পৰ্যটক নিবাসটো মুকলি কৰা হৈছে যদিও ৩৭ নং ৰাষ্ট্ৰীয় পথৰ পৰা সোমাই অহা চামতা-পবিতৰা মায়ং এই ১৯ কি.মি. পথছোৱা চৰকাৰী অৱহেলাৰ বাবে যাতায়াতৰ উপযোগী হৈ নুঠাত এই পথেৰে কোনো পৰ্যটক বা পথাচাৰী মায়ং পবিতৰালৈ আহিব নোৱাৰে। যাতায়াতৰ সুবিধাৰ কাৰণে চামতা-পবিতৰা-মায়ং পথটো পকা কৰি দিব লাগে বুলি স্থানীয় ৰাইজে বহু বছৰ ধৰি আবেদন কৰি থকাৰ মূৰত যোৱা ইং ১৯৯৫ চনতে ৩৭ নং ৰাষ্ট্ৰীয় পথৰ দাঁতিৰ চামতাত প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া দেৱে এই পকী পথটোৰ শুভাৰম্ভ কৰিছিল। কিন্তু এই পথটো কলং পাৰলৈকেহে পকা কৰা হ'ল যদিও দুখন গাড়ীও পাৰাপাৰ হ'ব নোৱাৰে। আজিলৈকে এটা অতি ঠেক ৰাস্তা হৈয়ে থাকিল। পবিতৰা অভয়াৰণ্যলৈ তথা মায়ঙলৈ বাকী থকা ৯ কি.মি. ৰাস্তা আজি ১৫ বছৰ ধৰি ওখ বহল আৰু পকা হৈ নুঠিল। বৰ্তমানৰ মুখ্যমন্ত্ৰী মাননীয় শ্ৰীযুত তৰুণ গগৈ দেৱে ২০০২ চনত পবিতৰা চাবলৈ আহি এই খণ্ড ৰাস্তাৰ আৰু দলঙৰ শোচনীয় অৱস্থাটো নিজ চকুৰে দেখি গৈছে। বৰ্তমান নাবাৰ্ডৰ টকাৰে ২০০৫ চনৰ ডিচেম্বৰ মাহতে নিবিদা যোগে ঠিকাদাৰ নিয়োগ কৰিও বৰ্তমান ২০০৯ চনলৈকে ঠিকাদাৰে ১ কি.মি. ৰাস্তাও পকী কৰি দেখুৱাব পৰা নাই। পকা কৰিব লগা দলং কেইখনৰ ক্ষেত্ৰত নিৰ্মাণৰ কামো একো কৰিব পৰা নাই। দলং কেইখন সম্পূৰ্ণ হওতে কিমান বছৰ লাগিব তাৰ কোনো নিশ্চয়তা নাই। চৰকাৰ তথা ৰাইজৰ একমাত্ৰ গৌৰৱৰ স্থল পবিতৰা অভয়াৰণ্যত এশিঙীয়া গঁড় আৰু অন্যান্য বনৰীয়া জীৱ-জন্তুৰ বাসস্থান অভয়াৰণ্য এখন থকা স্বত্বেও দেশে স্বাধীনতা লাভ কৰাৰ পৰা আজি ৬২ বছৰে পকা ৰাস্তা এটা নিৰ্মাণ কৰি দিব নোৱাৰাটো বৰ লজ্জাজনক বিষয় হৈয়ে আছে। যাতায়তৰ সুবিধা নাই যদিও মাজে সময়ে সুদূৰ ইংলেণ্ড, ফ্ৰান্স, আমেৰিকা, হ'লেণ্ড আদি ভালেমান দেশৰ পৰ্যটকসকলৰ পবিতৰাৰ অভয়াৰণ্যলৈ আগমন ঘটি আছে যদিও খোজ কাঢ়ি অশেষ কষ্টৰ মাজেদিহে পবিতৰালৈ আহি আছে।

**পবিতৰা অভয়াৰণ্যৰ পৰ্যটন উদ্যোগৰ পৰা হোৱা আয় ঃ**

অভয়াৰণ্যৰ নিয়ম অনুযায়ী পবিতৰা অভয়াৰণ্য কৰ্তৃপক্ষৰ তৰফৰ পৰা জীপ চাফাৰী, এলিফেন্ট, চাফাৰী, মটৰ বোট চাফাৰীৰো ব্যৱস্থা কৰিছে। ইয়াৰ বাহিৰেও পবিতৰা অভয়াৰণ্য চাবলৈ অহা দেশী-বিদেশী পৰ্যটক, গাড়ী-মটৰ আৰু বনভোজৰ দলবোৰৰ পৰাও এটা নিৰ্দ্ধাৰিত মাচুল লোৱাৰ নিয়ম কৰিছে। পবিতৰা অভয়াৰণ্যৰ জীৱ-জন্তু বিলাক চাবৰ কাৰণে আৰু ইয়াতে এসাজ খাবৰ কাৰণে প্ৰতি বছৰৰ ডিচেম্বৰ মাহৰ পৰা নতুন বছৰৰ জানুৱাৰী আৰু ফেব্ৰুৱাৰী মাহৰ শেষ ভাগলৈকে গুৱাহাটী মহানগৰ আৰু অন্যান্য ঠাইৰ পৰাও শ শ বনভোজৰ দল পবিতৰালৈ আহে। এই তিনিমাহত পবিতৰা অভয়াৰণ্যখন মুখৰ হৈ থাকে। আনহাতে খৰালি কালত প্ৰতি ৰবিবাৰে বা কেতিয়াবা অন্য দিনতো আসাম এপেক্স টুৰিজিম

ডেভলেপমেণ্ট ছ'চাইটিৰ (টুৰফেড) তত্ত্বাৱধানত বহুতো দেশী বিদেশী পৰ্যটকো পবিতৰালৈ আহে। এইসকল পৰ্যটক তথা দৰ্শনাৰ্থীৰ পৰা অভয়াৰণ্য কৰ্তৃপক্ষই প্ৰতি বছৰে কেইবালাখ টকা সংগ্ৰহ কৰে। পবিতৰা অভয়াৰণ্যত মুকলি কৰা এই পৰ্যটন উদ্যোগৰ পৰা অসম চৰকাৰ লাভবান হোৱা দেখা গৈছে।

**প্ৰকৃতিপ্ৰেমী সংগঠন (N.G.O) সমূহৰ ভূমিকা ঃ**

পবিতৰা অভয়াৰণ্যখনৰ জীৱ-জন্তুবোৰ সংৰক্ষণ আন্তঃগাঁথনি উন্নয়ন সাধন কৰাৰ প্ৰতিশ্ৰুতিৰে বহুতো প্ৰকৃতিপ্ৰেমী সংগঠন আগবাঢ়ি অহা দেখা গৈছে। শুনামতে পবিতৰা অভয়াৰণ্যৰ উন্নয়নৰ কাৰণে বহুতো আঁচনি চৰকাৰৰ ওচৰত দাখিল কৰি ভাৰত তথা অসম চৰকাৰৰ পৰা আৰ্থিক সাহায্যও আদায় কৰিছে। এই প্ৰকৃতিপ্ৰেমী সংগঠনবোৰে পবিতৰাৰ আশে-পাশে মাজে সময়ে ২/৪ খন ৰাজহুৱা সভাপাতি বন্য জীৱ-জন্তু সুৰক্ষাৰ বাবে ৰাইজক সজাগ কৰা, ৰাস্তাই ঘাটে ২/৪ খন বেনাৰ, পোষ্টাৰ মাৰা, আশে পাশে থকা গাঁও সমূহৰ গৰু, ম'হবোৰক ডাক্তৰ মাতি আনি কেতিয়াবা কোনোবা বছৰত ৰোগ প্ৰতিষেধক বেজী দিয়াৰ কামৰ বাহিৰে ৰাইজৰ চকুত লগা ধৰণে লেখত লব পৰা আন্তঃগাঁথনি উন্নয়নৰ কাম কৰিব পৰা নাই যদিও পবিতৰা অভয়াৰণ্যলৈ কিছু ওৱাৰলেচ চেট দান কৰা পোৱা গৈছে। ইং ২০০৪ চনৰ পৰা বিশ্ব বন্যপ্ৰাণী নিধি (World Wide Fund for Nature) (WWF-India) নামৰ এটা সংগঠনে ভাৰতৰ সকলো অভয়াৰণ্য উন্নয়নৰ কাৰণে আগবাঢ়ি অহা বুলি জনা গৈছে।

**পশু চিকিৎসক আৰু চিকিৎসালয়ঃ**

ইং ১৯৫৮ চনতে ৰাইজৰ যত্নত স্থাপন হোৱা ৰজামায়ং নামৰ এটা পশু চিকিৎসা উপকেন্দ্ৰ আছে। ইয়াত এজন ক্ষেত্ৰ সহায়ক আছে কিন্তু গৰু ম'হ চিকিৎসাৰ বাবে আশ্যকীয় সু-চিকিৎসা আৰু ঔষধ পাতি পোৱা নাযায়।

ওচৰতে থকা পবিতৰা অভয়াৰণ্যৰ গঁড় আদি বনৰীয়া জন্তু কেনেবাকৈ মৃত্যুমুখত পৰিলে মৰণোত্তৰ পৰীক্ষাৰ বাবে পশু চিকিৎসক এজন বিচাৰি অভয়াৰণ্য কৰ্তৃপক্ষ হয় জাগীৰোড নাইবা খানাপাৰালৈ নগ'লে ওচৰত ডাক্তৰ এজন পাবলৈ নাই। বনাঞ্চলিক বিষয়াজনে বাৰুকৈয়ে হাবাথুৰি খাই ফুৰিব লগা হয়।

ইং ১৯৭১ চনত যেতিয়া পবিতৰা পি জি আৰটো সংৰক্ষিত বনাঞ্চল ঘোষণা হয়, তেতিয়াৰ পৰাই পবিতৰা সংৰক্ষিত বনাঞ্চলৰ বন্য জীৱ-জন্তুবোৰ আৰু বৃহত্তৰ মায়ংবাসী ৰাইজৰ ঘৰচীয়া পোহনীয়া জন্তুবোৰৰ স্বাৰ্থতেই ৰজামায়ং পশু চিকিৎসা উপকেন্দ্ৰটো ৰাজ্যিক পশু চিকিৎসালয়লৈ উন্নীত কৰি দিব লাগে বুলি স্থানীয় মায়ংবাসী ৰাইজে অসম চৰকাৰৰ ওচৰত উপৰ্য্যুপৰি আবেদন নিবেদন কৰি অহা সত্বেও আজিলৈকে চৰকাৰৰ গা নলৰিল। নগাঁও (D.V.O মৰিগাঁও S.D.V.O) মহোদয়ে সময়ে সময়ে সঞ্চালকলৈ কিমানবাৰ প্ৰস্তাৱ পঠিয়ালে স্থানীয় ৰাইজেও সঞ্চালক, যুটীয়া সঞ্চালক, উপ সঞ্চালক, মন্ত্ৰী-বিধায়কসকলৰ ওচৰত কিমানবাৰ আবেদন নিবেদন কৰিলে তথাপি ৰাজ্যিক পশু চিকিৎসালয় এখনৰ মঞ্জুৰী নাপালে। এই ক্ষেত্ৰত এই ইতিবৃত্তৰ লিখকেই অশেষ কষ্ট কৰিছিল। কিন্তু ৰাইজৰ আবেদন সকলো অৰণ্য ৰোদনত পৰিণত হৈ গ'ল। ইয়াতকৈ দুঃখৰ বিষয় আৰু কি থাকিব পাৰে?

ৰাইজৰ আশা আছিল ৰাজ্যিক পশু চিকিৎসালয় এখন হ'লে B.V.S.C এজন থাকিলে পবিতৰা সংৰক্ষিত বনাঞ্চল তথা অভয়াৰণ্যৰ মৃত বন্য জন্তুবোৰৰ মৰণোত্তৰ পৰীক্ষা কৰিব পৰাৰ লগতে ঘৰচীয়া জন্তুবোৰৰো চিকিৎসা ল'ব পাৰিব। বন্য জীৱ-জন্তু আৰু ঘৰচীয়া জীৱ-জন্তুবোৰ চৰকাৰৰ তথা ৰাইজৰ সম্পদ। এই সম্পদসমূহৰ কল্যাণৰ কাৰণে শীঘ্ৰে ৰাজ্যিক পশু চিকিৎসালয় এখন চৰকাৰে স্থাপন কৰিবনে?

**সামৰণি ঃ**

পবিতৰা অভয়াৰণ্যখন সৃষ্টিৰ মূলতে হ'ল বৃহত্তৰ মায়ং অঞ্চলটো তথা পবিতৰা বনাঞ্চলখনৰ জলবায়ু নাতিশীতোষ্ণ। পবিতৰা অভয়াৰণ্যত কৰৈ, এজাৰ, শিমলু, বনবেঙেনা, হিদল, বগৰী আদি নানাবিধ গছ-গছনি নল, খাগৰি, ইকৰা, বৰঙা, উলু, বিৰিণা, দলঘাঁহ, হুগল, নানাবিধ লতা আৰু তৃণ আৰু মাজে মাজে থকা সৰু সৰু বাম বিলজান ডোবা দলনি ঘাঁহ বন আদিৰে ভৰা এটা সুবৃহৎ অঞ্চল। বনৰীয়া জীৱ-জন্তুবোৰে ঘাঁহ পানী খাব পৰা আৰু মুক্তভাৱে বিচৰণ কৰিব পৰা এটা তৃণভূমি অঞ্চল। সেই কাৰণেই পবিতৰাত বনৰীয়া জীৱ-জন্তু, গঁড়-গাহৰি, ম'হ, বাঘ,হৰিণ, শিয়াল, মাছ, কাছ, সাপ আদি নানাবিধ সৰীসৃপ আৰু বগলী, বৰটোকোলা পাকৈচোঁৰা, হাড়গিলা, কামচৰাই, শালিকা, শগুণ, চিলনী, মাছৰোকা, শৰালি, ভাটৌ, পানীকাউৰী, ভেলা আদি নানাবিধ চৰাইৰ বাবে বাসোপযোগী। এই বাবেই স্থানীয় মায়ংবাসী ৰাইজে পবিতৰাক অভয়াৰণ্য ঘোষণা কৰি বনৰীয়া জীৱ-জন্তুবিলাক ৰক্ষণাবেক্ষণ দিব লাগে বুলি উপৰ্য্যুপৰি আবেদন নিবেদন তথা বাতৰি কাকত যোগে অসম চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰাত বাধ্য হৈ চৰকাৰে পোনপ্ৰথমে ইং ১৯৭১ চনতে সংৰক্ষিত বনাঞ্চল হিচাপেহেহে

চৰকাৰে ঘোষণা কৰিছিল। কিন্তু আমি ৰাইজে অভয়াৰণ্য ঘোষণা নকৰালৈকে ক্ষান্ত নাথাকি বদ্ধ পৰিকৰ হৈ সম্পূৰ্ণ ১৫ বছৰ ধৰি চৰকাৰৰ ওচৰত হেঁচা প্ৰয়োগ কৰি থকাৰ পিছতহে যোৱা ইং ১৯৮৭ চনত উক্ত সংৰক্ষিত বনাঞ্চলখন অভয়াৰণ্য হিচাপে ঘোষণা কৰে। এই পবিতৰা অভয়াৰণ্যখন মায়ংবাসী ৰাইজৰ অশেষ চেষ্টাৰ ফল যদিও আমি বিশেষভাবে দুজন নেতৃস্থানীয় লোকেহে আগভাগ লৈ কাম কৰিব লগা হৈছিল। আমাৰ দুজনৰ ভিতৰত মোৰ বয়োজ্যেষ্ঠ ৰত্নকান্ত হাজৰিকা বৰ্তমান ইহসংসাৰত নাই। এই ইতিবৃত্তৰ যোগেৰেই তেখেতৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক ইয়াকেহে আমি ঈশ্বৰৰ ওচৰত কামনা কৰিলো স্থানীয় ৰাইজৰ হকে অভয়াৰণ্য এখন পতাৰ যি আমাৰ অক্লান্ত চেষ্টা অসমত এনে দৃষ্টান্ত বিৰল।

পবিতৰা বনাঞ্চলখন পি জি আৰ হৈ থকা দিনৰ পৰা অসম সম্পদ তথা পৃথিৱী বিখ্যাত এশিঙীয়া গঁড়বোৰ ইয়াত বাস কৰিবলৈ লৈছিল। খেতিৰ পথাৰলৈ গঁড়বোৰ পালপাতি ওলাই আহি খেতিবোৰ খচি-ঘোডালি খাই অনিষ্ট কৰিছিল। গঁড় খেদিবৰ কাৰণে খেতিয়ক সকলে পথাৰৰ মাজত টঙি সাজি খেতিবোৰ ৰাখিছিল আৰু এতিয়াও ৰখে। পবিতৰা পিজি আৰৰ জলাশয়বোৰত মাছ-কাছ, হাবি-জংঘলবোৰত খৰি, খেৰ, মৌ, বিচাৰি ফুৰা মানুহক গঁড়ে খুন্দিয়াই জখম আদিও কৰিছিল। ইয়াৰ বাহিৰেও বাহিৰৰ খেতিৰ পথাৰ সমূহত কাম কৰি থকা বা খেতি ৰখি থকা মানুহ আৰু পথাচাৰীক সমুখত পালে গঁড়ে খুন্দিয়াইছিল। ২/৪ জন মানুহো মাৰিছিল। বৰ্তমান অভয়াৰণ্য হোৱাৰ পিছতো তেনে ব্যৱস্থাই চলি আছে। অৱশ্যে বনাঞ্চলিক বিষয়া মহোদয়ক তথা বনৰক্ষীসকলৰ তৎপৰতাত জন্তুবোৰে বাহিৰলৈ ওলাই গৈ খেতি পথাৰ খোৱা আৰু খুন্দিয়াই মানুহ মাৰা ব্যৱস্থাটো কিছু পৰিমাণে কমিবলৈ ধৰিছে। গঁড়বোৰৰ বাহিৰেও বৰ্তমান পবিতৰাত বসবাস কৰা পাল পাল বনৰীয়া ম'হ (পূৰ্বত পোহনীয়া) বাহিৰলৈ ওলাই আহি মাজে সময়ে কঠিয়া বিধান আৰু খেতি বাতিবোৰ খাই খেতিয়কসকলক বিশেষভাৱে ক্ষতি কৰি থাকে। গঁড় আৰু ম'হবোৰে খেতি খাই অনিষ্ট কৰিলে, পথাৰত কৃষি কৰ্মত ব্যস্ত থকা মানুহ খুন্দিয়াই জখম কৰিলে বা মাৰিলে উপযুক্ত প্ৰমাণ লৈ চৰকাৰে বৰ্তমান ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিছে। ই অৱশ্যে ভালৰ লক্ষণ। তেহে চৌদিশে থকা গাঁওবাসী ৰাইজৰ চৰকাৰ বা বিভাগীয় কৰ্তৃপক্ষৰ প্ৰতি আস্থা আৰু সৌহাদ্যপূৰ্ণ মনোভাৱ অটুট থাকিব। ৰাইজৰ সহায় সহযোগ অবিহনে অভয়াৰণ্যৰ জীৱ-জন্তু বিলাক উপযুক্ত ভাৱে ৰক্ষণাবেক্ষণ দিব পৰামুঠেই সম্ভৱ নহ'ব।

পবিতৰা অভয়াৰণ্যৰ উন্নয়নৰ দিশত বহুত কাম কৰিব লগা আছে। তাৰ ভিতৰত চৌপাশে য'ত ত'ত বেদখল চলি আছে পোনতে সেইবোৰ বেদখল মুক্ত কৰি পবিতৰা অভয়াৰণ্যৰ চাৰিসীমাত গড়খাৱৈ মাৰি সীমাখুটী পুতি ভৱিষ্যত কোনেও বেদখল কৰিব নোৱাৰা ব্যৱস্থা হ'ব লাগে। পূব-খণ্ডৰ টকলা হৈ যোৱা অঞ্চলটোত খেৰ, খাগৰি, ইকৰা, নল আদি কই পাতলে পাতলে দুই চাৰিজোপা গছ-গছনি ৰোৱাৰো ব্যৱস্থা কৰিব লাগে। তেহে যদি বনৰীয়া জীৱ-জন্তুবোৰে গা-লুকাই ৰাখি সেইটো অঞ্চলত মুক্তভাৱে ঘাঁহ পানী খাই বিচৰণ কৰিব পাৰিব। অন্যহাতে তলত কোনো ঘাঁহ বন গজিব নোৱাৰাকৈ ঠাই খাই পৰা গছ-গছনিবিলাক কটাই কিছু পাতল কৰি দিয়াৰো প্ৰয়োজন আছে। অভয়াৰণ্যৰ যান-বাহনৰ সংখ্যাও বঢ়াব লাগে। বনৰক্ষীসকলক চোৰাং চিকাৰীবোৰৰ লগত সমানে ফেৰ মাৰিব পৰাকৈ সদায় অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত কৰি ৰাখিব লাগে। শতকৰা দহজন মানকৈ অভয়াৰণ্যৰ চৌদিশৰ গাঁওসমূহৰ শিক্ষিত নিবনুৱা সাহসী যুৱকক বনৰক্ষী নিযুক্তি দিব লাগে। তদুপৰি এওঁলোকৰ বাবে জীৱন বীমাৰ ব্যৱস্থা কৰিব লাগে।

গঁড়ৰ সংখ্যা বৃদ্ধি হ'লে ইয়াৰ পৰা চৰকাৰে অসম তথা অন্যান্য ৰাজ্যৰ অভয়াৰণ্য সমূহলৈ গঁড় নিব লাগে। ইয়াৰ দ্বাৰা চৰকাৰৰ আয়ো বৃদ্ধি হ'ব। ইয়াৰ বাহিৰেও অভয়াৰণ্যখন সুৰক্ষিত কৰি ৰাখিবলৈ কৰিব লগা বহুত কাম নিশ্চয় আছে। সেইবোৰ বিভাগীয় উৰ্দ্ধতম কৰ্তৃপক্ষৰ দক্ষবিষয়াসকলে সময়ে সময়ে বৃহৎ আঁচনি লৈ কাম কৰিব পাৰিলেহে অভয়াৰণ্যখনৰ জীৱ-জন্তুবিলাক সুৰক্ষিত হ'ব। তেতিয়াহে চৰকাৰ তথা ৰাইজো উপকৃত হ'ব। ◆◆